# ASSAM
# LEGISLATIVE ASSEMBLY
# DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

EIGHTH SESSION OF THE ASSAM LEGISLATIVE
ASSEMBLY ASSEMBLED AFTER THE TENTH
GENERAL ELECTIONS UNDER SOVEREIGN
DEMOCRATIC REPUBLICAN
CONSTITUTION OF
INDIA

## BUDGET SESSION

NO. 14

The 7th May, 1999

Price, Rs. : 32.85

# CONTENTS

## BUDGET SESSION

## NO. : 14

***Dated, the 7th May, 1999***


| | | ***Page*** |
|---|---|---|
| *1.* | *QUESTIONS & ANSWERS :* | *1* |
| *2.* | *VOTING ON DEMANDS FOR GRANTS :* | *48* |
| *3.* | *ADJOURNMENT :* | *83* |
| *5.* | *ANNEXURES (I - VII) :* | *84* |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

**Friday, the 7th May, 1999.**

The House met at 4 P. M. of the Clock in the Assembly chamber at Dispur with Shri Ganesh Kutum, Speaker in the Chair.

## STARRED QUESTIONS AND ANSWERS (To which oral replies were given)

*** ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে** ঃ পইন্ট অৱ অৰ্ডাৰ। মাননীয় অধ্যক্ষ মহোদয়, হাউছত এটা কথা হৈছিল। শিক্ষকসকলে যিটো ষ্ট্ৰাইক কৰি আছে তাৰ ওপৰত ৬ তাৰিখে এটা চৰকাৰৰ লগত আলোচনা হ'ব আৰু তেখেতসকলে ইয়াত জনাব। কিন্তু আমাৰ ওচৰত খবৰ আহিছে মন্ত্ৰী মহোদয়ে প্ৰেছ কনফাৰেঞ্চ পাতিছে। কি ডেভেলপমেন্ট হ'ল, কি নহ'ল একো নাজানিলো। এডুকেচন বিভাগটোৰ ওপৰত সকলোৰে এঙজাইটি অৱস্থাত আছে। পৰীক্ষা হৈছে, বহী চোৱা নাই, ল'ৰা-ছোৱালীৰ ভৱিষ্যত কি হ'ব একো ক'ব নোৱাৰিলো। সেই কাৰণে প্ৰশ্নোত্তৰ বন্ধ কৰিছে গতিকে এটা আলোচনা হ'ব লাগে।

**Mr. Speaker :** It is the first opportunity of the day. Let the Minister come.

(Starred question Nos. 221 were not raise as the questioner were not present in the House when called for)

Now, Starred Question No. 222. Hon'ble Member Shri Dinesh Prashad Goala.

### Re. : Sanction of B.M.S. Amount

**Shri Dinesh Prasad Goala asked :**

* 222. Will the Minister of P.W.D. be pleased to state :

(a) What is the amount sanctioned as B.M.S. in 1996-97 and 1997-98 to Silchar P.W.D. Road Division?

(b) What is the total amount released so far by the Government?

(c) What are the roads against which this B.M.S. amount has

---

* Speech not corrected

been spent? (Please furnish the name of the roads and amount spent against each road).

**Shri Nagen Sarma (Minister P.W.D.) replied :**

(a) 1996-97 - Rs. 176.71 L.
1997-98 - Rs. 99.63 L.

(b) 1996-97 - Rs. 6.34 L.
1997-98 - Rs. 43.00 L.
Out of this Rs. 6.832 L.
surrendered 1998-99.

(c) List Placed on the floor of the House.
(See the Annexure I)

* **শ্ৰী গৌতম ৰয় ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিছে। সেইমতে কাম হোৱা নাই। বিটুমেন দিব নে নাই সেইটো উত্তৰ দিব নেকি? বিটুমেন এম,এন,পিত থাকে। ৰাস্তাৰ কাম কৰিছে, ক'ত বস্তু পেলাইছে, ক'ত পেলোৱা নাই গভৰ্ণমেন্টে ক'ব নোৱাৰে।

* **শ্ৰী নগেন শৰ্মা (মন্ত্ৰী, গড়কাপ্তানি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কোন কোন ৰাস্তাত কাম হৈছে ইয়াত এখন তালিকা দিয়া হৈছে। তালিকাখন চালেই গম পাব। তালিকাখন পঢ়ি এতিয়া সময় নষ্ট নকৰো। বি,এম,এছ লৈ এটা ডাঙৰ সমস্যা হৈছে। সাধাৰণতে বি,এম,এছ গ্ৰামাঞ্চলৰ লগত সংযোগ কৰিবৰ কাৰণে এই আঁচনি লোৱা হৈছে। সৰহ ভাগ ঠাইতে তেনেধৰণৰ আঁচনি উভটি গৈছে। লিংক ৰোড দেখুৱাব পৰা নাই কাৰণে এই টকা চাৰেন্দাৰ কৰা হৈছে। নতুন পলিচি কি ল'ব পাৰি আলোচনা চলি আছে। আলোচনা শেষ হোৱাৰ পিছতহে সিদ্ধান্ত ল'ব পৰা যাব।

* **শ্ৰী মিছবাহুল ইছলাম লস্কৰ ঃ** মোৰ সমষ্টিতো লিংক ৰোডৰ এষ্টিমেট হোৱা টেন্দাৰ কল হোৱা নাই। মন্ত্ৰী মহোদয়ে ব্যৱস্থা লব নেকি?

* **শ্ৰী নগেন শৰ্মা (মন্ত্ৰী, গড়কাপ্তানি) ঃ** বি, এম, এছৰ এখন তালিকা দিয়া আছে। ইয়াত যদি নাই, নিশ্চয় গম পালে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

* **শ্ৰী গৌতম ৰয় ঃ** মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি? আমাৰ হাইলাকান্দিটো এতিয়ালৈকে বিটুমেন যোৱা নাই। এফ, দি, আৰৰ টকা দিছে, বিটুমেন নাই। বিটুমেন যোৱাৰ ব্যৱস্থা কৰিব নেকি?

---

* Speech not corrected

* শ্ৰী নগেন শৰ্মা (মন্ত্ৰী) ঃ বিটুমেনৰ সম্পৰ্কত আপোনালোকক জনাইছো। বিটুমেন আই, ও, চি আৰু এছ, পি, চি এই দুয়োটাই যোগান ধৰে। এই দুটা অৰ্গেনাইজেচনৰ বাহিৰে ব্যক্তিগতভাৱে কোনো যোগান-ধৰিব নোৱাৰে। আমি বহুতো যোগাযোগ কৰিছো। ভাৰত চৰকাৰৰ পৰা পাঁচ হাজাৰ মেট্ৰিক টন পাবলগীয়া আছে। সেইখিনিৰ কাৰণে আই, ও, চিৰ আৰু এছ, পি, চিৰ লগত কথা পাতি আছে। সেইখিনি আহিছে আমি ইতিমধ্যে বিতৰণ কৰিছো। দুই/তিনি ট্ৰাক বিটুমেন গৈছে।

* শ্ৰী গৌতম ৰয় ঃ মাননীয় মন্ত্ৰী মহোদয়, ৰাস্তাত পাথৰ পৰি আছে। বিটুমেন নোহোৱাৰ কাৰণে ৰাস্তাৰ কাম হোৱা নাই। দিয়াৰ ব্যৱস্থা কৰিব লাগে।

* শ্ৰী নগেন শৰ্মা (মন্ত্ৰী) ঃ চেন্ট্ৰেলৰ লগত যোগাযোগ চলি আছে। আই, ও, চি, এছ, পি, ছিক চেংচন দিয়া হৈছে। ৰেক নাই। ৰোড কেৰিইজ কৰিব লাগিলে খৰচৰ পইচা ভৰিব লগা হয়। তথাপিও আমি চেষ্টা কৰিছো। ১৯৯১-৯৫ চনৰ এই এটা ডাঙৰ গেপ হৈছে। ১৯৯৭ পিছত বিটুমেনৰ এটা ফেলা হৈছে। বিটুমেন সৰহ ভাগ এন, এইছতে দিব লগা হৈছে।

* শ্ৰী গৌতম ৰয় ঃ কিছুদিন আগতে আইজাললৈ বিটুমেন গৈছে। আমাৰ বৰাক উপত্যকাৰ ৰাস্তাঘাট ইমান বেয়া অৱস্থা হৈ আছে। এই অৱস্থাৰ কাৰণে হৈছে। এইটোৰ ওপৰত ৰেচপনচিবিল সকলক মন্ত্ৰী মহোদয়ে একচন লব নাই সেইটো লাগে। টকা নাই তথাপিও টকা ঘুৰি গৈছে। এই কথাটো মন্ত্ৰী মহোদয়ে গুৰুত্ব সহকাৰে বিবেচনা কৰিব নেকি? যদি অফিচাৰৰ কাৰণে ঘুৰি গৈছে তাৰ কাৰণে কোন দায়ী একচন লব লাগে।

* শ্ৰী নগেন শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, যিটো শিতানত খৰচ কৰিব নোৱাৰিলে সেইটোত খৰচ কৰা হ'ব। কোনোবা আঁচনিত কাম হোৱা সেই আঁচনিৰ ওপৰত ব্যৱস্থা কৰা হ'ব। যিখিনি লিষ্টত অন্তভুৰ্ক্ত হৈছে তাৰ ভিতৰত কোনটো ৰাস্তাৰ কাম হোৱা নাই চোৱা হ'ব। বিষয়া সকলৰ ওপৰতো ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**Re. : Delegation of powers to the Autonomous Councils.**

**Shri Chandra Kanta Terang asked :**

* 223. Will the Minister of Hill Areas Department be pleased to state :

(a) Whether the Department of Weight & Measures, Sales Tax, Food & Civil Supplies, Excise and Transport Department are fully entrusted and delegated Power to Karbi Anglong

* Speech not corrected

Autonomous Council and North Cachar Hills Autonomous Council as per Government Gazette Notification issued on the 29th June, 1995?

(b) If not, why?

(c) How many days will be taken for proper implementation?

**Shri Hitendra Nath Goswami (Minister, Hill Areas Department etc.) replied:**

(a) Yes. Delegation of powers of these subjects are under process.

(b) Full delegation of powers require amendments to relevant Acts, which are under process in different department.

(c) Time limits are to be fixed by the concerned departments only.

* **শ্ৰী চন্দ্ৰকান্ত টেৰাং ঃ** অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰ সন্তোষজনক হোৱা নাই। ১৯৯৫ চনতে ২৯ জুনত অসম চৰকাৰৰ পৰা যিটো গেজেট নটিফিকেশ্যন পাবলিচ কৰা হৈছিল তাত ৩০ টা বিভাগৰ ক্ষমতা হস্তান্তৰ কৰা হৈছে। ৩০ টা বিভাগ হস্তান্তৰ কৰা কথা কাগজে পত্ৰইহে যে আছে এই কথা অসম চৰকাৰে স্বীকাৰ কৰিবনে? যদি এইটো কৰা হোৱা নাই তেনেহলে ১৯৯৫ চনৰ পৰা ৪ বছৰে আন্দাৰ প্ৰছেচ হৈ আছে। যিখন এক্ট কেন্দ্ৰীয় চৰকাৰৰ লগত জৰিত আৰু অসম চৰকাৰৰ ফালৰ পৰা ড্ৰাফট পঠাব লাগে। সেইকাৰণে ভাৰত চৰকাৰৰ ফালৰ পৰা জইন্ট চেক্ৰেটাৰি হ'ম এফেয়াৰচে অসম চৰকাৰক পৰামৰ্শ দিছে যে, সোনকালে ড্ৰাফট পঠাব লাগে।

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী (মন্ত্ৰী, পাৰ্ব্বত্য এলেকা উন্নয়ন) ঃ** অধ্যক্ষ মহোদয়, ৩০ টা বিভাগ আন্দাৰ প্ৰচেছত আছে যদিও ৫ টা বিভাগ হস্তান্তৰ কৰা হৈছে আৰু বাকী ২৫ টা সম্পূৰ্ণ হস্তান্তৰ হোৱা নাই।

* **শ্ৰী চন্দ্ৰকান্ত টেৰাং ঃ** অধ্যক্ষ মহোদয়, সম্পূৰ্ণ হোৱা নাই আৰু অফিচাৰ সকলৰ নিযুক্তি সম্পূৰ্ণ হোৱা নাই। এই কাৰণে সমস্যা হৈ আছে।

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী (মন্ত্ৰী, পাৰ্ব্বত্য এলেকা উন্নয়ন) ঃ** অধ্যক্ষ মহোদয়, গোটেই বিষয়টো আমি হাউচত আলোচনা কৰিছো। আমি স্পেচিফিকেলি সকলোবোৰ চাইছো। ৫ টা বিভাগ কিয় হোৱা নাই মই ক'ব পাৰিম। কোনটো বিভাগত কি হৈছে স্পেচিফিকেলি কলে ভাল হ'ব। ওৱেইট এন্দ মেজাৰচটো আমি সম্পূৰ্ণ এনট্ৰাষ্ট কৰিছো। এজন দেপুটি

* Speech not corrected

কন্ট্ৰলাৰ এজন বেলেগ দিব লাগে বৰাক ভেলিৰ বাবে সেইকাৰণে পষ্ট ক্ৰিয়েট কৰাৰ বাবে বিত্ত বিভাগলৈ লিখিছো।

* **শ্ৰী চন্দ্ৰকান্ত টেৰাং ঃ** অধ্যক্ষ মহোদয়, প্ৰছেচৰ প্ৰক্ৰিয়াটো কিমান দিন চলিব জনাবনে?

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী (মন্ত্ৰী, পাৰ্ব্বত্য এলেকা উন্নয়ন) ঃ** অধ্যক্ষ মহোদয়, চেলটেক্স Weights & Measure পষ্ট ক্ৰিয়েট কৰাৰ বাবে কোৱা হৈছে। ১/২ মাহৰ ভিতৰতে হব। ২ মাহৰ ভিতৰত ওৱেইট এন্দ মিজাৰচ বিভাগটো হ'ব লাগে। ফুদ এন্দ চিভিল চাপ্লাইজ বিভাগটো লৈ আমাৰ এটা সমস্যা আছে। তাৰ বাবে চেন্ট্ৰেল এচেনচিয়েল কমডিটিজ এক্ট আছে। অসম এচেনচিয়েল কমডিটিজ এক্ট অসমত নাই দিষ্ট্ৰিক্ট কাউন্সিলত আছে যদি পঠাব। ৯-৩-৯৯ তাৰিখে কেন্দ্ৰীয় চৰকাৰে উত্তৰ দিছে এনেধৰণৰ এক্ট নাই Assam Essential Commodities Act ৰ বিষয়ে কেন্দ্ৰীয় চৰকাৰলৈ আমি লিখিছো। এক্সাইজ বিভাগত সকলো বস্তু দিয়া হৈছে। চেটেলমেন্ট দিয়া হৈছে। এমেন্দমেন্টৰ বাবে নবেম্বৰ মাহতে প্ৰপজেল দিয়া হৈছে। পৰিবহনটো ৰেভিনিউ আৰ্নিং বিভাগ। ৰেভিনিউ কেনেকৈ কলেক্ট হ'ব আৰু কেনেকৈ খৰচ হ'ব এইটো চাব লাগিব। ষ্টেট গৱৰ্ণমেন্টৰ ৰেভিনিউ তাৰ পৰা আহে। আমি কেন্দ্ৰীয় চৰকাৰলৈ লিখিছিলো- উত্তৰ দিলে যে কন্সষ্টিটিউচনত ৰেচট্ৰিকচন নাই, জুদিচিয়েল বিভাগলৈ এমেন্দমেন্টৰ বাবে দিছো। হিল এৰিয়াৰ বিভাগ বিলাকত আমি কো-অৰ্দিনেট কৰিব লাগে। এই সম্পৰ্কত আমি এখন মিটিং পাতিম তাত দিষ্ট্ৰিক্ট কাউন্সিলো থাকিব আমিও থাকিম।

State Government is committed to honour the agreement.

* **শ্ৰী চন্দ্ৰকান্ত টেৰাং ঃ** অধ্যক্ষ মহোদয়, Matter is very serious. This is not the commitment of the Karbi Anglong District Council. This is the Commitment of the Government of Assam. এইটো চৰকাৰে কমিটমেন্ট দিয়াৰ পিচত আৰু এম, অ, ইউ হোৱাৰ পিচত ৰূপায়ন কৰিব লাগে। গতিকে মই অনুৰোধ কৰিছো দুয়োটা দিষ্ট্ৰিক্ট কাউন্সিলকে মাতি আলাপ আলোচনাৰ মাজেৰে সমস্যা সমাধান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এই কথা বিলাকত পাহাৰীয়া ৰাইজৰ কিছুমান বিক্ষোভ আছে। গতিকে অসম চৰকাৰে সদ ইচ্ছাৰ মনোভাবেৰে অতি সোনকালে এই সমস্যা বিলাক সমাধান কৰিব বুলি আহ্বান জনালো।

(Starred question no. 224 and 225 were not raised as the questioners were not present in the House when called for)

---

* Speech not corrected

## Re. : Handicapped Educated Unemployed.

**Smit Pramila Rani Brahma asked :**

* 226. Will the Minister of Social Welfare be pleased to state:

(a) How many handicapped educated unemployed youths are there in Assam?

(b) How many educated handicapped have been absorbed in Government service in the State and what is their percentage?

(c) Whether the Government will taken a positive step to absorbe all the unemployed Handicapped who have acquired all the requisite qualification for each and every grade?

**Smti Rekha Rani Das Boro (Minister, Social Welfare) replied :**

(a) Steps are being taken to collect the number of handicapped educated unemployed youths in Assam.

(b) 201 education Handicapped have been absorbed in different Govt. Deptts and percentage is 1.42.

(c) Govt. has taken steps to absorb 33 blind youths in the different Govt. Deptts.

* **শ্ৰী মতী প্ৰমীলা ৰাণী ব্ৰহ্ম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ ‘এ’ প্ৰশ্নটো আছিল How many handicapped educated unemployed youth are there in Assam? এইটো চচিয়েল ওৱেলফেয়াৰ বিভাগৰ লগত জড়িত। অসমত কিমান জন এডুকেটেড আনএম্পলইড হেণ্ডিকেপ্‌ড পাৰচন আছে সেইটোৰ হিচাব বিচৰা হৈছিল। এতিয়া মন্ত্ৰী ডাঙৰীয়ানীয়ে উত্তৰ দিছে যে Steps are being taken to collect the numbers of handicapped educated unemployed youths in Assam. এইটো বৰ দুখজনক কথা। আমি বিধান সভা বহাৰ ২১ দিন আগতে প্ৰশ্ন দিছো। এই ২১ দিনৰ ভিতৰতো তেওঁলোকে ৰাজ্যখনৰ বিভিন্ন জিলা সমূহৰ পৰা এই হিচাবটো গোটাব নোৱাৰিলে নেকি? অধ্যক্ষ মহোদয়, আপুনি নিশ্চয় এটা কথা মন কৰিছে যে বিধান সভাৰ অধিবেশন চলি থকা সময়ত আমাৰ

* Speech not corrected

সদস্য সকলৰ উপস্থিতি ইমান সেৰেঙা কিয়। তাৰ একমাত্র কাৰণ হ'ল আমি যিবোৰ কথা জানিব বিচাৰো সেইবোৰ ঠিকমতে নাপাওঁ। আমাক অৱহেলা কৰে। সেই কাৰণে সদস্য সকল সদনত উপস্থিত নাথাকে। গতিকে এইটো এটা বৰ চিৰিয়াচ কথা। তেখেতে উত্তৰত কৈছে যে ২০১ জন হেণ্ডিকেপ্‌ড পাৰচনক নিযুক্তি দিয়া হৈছে আৰু শতকৰা হিচাবত এইটো হৈছে ১.৪২ সেইমতে মই মন্ত্রী ডাঙৰীয়ানীক প্রশ্ন কৰিম যে অসমত যিমান বিলাক বিভাগ আছে সেই বিভাগ সমুহৰ কৰ্ম্মচাৰীৰ সংখ্যা ২ লাখ নেকি যিটোৰ পাৰচেন্টেজ মতে ২০১ জন হেণ্ডিকেপ্‌ড পাৰচনেহে নিযুক্তি পাইছে আৰু তাৰ শতকৰা হিচাব হৈছে ১.৪২ এইটো বিশ্বাসযোগ্য কথা নহয়। গতিকে তেখেতে সদনক মিচলিড কৰিছে। মোৰ ৩ নং প্রশ্নটো আছিল Is the Government will taken a positive step to absorb all the unemployed handicapped.

* **মাননীয় অধ্যক্ষ ঃ** আপুনি প্রশ্ন কেইটা এটা এটাকৈ কৰিলেহে উত্তৰ পাব। গতিকে স্পেচিফিক প্রশ্নটো কি সেইটো সোধক।

* **শ্রী মতী প্রমীলা ৰাণী ব্রহ্ম ঃ** ইয়াত 'চি' প্রশ্নৰ উত্তৰত তেখেতে কৈছে যে Steps are being taken to collect the number মই তেখেতক সুধিম এই ব্যৱস্থা কিমান দিনৰ ভিতৰত লব? সর্বমুঠ কিমান এডুকেটেড আনএম্পলইড হেণ্ডিকেপ্‌ড পাৰচন আছে সেইটো জনাব লাগে।

* **মাননীয় অধ্যক্ষ ঃ** এই প্রশ্ন কেইটা আপুনি ইতিমধ্যে সুধিছে। কিয় নিযুক্তি দিয়া নাই সেইটো সোধক।

* **শ্রী মতী ৰেখাৰাণী দাস বড়ো (সমাজ কল্যান মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যা শ্রীমতী প্রমীলা ৰাণী ব্রহ্মাই কোৱামতে আমি সদনক কেতিয়াও অৱহেলা কৰা নাই। তেখেতৰ প্রশ্নটো আছিল এডুকেটেড আন এম্পলইড হেণ্ডিকেপ্‌ড পাৰচন কিমান আছে। এই ক্ষেত্রত আমাৰ যিহেতু নিজস্ব এজেন্সি নাই গতিকে আমি ষ্টেটিচটিক্‌চ বিভাগৰ ওপৰত নির্ভৰ কৰিব লগা হয় আৰু বিভিন্ন বিভাগৰ ওপৰত নির্ভৰ কৰিব লাগে। গতিকে আমি বিভিন্ন বিভাগ সমূহলৈ লিখিছো। তেওঁলোকৰ পৰা আমি ৰিপর্ট নোপোৱাৰ কাৰণে সঠিক হিচাবটো দিব পৰা নাই। এই হিচাবটো আমি ইতিমধ্যে কালেক্ট কৰাৰ ব্যৱস্থা কৰিছো।

দ্বিতীয়তে, মাননীয় সদস্যা গৰাকীয়ে সুধিছে যে এই ৩৩ জন প্রার্থীক কেতিয়াকৈ

---

* Speech not corrected

নিযুক্তি দিয়া হব। এইক্ষেত্ৰত মই তেখেতক জনাওঁ যে এই বিধান সভা চলি থকা অৱস্থাতে তেওঁলোকৰ এটা সপ্তাহ অনশণ কৰিছিলে। আমি ৩৩ জন ব্লাইণ্ড পাৰচনক নিযুক্তি দিয়াৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰি ইতিমধ্যে বিভিন্ন নীতি নিয়ম সমূহ সম্পূৰ্ণ কৰিছো। গতিকে এইখিনি কৰাৰ কাৰণে আমাক যিখিনি সময় লাগে তাৰ কাৰণে আমাক কিছু সময় দিব লাগিব। এই ক্ষেত্ৰত আমি দায়বদ্ধতা নোলোৱা নহয়। শতকৰা হিচাব ১.৪২ সম্পৰ্কে তেখেতে উল্লেখ কৰিছে। আপোনালোকে এটা কথা জানে যে এনে লোক সকলক নিযুক্তি দিয়াতো কেৱল আমাৰ বিভাগৰে দায়িত্ব নহয়। সকলো বিভাগে এই দায়িত্ব ল'ব লাগে আৰু তাৰ কাৰণে ভাৰত চৰকাৰৰো যি নিৰ্দ্দেশ আছে সেই নিৰ্দ্দেশ সকলোৱে মানি চলিব লাগে। আমি নীতি নিৰ্দ্দেশনা সমূহ মানি চলাৰ কাৰণে সকলোকে ক'ব পাৰো কিন্তু প্ৰতিটো বিভাগে এইবোৰ মানি চলিব লাগে। সকলোবোৰ বিভাগে এই নীতি নিয়ম মানি নচলাৰ কাৰণে শতকৰা হিচাবটো কমি গৈছে। সেই কাৰণে আমি সকলোবোৰ বিভাগকে এই নীতি নিৰ্দ্দেশনা সমূহ মানি চলি তেনেলোকক নিযুক্তি দিয়াৰ কাৰণে লিখিছো আৰু প্ৰয়োজন হলে আকৌ ৰিমাইণ্ডাৰ দিম। ইয়াৰ কাৰণে উপায়ুক্ত আৰু পঞ্চায়ত সমূহৰো দায়িত্ব আছে। গতিকে এই ক্ষেত্ৰত সকলোৱে আগবাঢ়ি আহিব লাগে।

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ পৰা এটা ৰুলিং বিচাৰিছো। মাননীয় মন্ত্ৰী ডাঙৰিয়ানী কিমান এডুকেটেড হেণ্ডিকেপ্ট আছিল বা আছে তাৰ ৰেকৰ্ড দিব পৰা নাই। কিন্তু তেখেত লগত এইটো থাকিব লাগে, তেখেতে যি কৈছে সেইটো ক'লে নহব, আজি যদি চেণ্ট্ৰেল মিনিষ্টাৰে সুধি দিয়ে সেইটো ক'ব নেকি? আজি মাননীয় সদস্যা শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম ডাঙৰিয়াণী এই প্ৰশ্ন নকৰিলে তেখেতে কব লগা নহলহেতেন নেকি? আমি দেখিছো মাননীয় মন্ত্ৰী সকলে যি কোনো প্ৰশ্ন উত্তৰ দিওতে তদন্ত কৰা হ'ব বুলি কয়। গতিকে মই মাননীয় অধ্যক্ষ মহোদয়ৰ পৰা এই ক্ষেত্ৰত এটা ৰুলিং বিচাৰিছো।

* **শ্ৰীমতী ৰেখাৰাণী দাস বড়ো (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, ৰেকৰ্ড আছে, কিন্তু এতিয়া আপ টু ডেট নাই। বৰ্ত্তমান কালেকচন কৰি থকা হৈছে।

* **ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ** মাননীয় অধ্যক্ষ মহোদয়, ষ্টেটিক্‌চটিক বিভাগে এবছৰৰ আগৰ ৰিপোৰ্ট দিয়ে। কিন্তু কনচাৰ্নিং বিভাগে প্ৰেজেন্ট ৰিপোৰ্ট ৰাখে। গতিকে মন্ত্ৰী ডাঙৰিয়ানীৰ এই ক্ষেত্ৰত নিজৰ দায়িত্ব আছে। ষ্টেটিক্‌টিকচে ১৯৯৭-৯৮ চনৰ ৰিপোৰ্ট উলিয়াইছে।

---

* Speech not corrected

আপোনালোকৰ বিভাগৰ পৰা ষ্টেটিক্‌টিকচ বিভাগলৈ যাব। এইটো আপুনি জানে।

* **শ্ৰীমতী ৰেখা ৰাণী দাস বড়ো (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, মই এই বিষয়ে জানো। আমি ৰিপোৰ্ট কালেকচন কৰি আছো। বৰ্তমান আপটু ডেট ৰিপোৰ্ট দিব লাগিব।

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ্‌** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপ টু ডেট কিমান আছে, সেইটো নাজানিলে কেনেকৈ হ'ব।

* **শ্ৰী প্ৰদীপ হাজৰিকা (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, শিক্ষা বিভাগেই দিব পৰা নাই, এই ক্ষেত্ৰত খেলি মেলি কৰি আছে।

* **শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, চাৰিটা প্ৰশ্নত বহুত সময় গৈছে, মোৰ বোধেৰে এই প্ৰশ্নটোৰ কাৰণে বেলেগে সময় লোৱা ভাল হ'ব।

(At this stage Dr Ardhendu Kr. Dey, Bharat Narah and Girin Choudhury stood up and raised their voices.)

* **শ্ৰীমতী ৰেখা ৰাণী দাস বড়ো (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, বৰ্তমান কালেকচন কৰি থকা হৈছে। ইয়াৰ কাৰণে সময় দিয়ক, পিচত দাখিল কৰিম, এক সপ্তাহ সময় দিয়ক।

**মাননীয় অধ্যক্ষ** ঃ মিনিষ্টাৰে কৈছে যে আপ টু ডেট ৰেকৰ্ড নাই, কিন্তু বিভাগৰ কিমান চনলৈকে আপ টু ডেট হৈ আছে সেইটো ক'লেই হ'ল।

* **শ্ৰীমতী ৰেখা ৰাণী দাস বড়ো (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, ৰিপোৰ্ট আমাৰ লগত আছে। আমি পিচত প্লেচ কৰিম।

* **শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম** ঃ মাননীয় অধ্যক্ষ মহোদয়, পুৰণা ৰেকৰ্ড মতে কিমান এডুকেটেড ইউথ আছে? এই হিচাবটো দিব। ২০১ জন এডুকেটেড হেণ্ডিকেপ্টক নিযুক্তি দিয়া বুলি কৈছে। কি কি বিভাগত, কি কি গ্ৰেডত কাম কৰি আছে মাননীয় মন্ত্ৰী ডাঙৰীয়ানীয়ে জনাব নে?

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰীয়ে ইয়াৰ লিষ্ট পিচত দিব। Now, Starred question No. 227.

## Re. : Enquiry against the Executive Engineer, P.W.D.(Rd) Tinsukia.

**Shri Joy Chandra Nagbanshi asked :**

* 227. Will the Minister of P.W.D. be pleased to state :

(a) Is it a fact that an Enquiry was constituted/conducted against

* Speech not corrected

Shri Joyram Saikia, the Executive Engineer, P.W.D. Roads Division, Tinsukia for misappropriation of Government fund to the tune of Rs. 93,27,365.00 Lakhs?

(b) If so, who was the Inquiry-officer and what was his "Findings" of the inquiry conducted?

**Shri Nagen Sarma (Minister P.W.D.) replied :**

(a) Yes.

(b) Shri M.C. Gogoi, Superintending Engineer, P.W.D., N.H. Circle, Dibrugarh was the Inquiry officer to enquire into certain matters of Shri Joyram Saikia, E.E., PWD, Tinsukia. In the enquiry report it is found that Shri Joyram Saikia, Executive Engineer, P.W.D., Tinsukia Road Division submitted excess requirement of fund than the actual requirement. The Inquiry officer has recommended for departmental action against the officer. The case is under process.

* **Shri Joy Chandra Nagbanshi :** Mr. Speaker, Sir, from the reply of the Hon. Minister, PWD it is found that Shri Joyram Saikia, Executive Engineer, PWD, Tinsukia Road Division submitted excess requirement of fund than the actual requirement. My question is that what punishment has inflicted on Shri Saikia?

* **Shri Nagen Sarma (Minister) :** Sir, departmental proceedings have been initiated against Shri Saikia and as soon as the proceedings are completed we will take appropriate action against him.

Therefore, the matter is under process and we will take steps after completion of the whole process.

* **Shri Joy Chandra Nagbanshi :** Sir, what does the Hon. Minister, P.W.D. by "under process"? When will it be completed? How long will it take to punish the delinquent officer?

* **Shri Nagen Sarma (Minister) :** Sir, as you are aware, there are some laid down procedure to proceed with the departmental proceedings. No officer can be punished unless and until the officer found guilt. As I said earlier, the departmental proceedings are going on and we will take necessary action as soon as the proceedings are completed.

---

* Speech not corrected

* **Shri Joy Chandra Nagbanshi :** How long this officer has been in Tinsukia? Is he still there?

* **Shri Nagen Sarma (Minister) :** Sir, the officer concerned has already been transferred out from Tinsukia.

**বিষয় ঃ Academic Calendar.**

**শ্ৰী আব্দুৰ ৰৌফে সুধিছে ঃ**

* ২২৮। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ লগত সংলগ্ন ইন্সটিটিউট অৱ ফাৰ্মাচীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে কোনো শৈক্ষিক দিন পঞ্জী Academic Calendar ৰ ব্যৱস্থা কৰা হৈছে নেকি?

(খ) যদি কৰা হোৱা নাই কিয়?

(গ) ১৯৯৭ ইং চনৰ ২৫ ফেব্ৰুৱাৰীত ভৰ্ত্তি হোৱা ছাত্ৰ-ছাত্ৰীৰ দুবছৰীয়া ডিপ্লমা ফাৰ্মাচী পাঠ্যক্ৰম কেতিয়া সমাপ্ত হ'ব?

**শ্ৰী ভবেন বৰুৱা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, হৈছে।

(খ) প্ৰশ্ন নুঠে।

(গ) ১৯৯৯ চনৰ মে মাহত সমাপ্ত হ'ব।

* **শ্ৰী আব্দুৰ ৰৌফ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো - মন্ত্ৰী মহোদয়ে উত্তৰ দিছে যে ১৯৯৯ চনৰ মে মাহত সমাপ্ত হ'ব। পৰীক্ষা হৈ গৈছে নে পৰীক্ষা হ'ব? কি ভিত্তিত মে মাহত হ'ব বুলি কৈছে? মন্ত্ৰী মহোদয়ে জনাব নে?

* **শ্ৰী ভবেন বৰুৱা (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, ইতিমধ্যে পৰীক্ষা আৰম্ভ হ'ব আৰু চলিত মে মাহত পৰীক্ষা শেষ হ'ব।

**বিষয় ঃ NEC ৰাস্তা বন্ধ।**

**শ্ৰী ওৱাজেদ আলী চৌধুৰীয়ে সুধিছে ঃ**

* ২২৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নিদানপুৰ ফকিৰগঞ্জ NEC ৰাস্তাটো আজি কিমান দিনৰ পৰা বন্ধ হৈ আছে চৰকাৰৰ

---
* Speech not corrected

অৱগত নে?

(খ) নিদানপুৰ ফকিৰগঞ্জ NEC ৰাস্তাত যোৱা ৩ (তিনি) বছৰত মেৰামতিৰ বাবে কোনো ধৰণৰ আঁচনি লোৱা হৈছিল নেকি, যদি লোৱা হৈছিল কি কি আঁচনি লোৱা হৈছিল আৰু কিমান টকাৰ আঁচনি লোৱা হৈছিল?

(গ) নিদানপুৰ ফকিৰগঞ্জ NEC ৰাস্তাটো যদি মেৰামতিৰ বাবে আঁচনি লোৱা হৈছিল উক্ত আঁচনিবোৰ নিবিদাৰ যোগেদি ঠিকাদাৰক দিয়া হৈছিল নেকি?

**শ্ৰী নগেন শৰ্মা (গড়কাপ্তানী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, অৱগত। নিদানপুৰ ফকিৰগঞ্জ ৰাস্তাটো ১৯৯৫ চনৰ জুন মাহৰ পৰাই বন্ধ হৈ আছে।

(খ) হয়, লোৱা হৈছিল। নিদানপুৰ ফকিৰগঞ্জ ৰাস্তাত যোৱা তিনি বছৰত মেৰামতিৰ বাবে লোৱা আঁচনি বিলাক আৰু ইয়াৰ বাবে ধাৰ্য্য কৰা টকাৰ পৰিমাণ সদনৰ মজিয়াত দিয়া হ'ল।

(গ) মেৰামতিৰ আঁচনিবোৰৰ ৰূপায়ণৰ গুৰুত্ব অনুসাৰে কিছুমান কাম নিবিদাৰ যোগেদি ঠিকাদাৰক দিয়া হৈছিল আৰু কিছুমান দিয়া হোৱা নাছিল। (See the Annexure - II)

* **শ্ৰী ওৱাজেদ আলী চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰীমহোদয়ৰ পৰা জানিব বিচাৰিছো যে ১৯৯৫ চনৰ পৰা নিদানপুৰ ৰাষ্টাটো বন্ধ হৈ আছে। বিষয়টো কেইবাবাৰো বিধান সভাত উত্থাপন কৰিছিলো কিন্তু মেৰামতি হোৱা নাই। এই ৰাষ্টাটোৰ মেৰামতিৰ নামত বছৰি বছৰি কিছু টকা কোনো এজন ঠিকাদাৰে বিল বনাই টকা নিয়ে। সেই কাৰণে প্ৰশ্নটো দিছিলো মেৰামতিত কিমান টকা খৰচ হৈছে। প্ৰায় ১ লাখ টকা এই ৰাষ্টাটোত খৰচ হৈছে। কিন্তু কোনো কাম হোৱা নাই। গতিকে মন্ত্ৰীয়ে এই বন্ধ হৈ থকা ৰাষ্টাটো খোলাৰ ব্যৱস্থা কৰিব নেকি? যোৱা তিনি বছৰত কোন ঠিকাদাৰে ৯ লাখ টকা নিলে।

* **শ্ৰী নগেন শৰ্মা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৫ চনৰ পৰা এই ৰাষ্টাটো বন্ধ হৈ আছে। এইটো যথেষ্ট জটিল পথ। এই নিদানপুৰ পথছোৱাত সৰু সৰু মেৰামতি কাম। সাধাৰণ নিৰ্বাচন আৰু তাৰ পিচত কিছু কাম লোৱা হৈছে। ১৯৯৬-৯৭ চনত ৩৫.৩৮ লাখ টকা এখন আঁচনি প্ৰস্তুত কৰা হৈছিল। পুঁজিৰ অভাৱত গোটেই আঁচনিৰ কাম কৰিব পৰা নাই। সময়ে সময়ে কিছুমান কাম কৰা হৈছে. বানপানীয়ে ক্ষতিগ্ৰস্ত কৰা

* Speech not corrected

ঠাইত জৰুৰী ভাবে কিছুমান কাম কৰিবলগীয়া হয় কিন্তু গোটেই ৰাস্তাটো মুকলি কৰিব পৰা নাই। নাওঁৰে যাত্ৰী পাৰ কৰা ব্যৱস্থা কৰা হৈছে। কোন ঠিকাদাৰে কাম কৰিছিল এতিয়াই ক'ব নোৱাৰিম। ইয়াত এই কথাটো উল্লেখ নাছিল। গতিকে পিচত জনাব পাৰিম। এতিয়া ৩-৪ কিলোমিটাৰ ৫ লাখ টকাৰ এখন আঁচনি তৈয়াৰ কৰিছো। এতিয়াও অনুমোদন পোৱা নাই। ডি, চিৰ জৰিয়তে অনুমোদন বিচাৰিছো। তেখেতৰ পৰা প্ৰাক্কলন অনুমোদন পালে কাম আৰম্ভ কৰিম।

* **শ্ৰী ওৱাজেদ আলী চৌধুৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, ৩ বছৰত ৯ লাখ টকা খৰচ কৰিছে। এই ৰাস্তা ভাল কৰাৰ কাৰণে ১ কোটিৰো বেচি টকা লাগিব। নাওঁ দিয়াত কামত আহিছে। মোৰ সমষ্টিত এইটো মাত্ৰ ৰাস্তা যিটোৰে হেড কোৱাৰ্টাৰৰ লগত যোগাযোগ কৰিব পাৰি। গতিকে ৰাস্তাটো জৰুৰী। মাননীয় মন্ত্ৰীয়ে এই বিত্তীয় বছৰতে মেৰামতি কৰাৰ ব্যৱস্থা কৰিব নেকি? লগতে ৯ লাখ টকাৰ তদন্ত কৰিব নেকি?

* **শ্ৰী নগেন শৰ্মা (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, যদি ৯ লাখ টকা এনেয়ে খৰচ হৈছে, তদন্ত কৰাৰ ব্যৱস্থা কৰা হ'ব। এই কথাটোৰ গুৰুত্ব বুজি আমি ইতিমধ্যে ৫ লাখ টকাৰ প্ৰাক্কলন দিছো। ডি,চিৰ পৰা অনুমোদন পালে কামৰ আৰম্ভ কৰিব পাৰিম। যিমান সোনকালে পাৰো পথ মেৰামতি কৰাৰ ব্যৱস্থা কৰিম।

## Re. : Issuing of birth certificate.

**Shri Sambhu Singh Mallah asked :**

* **230.** Will the Minister of Health & Family Welfare be please to state:

(a) Is it a fact that in the case of issuing birth certificate in Karimganj district common people have to face defficulties due to neglect of the authority issuing certificate?

(b) Whether malpractises are going on in the case of issuing Birth & Death Certificates?

(c) Will the Government inquire into the serious matter and constitute a Committee for the same in each Health Sub-Divisions of the Karimganj District?

(d) If yes, when?

**Shri Bhaben Baruah (Minister of State Health & F.W.) replied :**

(a) The Govt. have not so far received any allegation of negligence on the part of the doctors.

* Speech not corrected

(b) Govt. is not aware of any malpractises. However, Govt. will look into if any malpractises is going on.

(c) It is not felt necessary to constitute a Committee for enquiry.

(d) Does not arise.

* **Shri Sukhendu Shekhar Dutta :** Mr. Speaker Sir, just one supplementary. I think sir, the Hon'ble Minister has not been informed properly. There is always a hue and cry in the Karimganj district. Sir, there is a common allegation that in the case of issuing birth certificate in Karimganj district it is very difficult to obtain the same without satisfying the person concerned. It is a common practise there, and everybody knows the matter. So, I would request the Hon'ble Minister to hold an open inquiry to invite the people and collect information whether the allegation is right or wrong? So sir, I want an open inquiry whether he will agree?

* **শ্ৰী ভৰেন বৰুৱা (বাজ্যিক স্বাস্থ্য মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা পোনপতীয়া অভিযোগ পালে নিশ্চয় তদন্ত কৰাৰ ব্যৱস্থা কৰিম।

* **Shri Sukhendu Shekhar Dutta :** Sir, I bring the allegation. It is cent percent correct. Sir, malpractises are going on in the case of issuing birth & death certificates and without payment it is difficult to obtain the said certificates. So Sir, I want an open inquiry in this regard.

* **শ্ৰী ভৰেন বৰুৱা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, নিশ্চয় বিভাগীয় ভাবে তদন্তৰ ব্যৱস্থা কৰা হ'ব।

* **ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাব নেকি, এইটো সঁচা নেকি যে ডাইৰেক্টৰ হেল্‌থ চাৰ্ভিচৰ পৰা বাৰ্থ আৰু ডেথ চাৰ্টিফিকেটৰ যি বিলাক প্ৰফৰ্মা পঠাব লাগিছিল সেই বিলাক পঠোৱা নাই। কোন চেন্টাৰৰ পৰা ডেথ আৰু বাৰ্থ চাৰ্টিফিকেট ইচ্যু কৰাৰ ব্যৱস্থা কৰিছে।

* **শ্ৰী ভৰেন বৰুৱা (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, ১৯৯৮ চনৰ যিখিনি চাৰ্টিফিকেট আমি ইনভেলিড কৰাৰ ব্যৱস্থা কৰিছো। ১৯৯৯ চনৰ বাবে ছপা কৰাৰ ব্যৱস্থা কৰা হৈছে।

* **ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ** অধ্যক্ষ মহোদয়, কোন কোন চেন্টাৰৰ পৰা ইচ্যু কৰিছে?

---

* Speech not corrected

* শ্ৰী ভৰেন বৰুৱা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বছৰ গাওঁ আৰু নগৰ অঞ্চলত চাৰ্টিফিকেট ইচ্যু কৰাৰ কাৰণে দিয়া হৈছে। গাওঁ অঞ্চলত চিনিয়ৰ মেডিকেল অফিচাৰ আৰু পি, এইচ, ইক আৰু নগৰ অঞ্চলত আৰবান অফিচাৰ আৰু এম, এইচ,ও-১ বিলাকক দিছো।

## বিষয় ঃ ছিন্ন বিছিন্ন পথ/দলংৰ সংখ্যা।

**শ্ৰীমতী সুশীলা হাজৰিকাই সুধিছে ঃ**

* ২৩১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ১৯৯৭-৯৮ বৰ্ষত বানপানীত যোৰহাট আৰু গোলাঘাট জিলাৰ অন্তৰ্ভূক্ত দেৰগাওঁ সমষ্টিত কিমানটা পথ আৰু দলং ছিন্ন বিছিন্ন হৈছে? ইয়াৰ সম্পূৰ্ণ হিচাব সদনত দাখিল কৰিবনে?

(খ) এই অচল অৱস্থাৰ পথ দলং সমূহ পুনঃ নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে নে?

(গ) যদি হৈছে, এই কাম সমূহ কিমান দিনৰ ভিতৰত সম্পূৰ্ণ কৰি তোলা হ'ব?

**শ্ৰী নগেন শৰ্মা (গড়কাপ্তানী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) মুঠ ২১ পথৰ ক্ষতি সাধন হৈছিল, কিন্তু দলংৰ কোনো ক্ষতি সাধন হোৱা নাছিল। ক্ষতি সাধন হোৱা পথ সমূহৰ তালিকা এখন সদনৰ মজিয়াত দিয়া হ'ল। (See the Annexure - III)

(খ) বান বিধস্ত শিতানত আৱন্তিত সীমিত পুঁজিৰে মাত্ৰ দুটা পথৰ মেৰামতিৰ কাম কৰা হৈছে।

(গ) আৱশ্যকীয় পুঁজিৰ আৱন্তন পালে বাকী থকা পথ সমূহৰ মেৰামতিৰ কাম কৰিব পৰা যাব।

* শ্ৰীমতী সুশীলা হাজৰিকা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে মোৰ (ক) প্ৰশ্নৰ উত্তৰত কৈছে মুঠ ২১ টা পথৰ ক্ষতিসাধন হৈছিল, কিন্তু দলঙৰ ক্ষতিসাধন হোৱা নাছিল - সেইটো সন্দেহজনক নহয় নে? ১৯৮৯ চনৰ বানপানীত গোলাঘাট জিলাৰ হেমচন্দ্ৰ পথৰ গেলাৰিৰ দলং খন আজি পৰ্য্যন্ত নহ'ল। এই বানপানীৰ ফলত নষ্ট হোৱা দলং বিলাক আৰু ৰাস্তাৰ মেৰামতি এই বিত্তীয় বৰ্ষতে কাম কৰিবলৈ আৰম্ভ কৰিব নেকি?

* শ্ৰী নগেন শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৭-৯৮ চনত গেলা বিল দলং ক্ষতিসাধন

---

* Speech not corrected

হোৱা নাই। আগৰ চৰকাৰৰ দিনতে সেই দলংখন ক্ষতি সাধন হৈছিল।

* **শ্ৰীমতী সুশীলা হাজৰীকা** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৰহাট আৰু গোলাঘাট জিলাত সংযোগ পথ মালৌবান ঘাই পথ বৰ্তমান চিন্ন ভিন্ন অৱস্থাত আছে মানুহৰ যাতায়াতৰ অসুবিধা হৈছে। সময়মতে টকা মোকলাই নিদিয়াৰ কাৰণে ঠিকাদাৰ সকলে সময়মতে কাম আৰম্ভ কৰিব নোৱাৰে। বানপানীৰ সময়ত কাম কৰিব নোৱাৰে। মাননীয় মন্ত্ৰী মহোদয়ে আৱণ্টিত পুঁজি সময় মতে মোকলাই দিয়াৰ ব্যৱস্থা কৰিব নেকি?

* **শ্ৰী নগেন শৰ্মা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যা গৰাকীয়ে যিটো প্ৰশ্ন কৰিছে সেইটো এটা যুক্তি পূৰ্ণ প্ৰশ্ন। সেই পথতো এটা গুৰুত্বপূৰ্ণ পথ মই উপলব্ধি কৰিছো। সেই কাৰণে আমি যোৱা বছৰৰ এফ ডি আৰ ৰ টকা মুকলি কৰি দিছিলো কিন্তু ৰিজাৰ্ভ বেংকৰ বেগু হোৱাৰ কাৰণে টকাটো উলিয়াব পৰা নগ'ল। এফ ডি আৰ ১২০ কোটি টকাৰ ব্যৱস্থা কৰা হৈছিল কিন্তু তাৰে ৬ কোটি টকাহে মোকলাব পৰা গ'ল। ৰিজাৰ্ভ বেংকৰ বেগুৰ কাৰণে অসুবিধা হৈছে।

* **শ্ৰীমতী সুশীলা হাজৰীকা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰীক মই ধন্যবাদ জনাইছো, আমাৰ দেৰগাওঁ সমষ্টিৰো এটা অনুসুচিত জাতিৰ অধ্যুষিত অঞ্চল। সেই অঞ্চলটোৰ কাম কাজৰ কাৰণে মাননীয় মন্ত্ৰীক গুৰুত্ব দিবলৈ অনুৰোধ কৰিলো।

* **ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰীয়ে ক'লে যে ১৯৯৮-৯৯ চনৰ ধন ৰিজাৰ্ভ বেংকৰ বেগু থকা কাৰণে মোকলাব নোৱাৰিলে কিন্তু সেই টকাটো এতিয়া কি হ'ব আৰু কেতিয়া মোকলাব?

* **শ্ৰী নগেন শৰ্মা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিত্ত, বিভাগে মুকলি কৰি দিলে আমি মুকলি কৰি দিম।

* **ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে** ঃ মাননীয় অধ্যক্ষ মহোদয়, এতিয়া ১৯৯৯-২০০০ চনৰ বাজেট চলি আছে। সেইটো এটা অদ্ভুত কথা ১৯৯৮-৯৯ চনৰ টকাটো কেনেকৈ মুকলি কৰিব?

* **শ্ৰী নগেন শৰ্মা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতে জানে ৰিজাৰ্ভ বেংকৰ বেগু থাকিলে টকাটো উলিয়াব নোৱাৰে। ১৯৯৮-৯৯ চনৰ বেগু খুলিব লাগিব তেতিয়া মুকলি কৰিব পাৰিম।

* **ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে** ঃ মাননীয় অধ্যক্ষ মহোদয়, কেতিয়া বেগু মুকলি হ'ব?

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ** ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰিজাৰ্ভ বেংকৰ লগত চৰকাৰে যোগাযোগ

* Speech not corrected

কৰিছে নে নাই?

* শ্ৰী নগেন শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কত মাননীয় বিত্ত বিভাগৰ মন্ত্ৰীয়েহে উত্তৰ দিব পাৰিব।

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো চিৰিয়াচ গতিকে মুখ্যমন্ত্ৰীয়ে উত্তৰ দিব লাগে।

* শ্ৰী ভৰত চন্দ্ৰ নৰহ ঃ মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী উপস্থিত থাকিলে বিভাগীয় মন্ত্ৰীয়ে যিটোৰ উত্তৰ দিব নোৱাৰে সেইটো মুখ্যমন্ত্ৰীয়ে দিব পাৰে। ফাইনেঞ্চে ৰিলিজ কৰা নাই বুলি মন্ত্ৰীয়ে কৈছে।

মাননীয় অধ্যক্ষ ঃ ১৯৯৮-৯৯ চনৰ টকা ৰিলিজ হ'লনে নাই সেই কথাটোত কৈ ১৯৯৮-৯৯ চনৰ কাম বিলাক হ'লনে নাই সেইটো চাব লাগে।

* শ্ৰী ভৰত চন্দ্ৰ নৰহ ঃ মাননীয় অধ্যক্ষ মহোদয়, মই সময়ৰ স্কীম-বিলাক কৰা হৈছে নে নাই?

* শ্ৰী নগেন শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, কাম কিছুমান আৰম্ভ হৈছে আৰু কিছুমানৰ কাম চলি আছে।

* শ্ৰী গৌতম বয় ঃ মাননীয় অধ্যক্ষ মহোদয়, এফ ডি আৰ ৰ এটা ৰিলিজ কৰিছে। নন ড্ৰয়েল চাৰ্টিফিকেট দিছে। ৬ কোটি টকা মাৰ্চ মাহতে দিছে। সেইটো বন্ধ হৈ আছে এতিয়া দিব পাৰিব নে নোৱাৰে?

* শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই টকাটো লেফট্ নহয়। ৰিভাইটেলাইজ কৰিব পৰা যাব।

## Re. : Road repairing bill.

**Shri Derhagra Mochahary asked :**

* 232. Will the Minister of P.W.D. (Road) be pleased to state :

(a) Whether Government is aware that road repairing bill of 1995-96 during election has been kept pending without payment to the contractors viz. (1) Rabin Das, (2) Kavin Das who have repaired the following roads?

(i) Improvement of Kumarikata-Kauli Road against culvert No. 1/1 Bridge No. 2/4 in conversion with general election?

---

* Speech not corrected

(ii) Improvement of Kumarikata Nagrijuli road in Pakrihari road for 1995-96 election (repair to app. Br. No. 3/6)

(iii) Improvement of Majdia Sasapani road 1995-96 repair to SPT Br. No. 10/1 in connection with general election 1996?

(iv) Improvement of Kumarikata Kauli road of Nagrijuli road for 1995-96 construction maintenance sub-way at Upstream side on Br. No. 8/3 in connection with general election 1996?

(v) Improvement of Kumarikata Jahal road for 1995-96 construction of sub-way against Br. No. 3/3, 3/4 of 5/1 connection with general election 1996?

(b) If so, when bills will be paid?

* **Shri Nagen Sarma (Minister, P.W.D.) replied :**

(a) Yes, Govt. is aware regarding non-payment of Bills of the such contractors.

(b) The Bills will be paid whenever fund is available.

* **শ্ৰী দেৰহাগ্ৰা মুচাহাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৯৯৬ চনত যি বিলাক ৰাস্তা নিৰ্মাণ কৰিছিল আৰু সেই বিলাক মেৰামতি কৰাৰ কাৰণে ঠিকাদাৰ বিলাকে পেমেন্ট পোৱা নাই। নিৰ্বাচনৰ সময়ত কাম কৰা সকলৰো পেমেন্ট এতিয়াও দিব পৰা নাই। মন্ত্ৰী মহোদয়ে সেই বিল বিলাক পোৱাৰ ব্যৱস্থা কৰিব নেকি?

* **শ্ৰী নগেন শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে যিটো কথা কৈছে যোৱা নিৰ্বাচনৰ সময়ত খৰখেদাকৈ কিছুমান কাম কৰিবলৈ দিয়া হৈছিল আৰু নন-প্লেনৰ পৰা টকা উলিয়াই দিম বুলি জনোৱা হৈছিল। সেই সময়ত এক টকাও নন-প্লেনৰ পৰা নিদিলে। সেই কাৰণে টকা দিব পৰা নগ'ল। এতিয়া ৭০ কোটি টকাৰ কাম কৰিবলৈ দিয়া হৈছে। তাৰে ২ কোটি টকা দিয়া হ'ল। গোটেই টকাটো দিব পৰা নাই কাৰণে আমাৰ বিপদ হৈছে।

* **শ্ৰী দেৰহাগ্ৰা মোচাহাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, টকা নিদিয়াৰ কাৰণে কাম বিলাক ভাল হোৱা নাই। কাম বিলাক ঠিকাদাৰে ভালকৈ কৰিবৰ কাৰণে টকা দিয়াৰ ব্যৱস্থা কৰা হ'ব নেকি?

* **শ্ৰী নগেন শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি টকা দিয়াটো ৰেগুলাৰ কৰিবলৈ চেষ্টা কৰি আছো। এতিয়া ঠিকাদাৰ সকলে টকা পাইছে।

---
* Speech not corrected

(প্ৰশ্নোত্তৰ কাল শেষ হোৱাৰ হেতুকে তাৰাংকিত প্ৰশ্ন নং ২৩৩ আলোচনাৰ বাবে লোৱা নহ'ল।)

## UNSTARRED QUESTIONS AND ANSWERS

**বিষয় ঃ P.W.D.(R) সংমণ্ডললৈ টকা।**

**শ্ৰী জ্যোতিষ দাসে সুধিছে ঃ**

৩৩৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯৬ চনৰ পৰা ১৯৯৯ চনৰ ফেব্ৰুৱাৰী মাহলৈ বিভিন্ন শিতানত গোৱালপাৰা P.W.D.(R) সংমণ্ডললৈ কিমান টকা দিয়া হৈছে?

(খ) উক্ত টকা সমূহ কি কি আঁচনিৰ বিপৰীতে কোন কোন ঠিকাদাৰক কিমান টকা দিয়া হৈছে অনুগ্ৰহ কৰি জনাবনে? (বছৰ ভিত্তিত আঁচনি আৰু ঠিকাদাৰৰ তালিকা সদনৰ মেজত দাখিল কৰিব।)

(গ) গোৱালপাৰা P.W.D.(R) সংমণ্ডলত কিমানজন পঞ্জীয়ন ভুক্ত ঠিকাদাৰ আছে? (সম্পূৰ্ণ নাম, ঠিকনাৰ তালিকা সদনত দাখিল কৰিব।)

(ঘ) শেহতীয়া ভাবে ৪৮,০০,০০০ লাখ আৰু ৭ লাখ টকাৰ জৰিয়তে কি কি আঁচনি কাৰ্য্যকৰী কৰিছে আৰু কোন কোন ঠিকাদাৰৰ দ্বাৰা এই কাৰ্য্য কৰা হৈছে?

**শ্ৰী নগেন শৰ্মা (গড়কাপ্তানী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ১৯৯৬ চনৰ পৰা ১৯৯৯ চনৰ ফেব্ৰুৱাৰী মাহলৈ বিভিন্ন শিতানত পোৱা ধনৰ পৰিমান তলত দিয়া হ'ল ঃ-

| | শিতান | ১৯৯৬-৯৭ | ১৯৯৭-৯৮ | ১৯৯৮-৯৯ |
|---|---|---|---|---|
| ১/ | ৫০৫৪ নুন্যতম আঁচনি | ৩৮.৫০ লাখ | ৫৩.০০ লাখ | ৬৪.৫০ লাখ |
| ২/ | ৫০৫৪ নুন্যতম আঁচনিৰ বাহিৰে | ২.০০ লাখ | ৬.০০ লাখ | নাই |
| ৩/ | ২২৪৫ বান বিধ্বস্ত | ১২.০০ লাখ | নাই | ৭.০০ লাখ |
| ৪/ | ৩০৫৪ মেৰামতি | ৬.০০ লাখ | ৫৩.০০ লাখ | ১৬.৫০ লাখ |
| ৫/ | ৫০৫৪ বিঃএমঃএছ | - | ১৫.০০ লাখ | - |
| | মুঠ = | ৫৮.৫০ লাখ | ৯৯.৫০ লাখ | ৮৮.০০ লাখ |

(খ) খৰছৰ তালিকা বছৰৰ ভিত্তি আঁচনি আৰু ঠিকাদাৰৰ নামৰ তালিকা সহ মাননীয় সদনৰ মেজত উপস্থাপন কৰা হৈছে।

(গ) গোৱালপাৰা সংমণ্ডলৰ অধীনত মুঠ ৭১১ জন পঞ্জীয়নভুক্ত ঠিকাদাৰ আছে। এওঁলোকৰ নাম আৰু ঠিকনাৰ তালিকা মাননীয় সদনৰ মেজত উপস্থাপন কৰা

হৈছে।

(ঘ) শেহতীয়া ভাবে ৪৮.০০ লাখ আৰু ৭.০০ লাখ টকাৰ জৰিয়তে কি কি আঁচনি কাৰ্য্যকৰী কৰিছে তাৰ তালিকা ঠিকাদাৰৰ নাম সহ মাননীয় সদনৰ মেজত উপস্থাপন কৰা হৈছে।

**বিষয় ঃ ফৰেষ্ট ৰয়েল্টি।**

**শ্ৰী হেমেন দাসে সুধিছে ঃ**

৩৩৭। মাননীয় গড়কাপ্তানী মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ সংমণ্ডল সমুহে ঠিকাদাৰৰ পৰা ফৰেষ্ট ৰয়েল্টি আদায় কৰে নেকি?

(খ) যোৱা তিনি বছৰত এইদৰে আদায় কৰা ধনৰ পৰিমান কিমান? (প্ৰতিটো সংমণ্ডলৰ হিচাপ দিব)

**শ্ৰী নগেন শৰ্মা (গড়কাপ্তানী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) আদায় কৰা হয়।

(খ) যোৱা তিনি বছৰত আদায় কৰা ধনৰ পৰিমাণ হ'ল ঃ

| | |
|---|---|
| ১৯৯৬-৯৭ | ২৭,১৬,৮৭৯.০০ |
| ১৯৯৭-৯৮ | ১৫,০৬,৭৮৯.০০ |
| ১৯৯৮-৯৯ | ১৬,৫০,১৫৭.০০ |
| মুঠ | ৫৮,৭৩,৯২৫.০০ |

(আঠাৱন্ন লাখ তেসত্তৰ হাজাৰ নশ পছিশ টকা)

(প্ৰতিটো সংমণ্ডলৰ হিচাব গাঠি দিয়া হ'ল, কিন্তু কিছুমান সংমণ্ডলৰ পৰা যথাসময়ত উত্তৰ নোপোৱা হেতু উক্ত তালিকাত উপস্থাপন কৰিব পৰা নহ'ল) (See the Annexure - IV)

**বিষয় ঃ ৩০ খন বিছনাযুক্ত হস্পিতাল।**

**শ্ৰী আলাউদ্দিন সৰকাৰে সুধিছে ঃ**

৩৩৮। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মন্ত্ৰী ডাঙৰীয়াই গোলকগঞ্জ সমষ্টিৰ কাচখানাত ৩০ খন শয্যাবিশিষ্ট গ্ৰাম্য হস্পিতাল নিৰ্মাণৰ বাবে প্ৰতিশ্ৰুতি দিছিল সঁচানে?

(খ) যদি হয়, মন্ত্ৰী ডাঙৰীয়াই প্ৰতিশ্ৰুতি মতে গোলকগঞ্জ সমষ্টিৰ কাছখানাৰ ৩০ শয্যা

বিশিষ্ট গ্ৰাম্য হস্পিতাল নিৰ্মাণৰ বাবে বিভাগে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) কেতিয়াকৈ উক্ত হস্পিতালৰ নিৰ্মাণ কাৰ্য্য আৰম্ভ হ'ব?

**শ্ৰী ভবেন বৰুৱা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বিবেচনা কৰা হ'ব বুলি আশ্বাস দিয়া হৈছিল, প্ৰতিশ্ৰুতি দিয়াৰ প্ৰশ্ন নুঠে।

(খ) ইতিমধ্যে ধুবুৰী জিলাৰ যুটীয়া সঞ্চালকক কাচখানা এলেকাৰ পাগলাহাটত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপনৰ বাবে পৰীক্ষা-নিৰীক্ষা কৰি feasibility report দাখিল কৰিবলৈ দিয়া হৈছে।

(গ) Feasibility report পোৱাৰ পিছত পুঁজি সাপেক্ষে ব্যৱস্থা লোৱা হ'ব।

## বিষয় ঃ গেষ্ট্ৰ এন্টাৰাইটিছত চাহ শ্ৰমিকৰ মৃত্যু।

**শ্ৰী এতোৱা মুণ্ডাই সুধিছে ঃ**

৩৩৯। মাননীয়া স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমৰ চাহ বাগিছা সমূহত আজিলৈকে মুঠ কিমানজন চাহ শ্ৰমিকৰ গেষ্ট্ৰ এন্টাৰাইটিছ ৰোগত মৃত্যু হৈছে?

(খ) এই ৰোগৰ কাৰণ সম্পৰ্কে চৰকাৰে তদন্ত কৰিছেনে? যদি কৰিছে তদন্তৰ প্ৰতিবেদন কেতিয়া প্ৰকাশ কৰিব জনাবনে?

(গ) এই ৰোগৰ নিয়ন্ত্ৰণ সম্পৰ্কে চৰকাৰে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে।

**শ্ৰী ভবেন বৰুৱা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) চলিত বছৰত (১৯৯৯ চন) গেষ্ট্ৰ' এন্টাৰাইটিছ ৰোগত অসমৰ চাহ বাগিছা সমূহত কোনো লোকৰ মৃত্যু হোৱাৰ প্ৰতিবেদন নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) ৰোগ নিয়ন্ত্ৰণ সম্পৰ্কে প্ৰত্যেক জিলাৰ যুটীয়া সঞ্চালকক চাহ বাগিছাৰ ওপৰত সম্পূৰ্ণ নজৰ ৰাখিবলৈ নিৰ্দ্দেশ দিয়া হৈছে আৰু সম্ভাব্য সকলো ধৰণৰ সহায়-সহযোগ আগবঢ়াবলৈ কোৱা হৈছে। প্ৰয়োজন সাপেক্ষে চিকিৎসকৰ দল আদিও পঠাবলৈ কোৱা হৈছে।

## বিষয় ঃ ফেৰী ঘাটৰ সংখ্যা।

**শ্ৰী শুকুৰ আলীয়ে সুধিছে ঃ**

৩৪০। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) আভ্যন্তৰীন জল পৰিবহন বিভাগৰ অধীনত কিমানখন ফেৰী আছে?

(খ) উক্ত বিভাগত কিমানখন ফেৰী কাৰ্য্যক্ষম হৈ আছে?

(গ) উক্ত বিভাগত কিমানজন কৰ্মচাৰী আছে?

(ঘ) উক্ত বিভাগত এখন ফেৰীৰ বিপৰীতে কিমানজন কৰ্মচাৰী আছে?

(ঙ) চলিত বছৰত গুৱাহাটী ঘাটত ধুমুহাত কিমানখন ফেৰীৰ ক্ষতি কৰিছে?

(চ) উক্ত ফেৰী ধুমুহাত ক্ষতি কৰাৰ কাৰণ কি?

**শ্ৰী প্ৰদীপ হাজৰিকা (পৰিবহন মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ২০৭ খন ফেৰী আছে।

(খ) ১৪০ খন ফেৰী কাৰ্য্যক্ষম হৈ আছে।

(গ) মুঠ ৬১৬৪ জন কৰ্মচাৰী আছে।

(ঘ) (১) এখন মজলীয়া জাহাজৰ বিপৰীতে ৯ জন কৰ্মচাৰী আছে।

(২) এখন আৰ, পি, এলৰ „ ১১ „ „ „

(৩) এখন যুৰিয়া নাওঁৰ (কাঠ) „ ৬ „ „ „

(৪) এখন গুটিয়া নাওঁৰ (কাঠ) „ ৪ „ „ „

(৫) এখন গুটিয়া নাওঁৰ (লোহা) „ ৯ „ „ „

(ঙ) এখন ফেৰী গুৰুতৰ ভাবে ক্ষতি কৰিছে।

(চ) প্ৰৱল ঘূৰ্ণী বতাহ।

## বিষয় ঃ স্বাস্থ্য বিভাগত খালী হৈ থকা পদ।

**মোস্তাফা শ্বহীদুল ইছলামে সুধিছে ঃ**

৩৪১। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত স্বাস্থ্য বিভাগত বৰ্তমানলৈকে কিমান Surveillance worker Laboratory Asstt. আৰু Microschopist পদ খালী হৈ আছে? (জিলা ভিত্তিত প্ৰতিটো P.H.C. ৰ বিপৰীতে খালী হৈ থকা পদৰ বিতং তালিকা সদনৰ মেজত দাখিল কৰিব)

(খ) এই পদ সমূহ কেতিয়ালৈ পুৰণ কৰিব?

**শ্ৰী ভবেন বৰুৱা (স্বাস্থ্য আৰু পৰিয়াল কল্যান বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) খালী হৈ থকা পদৰ বিতং তালিকা সদনৰ মেজত দাখিল কৰা হ'ল। (See the Annexure - V)

(খ) উক্ত খালী পদ সমূহ পূৰণৰ ব্যৱস্থা লৈ থকা হৈছে।

## Re. : Pharmacist for private sector establishments.

**Shri Nazibul Umar asked :**

342. Will the Minister of Health be pleased to state :

(a) Whether the Government is aware of shortage of pharmacist both in Government Private Sector establishments in the State?

(b) If so, that are the steps taken by the Government for producing more trained Pharmacist to meet the requirements?

**Shri Bhaben Barua (Minister of State Health & F.W.) replied :**

(a) Govt. is not aware of any shortage of pharmacist in Govt./ private sector establishments.

(b) Does not arise.

## Re. : Revised pay scale.

**Shri Bimolangshu Roy asked :**

343. Will the Minister of Transport be pleased to state :

(a) Will the Government implement the revised pay scale for the workers of A.S.T.C. as per notification of the Government dated 4-7-98 in terms of recommendation of the Assam Pay Commission?

(b) If so, when? if not why?

**Shri Pradip Hazarika (Miniter of Transport) replied :**

(a) & (b)

It is not possible to implement the revised pay scales for the workers of A.S.T.C. at present due to the financial constraints being faced by the corporation.

## Re. : Flood damage report.

**Shri Barnabash Tanti asked :**

344. Will the Minister of P.W.D. be pleased to state :

(a) Whether the Government has sanctioned an amount after receiving flood damage report of P.W.D. (R) Department, if the Government has sanctioned the amounts then how much?

(b) How much amounts allotted to the Behali Constituency for repairing of roads etc.?

**Shri Nagen Sarma (Minister P.W.D.) replied :**

(a) Yes.

Rs. 714.00 lakhs has been allotted during 1998-99.

(b) F.D.R. fund allotted P.W.D. Division-wise and not Constituency-wise.

## Re. : Drinking water facilities.

**Shri Bhimananda Tanti asked :**

345. Will the Minister of P.H.E. be pleased to state :

(a) Whether the Government is aware of the installation of deep tube well for dringking water facilities to the villages at Nagapathar under Rangapara Constituency?

(b) If so, when it will be completed to ensure drinking water facilities to the people?

(c) If not why?

**Shri Utpal Dutta (Minister of Public Health Engineering) replied :**

(a) There is no sanctioned drinking water suply scheme in the village Nagapather. So, installation of D.T. Well does not arise. However, the North part of Nagapather village is already covered by Sessa P.W.S.S. and it is proposed to cover the South part of the village Nagapather by the sanctioned Dhulapadung P.W.S.S. which is under execution. Moreover, 2 Nos. of Ring Wells have already been installed at the village Nagapather.

(b) Dhulapadung P.W.S.S. is expected to complete by 2000 and the villagers will get water supply facilities.

(c) Does not arise.

## Re. : Population growth.

**Shri Pradyut Bordoloi asked :**

346. Will the Minister of Health & Family Welfare be pleased to state:

(a) What is the present rate of population growth in the State?

(b) Does the Government have any perspective plan to bring down the growth rate, if yes, please out line the salient features of the plan?

**Shri Bhaben Barua (Minister of State Health & F.W.) replied :**

(a) The present growth rate of population is 2.17 percent per annum.

(b) The family welfare is a centrally sponsored scheme, funded by the Govt. of India. The State Govt. follows the guidelines issued by the Govt. of India from time to time. However, the following are the salient features of the programme aiming at control of population.

(i) Payment of compensation money for sterilisation.

(ii) Free distribution of oral pills and contraceptives.

(iii) Intensive communication with the targeted group through the system commonly knows as "Information, Education and Communication (I.E.C.).

## Re. : Fund allocation in B.A.C. area under Barpeta P.H.E. Division.

**Shri Binod Gayary asked :**

347. Will the Minister of P.H.E. be pleased to state :

(a) What was the total allocation of fund in B.A.C. area under Barpeta P.H.E. Division for the year 1996-97, 1997-98, and 1998-99?

(b) How much fund had received from B.A.C. in Barpeta P.H.E. Division from June, 1998 to March, 1999 for the purpose of supply of drinking water at B.A.C. area?

(c) Will the Hon'ble Minister furnish details of utilisation of funds against which developmental works the funds had been utilised? (also furnish the name of works with total expenditure of each work with B.A.C. Fund during this period.)

**Shri Utpal Dutta (Minister of Public Health Engineering) replied :**

(a) The allocation of fund against B.A.C. under Barpeta P.H.E. Division during the year 1996-97, 1997-98 and 1998-99 are Rs. 37.46 Lac, Rs. 47.12 Lac and Rs. 47.04 Lac respectively.

(b) An amount of Rs. 17.72 Lakhs was received by Barpeta P.H.E. Division from June, 1998 to March, 1999.

(c) Out of the total amount of Rs. 17.72 lakhs received from

B.A.C., an amount of Rs. 17,39,234.00 was utilised so far, the details of which are enclosed under Annexure-A :- Rs. 12,31,234.00 and Annexure-B :- Rs. 5,08,000.00. (See the Annexure - VI)

**বিষয় ঃ দলঙৰ সংখ্যা।**

**শ্ৰী নিজামুদ্দিন খানে সুধিছে ঃ**

৩৪৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাৰ নগাওঁ আমখোৱা ৰাস্তাত কিমানটা দলং আছে?

(খ) উক্ত ৰাস্তাত কি কি আঁচনিৰ বাবে কিমান টকাকৈ খৰছ কৰা হৈছে? (১৯৯৬-৯৭, ১৯৯৭-৯৮ আৰু ১৯৯৮-৯৯ বছৰ ভিত্তিত জনাব)

(গ) উক্ত ৰাস্তাটো দলংসহ পকী কৰাৰ ব্যৱস্থা কৰিবনে?

(ঘ) যদি কৰে, কিমান দিনৰ ভিতৰত?

**শ্ৰী নগেন শৰ্মা (গড়কাপ্তানী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) মুঠ ৯ (ন) খন দলং আছে।

(খ) তলত দিয়া ধৰণে খৰছ কৰা হৈছে।

(i) ১৯৯৬-৯৭ চনত বান বিধ্বস্ত শিতানত ৪০,০০০.০০ টকা (অস্থায়ী মেৰামতিৰ বাবে)

(ii) ১৯৯৭-৯৮ চনত বান বিধ্বস্ত শিতানত ৩৯,৪০০.০০ টকা (দলং নং ১১/১ মেৰামতিৰ বাবে)

(iii) ১৯৯৮-৯৯ চনত বান বিধ্বস্ত শিতানত ৯৯,০০০.০০ টকা (দলং নং ৩/১ মেৰামতিৰ বাবে আৰু শিল যোগানৰ বাবে)

(গ) আৱশ্যকীয় শিতানত প্ৰয়োজনীয় পুঁজিৰ আৱন্টন পালে পৰ্য্যায়ক্ৰমে কৰিব পৰা যাব।

(ঘ) উক্ত (গ) উত্তৰৰ ভিত্তি এতিয়া সময় নিৰ্দ্ধাৰণ কৰাটো সম্ভৱ নহয়।

## Re. : Water supply schemes.

**Shri Dilip Kumar Saikia asked :**

349. Will the Minister of P.H.E. be pleased to state :

(a) What are the specific schemes of water supply working under P.H.E. Department?

(b) What were the annual expenditure incurred in the above mentioned schemes during last 3 (three) years i.e. on 1996-97, 1997-98 and 1998-99? (Furnish divisionwise and schemewise expenditure incurred in the above schemes under PHE department).

(c) How many total functioning and non-functioning water supply schemes are there in P.H.E. department showing divisionwise?

**Shri Utpal Dutta (Minister, Public Health Engineering) replied :**

(a) The Specific Schemes of water supply working under P.H.E. Deptt. are as follows.

| | | | |
|---|---|---|---|
| (i) Water Supply Scheme | : | 3593 | Nos. |
| (ii) Conventional H.T.W. (M-6) | : | 1,22,937 | Nos. |
| (iii) Indian M-II | : | 17,683 | Nos. |
| (iv) Indian M-III | : | 2,416 | Nos. |
| (v) Tara Pump | : | 6,318 | Nos. |
| (vi) Ring Well | : | 19,553 | Nos. |
| (vii) Others | : | 1,264 | Nos. |

(b) The annual expenditure incurred in the above mentioned scheme during last three years Divisionwise, Schemewise as per available record is enclosed.

(c) There are total functioning Pipe Water Supply Schemes : 2618 Nos.

Total Non-functioning Water Supply Schemes : 422 Nos.

Total functiong Spot Sources : 1,29,024 Nos.

Total non-functioning Spot Sources : 26,360 Nos.

(Division-wise enclosed).

**বিষয় ঃ এফ, ডি, আৰ শিতানৰ টকা।**

**শ্ৰীমতী প্ৰণতি ফুকনে সুধিছে ঃ**

৩৫০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯৭-৯৮ বৰ্ষত F.D.R. শিতানৰ যোগেদি নাহৰকটীয়া সংসদৰ অধীনত কিমান টকা ব্যয় কৰা হ'ল?

(খ) উক্ত টকা সমূহ কোন কোন ৰাস্তাত কিমান ব্যয় কৰা হৈছিল, তালিকাসহ সদনত

দাখিল কৰিবনে?

**শ্ৰী নগেন শৰ্মা (গড়কাপ্তানী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ৩,৯৪,৫৭৬.০০ টকা।

(খ) (i) সুখানি বেলবৰি ৰ'ড্‌ত (১৯৯৬-৯৭ বছৰ) ৩,২৪,৫৭৬.০০ টকা

(ii) জয়া চাঁচনি আলিত (১৯৯৬-৯৭ বছৰ) ৭০,০০০.০০ টকা

মুঠ ৩,৯৪,৫৭৬.০০ টকা

## Re. : P.W.D. Road.

**Dr. Nazrul Islam asked :**

351. Will the Minister of P.W.D. be pleased to state :

(a) Whether Government is aware of the fact that approach of two bridges of Nagaon - Bhuragaon road at Balidunga were washed out in the flood?

(b) If aware then what measures are taken by Government to repair those approaches?

**Shri Nagen Sarma (Minister, P.W.D.) replied :**

(a) Yes.

(b) The approaches of Br. No. 51/1 is proposed to be constructed from financial assistance from NABARD. The bridge gap with approaches of Br. No. 50/1 is proposed to be filled up from M.P.'s local area Development fund.

## বিষয় ঃ গড়কাপ্তানী পথৰ ভঙা অংশ নিৰ্মাণ।

**শ্ৰী কেশৰাম বৰাই সুধিছে ঃ**

৩৫২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) লক্ষীমপুৰ জিলাৰ লালুক সংমণ্ডলৰ অধীনস্থ বিহপুৰীয়া বদতি গড়কাপ্তানী পথৰ ৬/৭ কিলোমিটাৰ বানপানীয়ে ভঙা অংশৰ নিৰ্মাণৰ বাবে আৰু ডিক্ৰং নদীখন পুনৰ পুৰণা সুঁতিৰে পঠাবৰ বাবে কোন শিতানৰ পৰা কিমান টকা ধাৰ্য্য কৰা হৈছে?

(খ) উক্ত অংশ সমূহৰ সমুদায় ধন মঞ্জুৰী হৈছে নে?

**শ্ৰী নগেন শৰ্মা (গড়কাপ্তানী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ১৯৯৮-৯৯ চনৰ বান বিধ্বস্ত শিতানত ১.২৫ কোটি (এক দশমিক দুই পাঁচ) টকা

ধাৰ্য্য কৰা হৈছে।

(খ) সমুদায় ধনৰ মঞ্জৰী এই পৰ্য্যন্ত হোৱা নাই।

**বিষয় ঃ অসম অঞ্চল প্ৰকল্প।**

**শ্ৰী ভৰত চন্দ্ৰ নৰহে সুধিছে ঃ**

৩৫৩। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বহিঃ সাহাৰ্য্য প্ৰকল্পৰ "অসম অঞ্চল প্ৰকল্প IPP IX" ৰ অধীনত কি কি আঁচনি হাতত লোৱা হৈছে?

(খ) উক্ত আঁচনিৰ অধীনত ১৯৯৮-৯৯ বিত্তীয় বছৰত মুঠ কিমান টকা খৰছ হৈছে?

**শ্ৰী ভবেন বৰুৱা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বহিঃ সাহায্য প্ৰকল্প "অসম অঞ্চল প্ৰকল্প IPP IX" ৰ অধীনত মাতৃ আৰু শিশুৰ স্বাস্থ্য ৰক্ষাৰ লগত জড়িত থকা বিভিন্ন ধৰণৰ আঁচনি হাতত লোৱা হৈছে। এই আঁচনি সমূহৰ ভিতৰত প্ৰধানকৈ আছে গৃহ নিৰ্মাণ, প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন, বিভিন্ন স্তৰত প্ৰশিক্ষণ দান, চিকিৎসালয়ত বিভিন্ন সাঁ-সজুলি, আচবাব যোগান আৰু স্বেচ্ছাসেৱী সংগঠনক বিভিন্ন ধৰণৰ সহায় সহযোগ প্ৰদান।

(খ) উক্ত আঁচনিৰ অধীনত ১৯৯৮-৯৯ বিত্তীয় বছৰত মুঠ ২৪.৩৬ কৌটি টকা ব্যয় কৰা হৈছে।

**বিষয় ঃ গড়কাপ্তানী বিভাগত খালী হোৱা পদ।**

**শ্ৰী ৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ**

৩৫৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গড়কাপ্তানী বিভাগত বৰ্তমানে কিমানটা খালী হোৱা পদ আছে, জনাবনে?

(খ) যদি আছে চৰকাৰে উক্ত পদ বিলাকত নিয়োগৰ ব্যৱস্থা কৰিছে নে?

**শ্ৰী নগেন শৰ্মা (গড়কাপ্তানী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ৰাজপত্ৰিত বিষয়াৰ ১৭৯ টা পদ আৰু অ-ৰাজপত্ৰিত ১৬৭ টা পদ খালী হৈ আছে।

(খ) হয়।

(বিঃদ্ৰঃ অ-ৰাজপত্ৰিত খালী পদৰ সংখ্যা বৰ্তমানলৈ পোৱা তথ্যৰ ভিত্তিত যুগুত কৰা হৈছে।)

**Re. : Abolished BRC Divn.**

**Shri Abdul Muqtadir Choudhury asked :**

355. Will the Minister of P.W.D. be pleased to state :

(a) Whether Karimganj BRC Divn. has been abolished and tagged with Nowgong BRC Divn.?

(b) Is it a fact that about 70 (seventy) crores worth of work is pending within Karimganj District and abolition of the said division is causing difficulties?

(c) Whether the Govt. will reconsider setting up the abolished BRC Divn. at Karimganj for speedy execution of work?

**Shri Nagen Sarma (Minister P.W.D.) replied :**

(a) No.

(b) No.

(c) No.

**Re. : World Bank Assistance.**

**Shri Sheikh Abdul Hamid asked :**

356. Will the Minister of P.W.D. be pleased to state :

(a) Criteria for taking Rural Roads for development black topping under World Bank Assistance/Loan.

(b) No. of roads taken upto-date under World Bank Assistance/ Loan (please furnish district-wise figure & names which amount sanctioned & progress made thereof).

(c) Whether Govt. will take-up the life line road for agriculturist namely :

(i) Mandia Rowmari P.W.D. Road and

(ii) Mandia Dogra P.W.D. Road for development and Blacktopping under P.W.D. Roads Barpeta?

**Shri Nagen Sarma (Minister, P.W.D.) replied :**

(a) Rural Roads were selected for development of roads infrastructure in the areas of agricultural production potentiality as decided by the Agriculture Deptt. in 6 (six) Districts of Assam for development and accordingly the roads were approved by the World Bank. Initially, the provision for blacktopping were not included in the World Bank Scheme, but the World Bank subsequently agreed to provide blacktopping in certain selected stretches.

(b) A statement with the information is placed on the floor of the House.

(c) No at present, as these are not approved under World Bank Schemes.

**বিষয় ঃ পশু চিকিৎসা মহাবিদ্যালয়ৰ বাবে NEC ৰ পৰা দিয়া টকা।**

**শ্ৰী মনিৰাম পাথৰিয়ে সুধিছে ঃ**

৩৫৭। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) লক্ষীমপুৰত স্থাপিত পশু চিকিৎসা মহাবিদ্যালয়ৰ বাবে যোৱা ১৯৯৭-৯৮ বিত্তীয় বৰ্ষত NEC ৰ পৰা কিমান টকা দিয়া হৈছিল?

(খ) উক্ত টকাৰ কিমান টকা কি কি কামৰ বাবে খৰছ কৰিবলৈ দিয়া হৈছিল? টকাটো খৰছ কৰা হ'লনে?

(গ) যদি খৰছ কৰা নাই, কিয় নহ'ল?

**শ্ৰী হিৰণ্য কুমাৰ কোঁৱৰ (ৰাজ্যিক পশুপালন ও পশুচিকিৎসা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ১৯৯৭-৯৮ বিত্তীয় বৰ্ষত NEC ৰ পৰা টকা দিয়া নাছিল।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

**বিষয় ঃ গড়কাপ্তানী বিভাগৰ বাবে NEC ৰ পৰা ধাৰ্য্য কৰা টকাৰ পৰিমাণ।**

**শ্ৰী প্ৰফুল্ল গোস্বামীয়ে সুধিছে ঃ**

৩৫৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শোণিতপুৰ জিলাৰ তেজপুৰ সংমণ্ডলৰ গড়কাপ্তানী বিভাগৰ বাবে ১৯৯৭-৯৮ চনত FDR ৰ পৰা কিমান টকা ধাৰ্য্য কৰা হৈছিল?

(খ) উক্ত টকা কোন কোন বিধান সভা সমষ্টিত খৰছ কৰা হ'ল।

(গ) FDR বাবে অহা টকাৰ সিংহ ভাগ গুৱাহাটী চিটিত খৰছ কৰাটো সত্যনে?

(ঘ) যদি সত্য, তেতিয়া হ'লে বান আক্ৰান্ত অঞ্চলৰ ৰাস্তাৰ অৱস্থা কি হ'ব? বৰছলা সমষ্টিৰ বানপানীত ক্ষতিগ্ৰস্ত ৰাস্তাৰ উন্নতিৰ বাবে কিবা ব্যৱস্থা ল'বনে?

**শ্ৰী নগেন শৰ্মা (গড়কাপ্তানী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ১৯৯৭-৯৮ চনত বান বিধস্ত মেৰামতি শিতানৰ টকা সংশ্লিষ্ট উপায়ুক্তৰ জৰিয়তে ধাৰ্য্য কৰা হৈছিল আৰু শোণিতপুৰ জিলাৰ গড়কাপ্তানী বিভাগৰ তেজপুৰ পথ সংমণ্ডলৰ বাবে এই শিতানত ১০.৫০ লাখ টকা ধাৰ্য্য কৰা হৈছিল।

(খ) উক্ত টকা তেজপুৰ সমষ্টি, বৰছলা সমষ্টি, ৰঙাপাৰা সমষ্টি আৰু ঢেকিয়াজুলি সমষ্টিত খৰছ কৰা হৈছে।

(গ) সত্য নহয়।

(ঘ) (i) প্ৰশ্ন নুঠে। (ii) বান বিধ্বস্ত শিতানত আবণ্টিত ধনৰ পৰিমান অনুযায়ী বৰহুলা সমষ্টিৰ বান ক্ষতিগ্ৰস্ত ৰাস্তাৰ উন্নতি / মেৰামতিৰ কাম কৰি থকা হৈছে।

**বিষয় ঃ অবৈধ ভাবে মন্দিৰ নিৰ্মাণ।**

**শ্ৰী ভূপেন্দ্ৰ নাথ ভূঞাঁই সুধিছে ঃ**

৩৫৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জোৰাবাটৰ পৰা ডিব্ৰুগড় পৰ্য্যন্ত ৰাষ্ট্ৰীয় ঘাই পথৰ ওপৰত বিভিন্ন স্থানত অবৈধ ভাবে মন্দিৰ নিৰ্মাণ কৰাৰ বিষয়টোৰ ওপৰত বিভাগীয় কৰ্ত্তৃপক্ষৰ দৃষ্টিগোচৰ হৈছেনে?

(খ) সংশ্লিষ্ট কৰ্ত্তৃপক্ষৰ পৰা এই সৰু সৰু মন্দিৰ নিৰ্মাণ কৰাৰ পূৰ্বে নীতিগত ভাবে অনুমতি লোৱা হৈছিলনে?

(গ) যদি লোৱা হোৱা নাই, তেনে ক্ষেত্ৰত সংশ্লিষ্ট কৰ্ত্তৃপক্ষই কিবা ব্যৱস্থা গ্ৰহণ কৰিবনে?

(ঘ) সৰু সৰু মন্দিৰ নিৰ্মাণৰ সুযোগ লৈ মাটি বেদখল কৰাৰ সম্পৰ্কত তৎকালীন ব্যৱস্থা গড়কাপ্তানী বিভাগে গ্ৰহণ কৰা সম্পৰ্কত কিবা চিন্তা কৰিছে নে? যদি চিন্তা কৰিছে, কেতিয়াৰ পৰা এই বেদখল কাৰ্য্য বন্ধ কৰিব জনাবনে?

**শ্ৰী নগেন শৰ্মা (গড়কাপ্তানী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, হৈছে।

(খ) অনুমতি লোৱা নাই।

(গ) ব্যৱস্থা গ্ৰহণৰ বাবে জিলা প্ৰশাসনৰ লগত যোগাযোগ কৰি থকা হৈছে।

(ঘ) (i) হয়, কৰা হৈছে।

(ii) তৎকালীন এই বেদখল কাৰ্য্য বন্ধ কৰিবলৈ জিলা প্ৰশাসনক অনুৰোধ কৰা হৈছে।

**বিষয় ঃ দুশখন বিচনাযুক্ত চিকিৎসালয়।**

**শ্ৰী হিৰেণ কুমাৰ দাসে সুধিছে ঃ**

৩৬০। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মঙ্গলদৈ অসামৰিক চিকিৎসালয় খন দুশখন বিচনাযুক্ত চিকিৎসালয়লৈ উন্নীত কৰা কথাটো সঁচানে? যদি সঁচা, উক্ত চিকিৎসালয়খন বৰ্তমান কি পৰ্য্যায়ত আছে?

(খ) অসমত বৰ্তমান কিমান সংক্যক প্ৰশিক্ষীত ধাত্ৰী আছে? প্ৰশিক্ষণ সমাপ্ত হোৱা প্ৰশিক্ষাৰ্থী সকলক নিযুক্তি দিয়া হৈছেনে?

(গ) যদি চৰকাৰী ভাবে নিযুক্তি নিশ্চিত কৰিব পৰা নাযায়, তেন্তে ব্যক্তিগত চিকিৎসালয় সমূহত বাধ্যতামূলক ভাবে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব পৰা যায় নেকি?

**শ্ৰী ভবেন বৰুৱা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) মঙলদৈৰ বৰ্তমানৰ অসামৰিক চিকিৎসালয়খন ২০০ খন বিচনাযুক্ত চিকিৎসালয়লৈ উন্নীত কৰা কথাটো সঁচা নহয়। মঙলদৈত বেলেগে এখন ২০০ খন বিচনাযুক্ত চিকিৎসালয়ৰ নিৰ্মাণৰ কাম চিল আছে। নতুনকৈ সাঁজি থকা চিকিৎসালয় খনৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হোৱা নাই।

(খ) অসমত প্ৰায় ১০ হেজাৰ গৰাকী প্ৰশিক্ষীত ধাত্ৰী আছে। ইয়াৰে প্ৰায় ৭৫৫৫ গৰাকী চৰকাৰী চাকৰিত নিয়োজিত হৈ আছে। বাকী সকলৰ সৰহ সংখ্যক ব্যক্তিগত অনুস্থান প্ৰতিস্থান আদিত বিভিন্ন ধৰণে নিয়োজিত হৈ আছে।

(গ) প্ৰশ্ন নুঠে।

## Re. : Employees of BRC.

**Shri Sukhendu Shekhar Dutta asked :**

361. Will the Minister of P.W.D. be pleased to state :

(a) Whether there is a Sub-Divn. of BRC in Karimganj Town?

(b) If yes, how many employees are there (Category-wise)?

(c) Whether they are getting their salaries?

(d) If not, what measure is being taken to regularise their salaries?

**Shri Nagen Sarma (Minister P.W.D.) replied :**

(a) Yes.

(b) Total 113

| | | | |
|---|---|---|---|
| i) | Gazetted | - | 3 Nos. |
| ii) | Non Gazetted | - | 8 Nos. |
| iii) | W/C S.A | - | 24 Nos. |
| iv) | W/C Roller Driver | - | 3 Nos. |
| v) | W/C Tracer | - | 1 No. |
| vi) | W/C Roller Handyman | - | 5 Nos. |
| vii) | W/C Khalasi | - | 11 Nos. |
| viii) | W/C Chowkider | - | 7 Nos. |

ix) Fixed Pay - 2 Nos.
x) Part time
Sweeper - 1 No.
xi) M/R Labourer - 48 Nos.

---

Total - 113 Nos.

(c) Yes, However due to non receipt of fund-payment of salaries of W/C and M/R labourers could not be paid regularly.

(d) Necessary Budget Provision in the Budget has been made for regular payment of the salaries.

**Re. : Tihu-Doomni Road.**

**Shri Jogmohan Basumatary asked :**

362. Will the Minister of P.W.D. (R) be pleased to state :

(a) Is it true that the Govt. has given a proposal to the Sukla Commission for the improvement of Tihu-Doomni Road under Nalbari P.W.D. Road Division?

(b) If yes, what amount has been sanctioned for the same Road?

(c) Whether it tendered or not?

(d) If tendered, when will be stated the works?

**Shri Nagen Sarma (Minister) replied :**

(a) No.

(b), (c) & (d) Does not arise.

**বিষয় ঃ ঘাঁহ উৎপাদন কেন্দ্ৰ আৰু কৰ্মচাৰীৰ সংখ্যা।**

**শ্ৰী জ্যোতিষ দাসে সুধিছে ঃ**

৩৬৩। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা জিলাৰ মৈজাহা ঘাঁহ উৎপাদন কেন্দ্ৰটো বৰ্তমান কি অৱস্থাত আছে?

(খ) কৰ্মচাৰী কিমানজন? তেওঁলোকে নিয়মিত ভাবে দা-দৰমহা পাই আছে নে?

(গ) কি কাৰণত উৎপাদন বন্ধ হৈ আছে বিভাগীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

শ্ৰী হিৰণ্য কুমাৰ কোঁৱৰ (ৰাজ্যিক পশুপালন ও পশু চিকিৎসা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) কেন্দ্ৰটো অচল অৱস্থাত আছে।

(খ) নিয়মীয়া বিষয়া কৰ্মচাৰী ১৩ জন, দিন হাজিৰা কৰ্ম্মী ১ জন।
তেওঁলোকে নিয়মীয়াকৈ দা-দৰমহা পাই আছে।

(গ) পুঁজিৰ অভাৱত কেন্দ্ৰটো কাৰ্য্যক্ষম কৰিব পৰা হোৱা নাই।

**বিষয় ঃ Mini PHE নিৰ্মাণ।**

**শ্ৰী জয়চন্দ্ৰ নাগবংশীয়ে সুধিছে ঃ**

৩৬৪। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিশ্ববেংকৰ ঋণেৰে ডিব্ৰুগড় জিলাৰ Joint Director, Health Service কাৰ্য্যালয়ৰ পৰা লেজাইত এখন Mini PHE নিৰ্মাণৰ আঁচনি প্ৰস্তুত কৰি চৰকাৰৰ কাৰ্য্যকৰণাৰ্থে দাখিল কৰাটো সঁচানে?

(খ) যদি সঁচা, উক্ত আঁচনিৰ ৰূপায়নৰ কাম কেতিয়া আৰম্ভ কৰা হ'ব জনাবনে?

**শ্ৰী ভবেন বৰুৱা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) সঁচা নহয়।

(খ) প্ৰশ্ন নুঠে।

**বিষয় ঃ চুক্তি ৰূপায়ন।**

**শ্ৰী চন্দ্ৰ কান্ত তেৰাঙেয়ে সুধিছে ঃ**

৩৬৫। মাননীয় পাৰ্বত্য অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ১৯৯৫ চনৰ ১ এপ্ৰিল তাৰিখে কাৰ্বি আংলং আৰু উত্তৰ কাছাৰত সংগ্ৰামৰত থকা সংগঠন সমূহৰ লগত চৰকাৰে যি বুজাবুজি চুক্তি (MoU) হৈছিল এতিয়ালৈকে কিমানটা চুক্তিৰ দফা সমূহ ৰূপায়ন হৈছে আৰু কিমান বাকী থাকিল?

(খ) উক্ত চুক্তিৰ অপ্ৰাসংগিকতাৰ ফলত এ,এছ,ডি,ছি, কে,এছ, এ আৰু ডি,এছ,ইউৰ নেতৃত্বত সংবিধানৰ ২৪৪ (ক) আধাৰত পুনৰ সংগ্ৰাম অব্যাহত ৰখাৰ বিষয়ে চৰকাৰ অৱগতনে?

**শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী (পাৰ্বত্য অঞ্চল উন্নয়ন মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) যোৱা ১ এপ্ৰিল, ১৯৯৫ তাৰিখে স্বাক্ষৰিত হোৱা বুজাবুজি চুক্তি (MoU)ৰ সৰ্বমুঠ ১১ (এঘাৰ) টা দফাৰ ভিতৰত ৯ (ন) টা দফা ইতিমধ্যে ৰূপায়ন কৰা হৈছে আৰু দুটা দফাৰ সম্পূৰ্ণ ৰূপায়ন আংশিক ভাবে বাকী আছে।

(খ) উক্ত বুজাবুজি চুক্তি খনক আমি অপ্ৰাসঙ্গিক বুলি অভিহিত কৰিব নোখোজো। চুক্তি স্বাক্ষৰকাৰী কোনো সংগঠনে উক্ত চুক্তি অপ্ৰাসঙ্গিক বুলি চৰকাৰক অৱগত কৰা নাই।

**বিষয় ঃ Metron আৰু ধাত্ৰীৰ সংখ্যা।**

**ডাঃ কল্যাণ কুমাৰ গগৈয়ে সুধিছে ঃ**

৩৬৬। (ক) ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ত Metron আৰু ধাত্ৰীৰ সংখ্যা কিমান?

(খ) IMC ধাৰামতে Metron আৰু ধাত্ৰীৰ সংখ্যা উপযুক্ত হিচাবে আছেনে?

(গ) যদি নাই, কিয় নতুনকৈ Metron আৰু ধাত্ৰী লোৱা হোৱা নাই?

(ঘ) Metron ৰ সংখ্যা কম হোৱা বাবেই ধাত্ৰীসকলে কাম-কাজ সুচাৰুপে পৰিচালনা কৰাত অসুবিধাৰ সৃষ্টি হোৱাৰ বিষয়ে চৰকাৰ অৱগতনে?

**শ্ৰী ভবেন বৰুৱা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ত মেট্ৰনৰ সংখ্যা ৩ (তিনি) গৰাকী। ধাত্ৰী (GNM)ৰ সংখ্যা ১৯৭ গৰাকী আৰু ধাত্ৰী (ANM)ৰ সংখ্যা ৭ (সাত) গৰাকী।

(খ) ধাত্ৰীৰ সংখ্যা বিধি অনুসৰি থকা প্ৰয়োজনতকৈ কম আছে।

(গ) পদ সৃষ্টি কৰিব পৰা হোৱা নাই।

(ঘ) চৰকাৰ অৱগত নহয়।

**বিষয় ঃ এন, ই, চিৰ জৰিয়তে পথ নিৰ্মাণ।**

**শ্ৰীমতী ৰূপম কুৰ্মীয়ে সুধিছে ঃ**

৩৬৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মৰিয়ণী সমষ্টিৰ অন্তৰ্গত ধোদৰ আলিটো ন-কছাৰী চিকিৎসালয়ৰ পৰা আমগুৰি সমষ্টিৰ জাঁজী নদীলৈকে ৪ কিলোমিটাৰ পথ একেবাৰে জৰাজীৰ্ণ হৈ পৰিছে চৰকাৰ অৱগতনে? চলিত বিত্তীয় বৰ্ষতে NEC ৰ জৰিয়তে এই পথছোৱা নিৰ্মাণৰ ব্যৱস্থা কৰিবনে?

(খ) টীয়ক নামচেচু, চেলেংহাট বেছাহাবি পথটো ভাগিছিগি ব্যৱহাৰৰ অনুপযোগী হৈ পৰিছে সঁচানে? এই পথ নিৰ্মাণৰ ব্যৱস্থা কৰিছে নে?

(গ) শিলিখাৰ পৰা বাহনী চাৰিআলিলৈকে পথছোৱা নিৰ্মাণৰ ব্যৱস্থা কৰিবনে?

(ঘ) ন-কছাৰী ডাক বাংলোৰ পৰা তিৰো হিলছলৈকে পথছোৱা Topping কৰাৰ ব্যৱস্থা কৰিবনে? যদি কৰে কেতিয়া কৰিব?

শ্ৰী নগনে শৰ্মা (গড়কাপ্তানী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত। এই সংক্ৰান্তত NEC ৰ লগত যোগাযোগ কৰি ব্যৱস্থা লোৱা হ'ব।

(খ) হয়, সঁচা। প্ৰয়োজনীয় পুঁজিৰ আৱন্টন পালে নিৰ্মাণৰ কাম হাতত লোৱা হ'ব।

(গ) হয়, প্ৰয়োজনীয় পুঁজিৰ আৱন্টন পালে নিৰ্মাণৰ কাম হাতত লোৱা হ'ব।

(ঘ) প্ৰয়োজনীয় পুঁজিৰ আৱন্টন পালেই Black topping ৰ কাম হাতত লোৱা হ'ব।

## Re. : Upgradation of PHC etc.

**Smti. Pramila Rani Brahma asked :**

368. Will the Minister of Health & F.W. be pleased to state :

(a) Under the Assam Area Project (IPP-IX) how many existing S.D.s have been upgraded to PHC, how many PHC/CHCs have been renovated in Kokrajhar district and in Assam as a whole?

(b) How many posts for Doctors and Staff Nurses are existing under Kokrajhar RNB Civil Hospitals and how many Doctors and Nurses are working against these posts?

**Shri Bhaben Barua (Minister of State Health & F.W.) replied :**

(a) Under Assam Area Project (IPP-IX) a total No. of 71 (Seventy one) State Dispensaries have been upgraded to PHCs. Out of the these two are located in Kokrajhar District upgradation of PHC/CHCs as F.R.U. is yet to be taken up. A total no. of 12 (twelve) PHC/CHCs have been repaired/ renovated. None of these twelve are located in Kokrajhar District.

(b) The R.N.B Civil Hospital, Kokrajhar was a sanctioned strength of 22 Doctors and 45 nurses. As against these 14 (fourteen) doctors and 42 (forty two) nurses are in position.

## বিষয় ঃ আই, চি, ডি, এছ আঁচনি।

শ্ৰী আব্দুৰ ৰৌফে সুধিছে ঃ

৩৬৯। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা, জিলাৰ ৰূপসী উন্নয়ন খণ্ডত ICDS আঁচনি গ্ৰহণ কৰি ১৯৯৮ ইং চনত অফিচ খুলি কৰ্মচাৰী নিযুক্তি দিয়া কথাটো সঁচানে?

(খ) যদি সঁচা হয় তেনেহলে সেই অফিচৰ জৰিয়তে কি কি শিশু উন্নয়নমুলক কাম কাজ কৰা হৈছে?

(গ) বৰ্তমান ৰূপসী উন্নয়ন খণ্ডত কেইটা কেন্দ্ৰৰ দ্বাৰা কাম পৰিচালনা কৰা হৈ আছে?

**শ্ৰীমতী ৰেখাৰাণী দাস বড়ো (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) সঁচা।

(খ) আঁচনিৰ কাম হাতত লোৱা হৈছিল যদিও পৰবৰ্ত্তী বৰ্ষ (১৯৯৮-৯৯) অনুমোদন নোপোৱাৰ বাবে আগবঢ়োৱা নহ'ল।

(গ) প্ৰশ্ন নুঠে।

## বিষয় ঃ চিকিৎসক, নাৰ্চ, কৰ্মচাৰীৰ সংখ্যা।

**শ্ৰী ওৱাজেদ আলী চৌধুৰীয়ে সুধিছে ঃ**

৩৭০। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দক্ষিণ শালমৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত কিমান জন চিকিৎসক, নাৰ্চ আৰু কৰ্মী মকৰল কৰা হৈছে আৰু বৰ্তমান তেওঁলোক উক্ত স্বাস্থ্য কেন্দ্ৰত কাম কৰি আছে নে? যদি নাই, তেওঁলোকক কোন কোন ঠাইত সংলগ্ন কৰি ৰখা হৈছে?

(খ) বীৰসিং জৰুৱা উন্নয়ন খণ্ডৰ অধীনত জৰুৱা বঙ্কিহাল নামৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ ঘৰ নিৰ্মাণ কৰা হৈ আছে চৰকাৰ অৱগতনে? যদি অৱগত উক্ত স্বাস্থ্য কেন্দ্ৰত চিকিৎসক, নাৰ্চ আৰু কৰ্মাচাৰীৰ ব্যৱস্থা কৰা হৈছে নেকি, যদি হোৱা নাই কেতিয়া কৰিব?

**শ্ৰী ভবেন বৰুৱা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) দক্ষিণ শালমাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ৬ জন চিকিৎসক, ৩ গৰাকী নাৰ্চ, এগৰাকী ধাত্ৰী এজন ফাৰ্মাচিষ্ট, এজন ড্ৰেচাৰ, এজন নেত্ৰ সহায়ক, এজন কনিষ্ঠ প্ৰয়োগশালা সহায়ক এজন ড্ৰাইভাৰ আৰু ৪ জন চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী মকৰ'ল কৰা হৈছে। উক্ত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ গৃহ গৰাখহনীয়াই উটুৱাই নিয়াৰ পিছত এই বিষয়া কৰ্মচাৰী সকলৰ এজনক গুৱাহাটীত আৰু বাকী সকলক ধুবুৰী জিলাৰ অন্যান্য চিকিৎসালয়ত সংলগ্ন কৰি ৰখা হৈছে।

(খ) হয়, অৱগত। বৰ্তমানলৈকে উক্ত স্বাস্থ্য কেন্দ্ৰৰ বাবে ডাক্তৰ, নাৰ্চ আৰু অন্যান্য কৰ্মচাৰীৰ পদ সমূহৰ সৃষ্টি কৰা হোৱা নাই। পদ সমূহ সৃষ্টি কৰিবলৈ সময়মতে ব্যৱস্থা লোৱা হ'ব।

## Re. : Medical treatment bills.

**Shri Sambhusing Mallah asked :**

371. Will the Minister of Health & Family Welfare be pleased to state :

(a) Whether it is a fact that the medical treatment bills in respect of Ministers/MLAs/IAS & ACS Officers/ State Government employees are scrutinised as per list of admissible and inadmissible items of medical treatment bills prescribed in the year 1968?

(b) Whether it is fact that a revised list of admissible and inadmissible items of medical treatment bills have been prepared by the health & Family Welfare Department and concurrance of Finance Departments has also been obtained during the year 1997-98?

(c) If it is so, then why the same list has not been brought into force till date to supersede the old list?

**Shri Bhaben Baruah (Minister of State Health & F.W.) replied :**

(a) It is not a fact that medical treatment bills are scrutinised only as per a list prepared in the year 1968. It is scrutinised on the basis of essentiality of the medicine in relation to the disease.

(b) It is a fact that Deptt. have been taking steps to prepare a comprehensive list of admissible / inadmissible medicines to make scrutinisation of the bills easy at all levels. The matter is still undre process.

(c) As stated at 'b' above.

## বিষয় ঃ গেলাবিল নদীৰ ওপৰত পকী দলং।

**শ্ৰীমতী সুশীলা হাজৰিকাই সুধিছে ঃ**

৩৭২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দেৰগাওঁ সমষ্টিৰ অন্তৰ্গত পণ্ডিত হেমচন্দ্ৰ গোস্বামী পথৰ গেলাবিল নদীৰ ওপৰত ১৯৮৯ চনত আৰম্ভ কৰা পকী দলং খনৰ নিৰ্মাণৰ বাবে কিমান টকা ধাৰ্য্য কৰা হৈছিল?

(খ) দলং খনৰ নিৰ্মাণৰ নামত বৰ্তমান সময়লৈকে কিমান টকা খৰচ কৰা হ'ল?

(গ) দলং খনৰ পুনঃ নিৰ্মাণৰ কাম এই বিত্তীয় বৰ্ষতে আৰম্ভ কৰা হ'ব নে?

শ্ৰী নগেন শৰ্মা (গড়কাপ্তানী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) পণ্ডিত হেমচন্দ্ৰ গোস্বামী পথৰ গেলাবিল নৈৰ ওপৰত ১৯৮৯ চনত আৰম্ভ কৰা পকী দলংৰ নিৰ্মাণৰ বাবে মুঠ ১,৮১,৩০,০০০.০০ (এক কৌটি, একাশী লাখ, ত্ৰিশ হাজাৰ) টকাৰ প্ৰাক্কলন অনুমোদন কৰা হৈছিল।

(খ) উপৰোক্ত কামৰ বাবে আজি পৰ্য্যন্ত মুঠ ৪২,৪৬,২৩৫.০০ টকা (বিয়াল্লিশ লাখ চয়চল্লিশ হাজাৰ, দুশ পয়ত্ৰিশ) খৰচ কৰা হৈছে।

(গ) উক্ত দলং নিৰ্মাণৰ কাম এই বিত্তীয় বছৰৰ ভিতৰতে পুনৰ আৰম্ভ কৰিবৰ বাবে চেষ্টা চলাই থকা হৈছে।

## Re. : Construction of Bridge.

**Shri Derhagra Mochahary asked :**

373. Will the Minister of P.W.D. be pleased to state :

(a) When Balti Bridge near Nagrijuli (on Balti River) was constructed?

(b) What was the amont allotted to construct or repairing of the said bridge?

(c) Whether departmenttal Engineer has inspected how the bridge was constructed or repaired?

**Shri Nagen Sarma (Minister P.W.D.) replied :**

(a) In the year 1976.

(b) i. for Construction of the original S.P.T. Bridge, Rs. 8.47 Lakhs.

ii. For Repairs Rs. 5.00 Lakhs (under F.D.R. 1996-97)

(c) Yes.

## Re. : Shibtilla PHC.

**Shri Kali Ranjan Deb asked :**

374. Will the Minister of Health & Family Welfare be pleased to state :

(a) Whether functioning of Shibtilla PHC has been started?

(b) If yes, since when?

(c) If not, the reasons thereof?

**Shri Bhaben Baruah (Minister of State Health & F.W.) replied :**

(a) The building etc. for Shibtilla PHC are yet to be handed over to Health & F.W. Deptt. by PWD and necessary posts

for the PHC have not been created as yet.

(b) Does not arise.

(c) Does not arise.

**Re. : 30 Bedded Hospitals.**

**Shri Dileswar Tanti asked :**

375. Will the Minister of P.W.D. be pleased to state :

(a) Whether the Govt. is aware about the fate of the uncompleted two thirty Bedded hospitals in Doom Dooma Constituency in Tinsukia District?

(b) When the building of these two hospitals will be completed?

**Shri Nagen Sarma (Minister P.W.D.) replied :**

(a) Only one 30 bedded Hospital is under Construction at Doom Dooma.

(b) 30 bedded Hospital at Doom Dooma is expected to be completed during this financial year if fund position is improved and revised estimate is sanctioned.

**বিষয় ঃ চিকিৎসালয়ৰ দুৰৱস্থা।**

**শ্ৰী পদ্ম হাজৰিকাই সুধিছে ঃ**

৩৭৬। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শোণিতপুৰ জিলাৰ চতিয়া সমষ্টিৰ অন্তৰ্গত চাৰিদুৱাৰ ৩০ খন বিছনাযুক্ত চিকিৎসালয়ৰ দুৰৱস্থাৰ বিষয় চৰকাৰ জ্ঞাতনে?

(খ) যদি জ্ঞাত এই দুৰৱস্থা দূৰীকৰণৰ ব্যৱস্থা কৰিবনে?

**শ্ৰী ভবেন বৰুৱা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) শোণিতপুৰ জিলাৰ চাৰিদুৱাৰ ৩০ খন বিচনাযুক্ত চিকিৎসালয় খনৰ উন্নীতকৰণৰ প্ৰয়োজন থকাৰ বিষয়ে চৰকাৰ অৱগত।

(খ) পুঁজি সাপেক্ষে ব্যৱস্থা লোৱা হ'ব।

**বিষয় ঃ পৰিবহন আস্থানৰ উন্নতি।**

**শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

৩৭৭। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাওঁ পৰিবহন নিগমৰ কাৰ্য্যালয়ত স্থানীয় বিধায়ক আৰু বিশিষ্ট নাগৰিকৰ

উপস্থিতিত পৰিবহন নিগমৰ পৰিচালন সঞ্চালকৰ উক্ত আস্থানৰ উন্নতিৰ বাবে এক আলোচনা হোৱাটো সত্যনে?

(খ) যদিহে আলোচনা হৈছিল, আলোচনাৰ বিষয়-বস্তু কি আছিল?

(গ) অতিৰিক্ত গাড়ী (মেৰামতিৰ দ্বাৰা) দিয়াৰ বিষয়ে সিদ্ধান্ত হৈছিল নেকি?

(ঘ) বৰ্তমান নগাওঁৰ আস্থানত কিমান খন গাড়ী আছে?

(ঙ) ইয়াৰে কাৰ্য্যক্ষম গাড়ীৰ সংখ্যা কিমান?

**শ্ৰী প্ৰদীপ হাজৰিকা (পৰিবহন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) সত্য।

(খ) নিগমৰ গাড়ী মেৰামতিৰ ওপৰত আলোচনা হৈছিল।

(গ) হয়, হৈছিল।

(ঘ) ২৭ খন গাড়ী আছে।

(ঙ) কাৰ্য্যক্ষম গাড়ীৰ সংখ্যা ১৩ খন।

## Re. : Number of heavy vehicles.

**Shri Nazibul Umar asked :**

378. Will the Minister of Transport be pleased to state :

(a) Whether the Govt. is aware of the number of heavy vehicles passing through our State daily?

(b) What are specific census measures adopted to know the actual position of such movements?

**Shri Pradip Hazarika (Minister Transport) replied :**

(a) The following Nos. of vehicles are passing through our State on an average as per records of the M.V. check-gates.

| | Incoming | | Outgoing |
|---|---|---|---|
| 1) Shrirampur - | 556 | - | 600 |
| 2) Boxirhat - | 383 | - | 256 |

(b) The following M.V. Checkgates have been opened as a measure of checking the movement of vehicles through the State.

1) Shrirampur M.V. Check-gate - Kokrajhar District.

2) Boxirhat M.V. Check-gate - Dhubri District.

| | | | | |
|---|---|---|---|---|
| 3) Solmari | ,, | ,, | - | Goalpara District. |
| 4) Khanapara | ,, | ,, | - | Kamrup District. |
| 5) Juria | ,, | ,, | - | Golaghat District. |
| 6) Gamrah | ,, | ,, | - | Cachar District. |
| 7) Dhalai | ,, | ,, | - | - do - |

## Re. : Payment of salaries.

**Shri Bimolangshu Roy asked :**

379. Will the Minister of Health & Family Welfare be pleased to state:

(a) Is it a fact that for non-payment of salaries to the employees in the Health Department in Barak Valley the employees resorted to hunger strike on 12.3.99 in Karimganj Silchar and other areas?

(b) What is the reason for non-payment of salaries to the staff under planned and non-planned Sector for so many months?

(c) Has the Government taken any steps for timely payment of employees salaries working in Health Department?

(d) If so, what steps? If not why?

**Shri Bhaben Barua (Minister of State Health & F.W.) replied :**

(a) Yes, only a section of the employees of Health Deptt. joined in hunger strike.

(b) Non payment of salary in time was due to temporary short fall in the budget provision due to payment salary including arrear in revised pay scale.

(c) Yes.

(d) Department took steps for additional fund by way of supplementary demand etc.

## Re. : Health Assistant training centre.

**Shri Barnabash Tanti asked :**

380. Will the Minister of Health & Family Welfare be pleased to state:

(a) Why the Health Assistant Traning Centre is close down?

(b) Whether Health Assistant Traing Centre will reopen now?

**Shri Bhaben Barua (Minister of State Health & F.W.) replied :**

(a) The Health & F.W. Deptt. does not have any training centre

by the name of "Health Assistant Training Centre"

(b) Does not arise.

## Re. : Repairing and renovation works for PHC.

**Shri Bhimananda Tanti asked :**

381. Will the Minister of Health & Family Welfare be pleased to state:

(a) Whether the Govt. has sanctioned the amount for Rangapara and Balipara PHC for repairing and renovation works as per plan estimated prepared by the Department?

(b) If so, when the works will start and when it will be completed?

**Shri Bhaben Baruah (Minister of State Health & F.W.) replied :**

(a) The Health & F.W. Department has not sanctioned any amount for repairing and renovation works for Rangapara and Balipara PHC.

(b) Does not arise.

## বিষয় ঃ নিৰ্দ্ধাৰিত কামত খৰচ কৰা টকা।

**শ্ৰী নিজামুদ্দিন খানে সুধিছে ঃ**

৩৮২। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯৭-৯৮ আৰু ১৯৯৮-৯৯ বিত্তীয় বৰ্ষত বৰপেটা সংমণ্ডলত বি,এ,চিৰ কিমান টকা মোকলাই দিয়া হৈছে?

(খ) সেই ধন AOP ত নিৰ্দ্ধাৰিত কামত খৰচ কৰা হৈছেনে?

(গ) ধন খৰচ কৰাৰ বিতং তালিকা Voucher সহ দাখিল কৰিবনে?

(ঘ) যদি বেলেগ কামত খৰচ কৰিছে, তদন্তমৰ্মে দোষী বিষয়াৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবনে?

**শ্ৰী উৎপল দত্ত (মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ১৯৯৭-৯৮ বিত্তীয় বৰ্ষত বৰপেটা সংমণ্ডলত বি,এ,চিৰ কোনো টকা মোকলাই দিয়া নাই। ১৯৯৮-৯৯ বিত্তীয় বৰ্ষত দুটা কিস্তিত ১২.৬৪ লাখ আৰু ৫.০৮ লাখ মুঠ ১৭.৭২ লাখ টকা বি,এ,চিৰ পৰা মোকলাই দিয়া হৈছে।

(খ) সেই ধন AOP ত নিৰ্দ্ধাৰিত কামত খৰছ কৰা হৈছে।

(গ) ধন খৰছৰ বিতং তালিকা সংলগ্ন কৰি দিয়া হ'ল। (See the Annexure - VIII (a) and (b))

(ঘ) প্ৰশ্ন নুঠে।

**বিষয় ঃ খোৱাপানী যোগান।**

**শ্ৰী হেমেন দাসে সুধিছে ঃ**

৩৮৩। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯৮-৯৯ চনত বড়োলেণ্ড অটোনমাচ কাউন্সিল আৰু মিচিং অটোনমাচ কাউন্সিলক গাওঁ অঞ্চলত খোৱা পানী যোগানৰ বাবে কিমান টকা দিয়া হৈছে?

(খ) এই টকাৰে উক্ত অঞ্চল সমূহত কিমানটা পৰিয়ালক খোৱা পানী যোগান ধৰা হৈছে?

(গ) চৰকাৰে মোকলাই দিয়া টকা কিদৰে খৰছ কৰা হৈছে?

**শ্ৰী উৎপল দত্ত (মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ১৯৯৮-৯৯ চনত গাওঁ অঞ্চলত খোৱা পানীৰ যোগানৰ বাবে বড়োলেণ্ড অটোনমাচ কাউন্সিলক মুঠ ১৮৫.০০ লাখ টকা আৰু মিচিং অটোনমাচ কাউন্সিলক মুঠ ৮৪.৪৯ লাখ টকা মোকলাই দিয়া হৈছে।

(খ) BAC আৰু MAC এ বিভাগক মুকলি কৰি দিয়া টকাৰে BAC এলেকাত ২৮৮৯ টা পৰিয়াল আৰু MAC এলেকাত ১৫৩১ টা পৰিয়ালক পানী যোগান ধৰা হৈছে।

(গ) উক্ত মুকলি কৰি দিয়া টকাৰে নলীনাদ আৰু পকীকুঁৱা বহুৱা কাম, পানী যোগান আঁচনি আৰু নলীনাদৰ ৰক্ষণা বেক্ষনত খৰছ কৰা হৈছে।

**বিষয় ঃ ভঙা কাঠৰ দলং।**

**শ্ৰীমতী প্ৰণতি ফুকনে সুধিছে ঃ**

৩৮৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া সমষ্টিৰ অন্তৰ্গত গড়কাপ্তানী বিভাগৰ কিমান খন ভঙা কাঠৰ দলং আছে?

(খ) এই দলং সমূহ পুনৰ নিৰ্মাণ বা মেৰামতি কৰিবৰ বাবে চৰকাৰে ব্যৱস্থা হাতত লৈছেনে?

(গ) যদি লৈছে কেতিয়া সম্পূৰ্ণ কৰা হ'ব?

**শ্ৰী নগেন শৰ্মা (গড়কাপ্তানী মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ৮ (আঠ) খন।

(খ) হয়। লোৱা হৈছে।

(গ) প্ৰয়োজনীয় ধনৰ আৱন্টন পালে নিৰ্মাণ / মেৰামতি কাৰ্য্য সম্পূৰ্ণ কৰিব পৰা যাব।

**বিষয় ঃ MSD ৰ পৰা ঔষধ ক্ৰয়।**

**ডাঃ নজৰুল ইছ্লামে সুধিছে ঃ**

৩৮৫। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯৬-৯৭, ১৯৯৭-৯৮ আৰু ১৯৯৮-৯৯ চনত MSD ৰ পৰা কিমান টকাৰ ঔষধ ক্ৰয় কৰা হৈছে?

(খ) উক্ত টকা কোন শিতানৰ পৰা আদায় দিয়া হৈছে?

**শ্ৰী ভবেন বৰুৱা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) উক্ত তিনি বছৰত ঔষধ ক্ৰয় কৰাৰ মূল্যৰ বিপৰীতে তলত দিয়া ধৰণে ধন ৰাজ্য চৰকাৰৰ কোষৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ কোষত জমা দিয়া হৈছে ঃ

| | | |
|---|---|---|
| ১৯৯৬-৯৭ | — | ৫৪.৬২ কৌটি টকা |
| ১৯৯৭-৯৮ | — | ২২.৬২ কৌটি টকা |
| ১৯৯৮-৯৯ | — | ১৯.৪২ কৌটি টকা |

ইয়াৰ ১৯৯৮-৯৯ বৰ্ষৰ সম্পূৰ্ণ টকা স্থানান্তৰ কৰা হোৱা নাই।

(খ) ১৯৯৬-৯৭ আৰু ১৯৯৭-৯৮ চনত মহাগাননিকে ৰাজ্য চৰকাৰৰ হিচাপৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ হিচাপলৈ ধন স্থানান্তৰিত কৰিছে। ১৯৯৮-৯৯ চনত বিত্ত বিভাগে ঔষধ ক্ৰয়ৰ বাবে নিৰ্দ্ধাৰণ কৰি দিয়া ধনৰ ভিতৰতে ধন স্থানান্তৰিত কৰা হৈছে।

**Mr. Speaker :** I have received a slip from the Hon. Minister, Education to allow him to speak on the ongoing Teachers' strike today as assured in the House yesterday by him.

Rule 144(2) of our Rules prohibits taking up no other business before 8.30 P.M. while the Voting on Demands for Grants are taken up except the asking and answering the questions.

However, the matter of agitation by teachers is very important and is urgent also and in consideration of the demand of almost all the Hon. Members of the House, I, in exercise of my residuary powers allow the Hon. Minister to make a statement after Question Hour. Hon. Minister Education to speak.

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী শিক্ষা বিভাগ)** ঃ মই যোৱা ৪ তাৰিখ সদনত এটা কথা প্ৰতিশ্ৰুতি দিছিলো। শিক্ষক সকলে অসহযোগ আন্দোলন চলাই আছে, ক্লাছ হোৱা নাই আৰু মেট্ৰিক পৰীক্ষাৰ বহীও চোৱা নাই। এই পৰিপ্ৰেক্ষিতত ৬ তাৰিখে এটা আলোচনা হ'ব। আলোচনা হোৱা পিচত সদনত জনাব পাৰিম বুলি প্ৰতিশ্ৰুতি দিছিলো। সেই সুযোগত যোৱাকালি আলোচনা হৈছিল সকলোবোৰ বিষয়ত প্ৰায় একমত হৈছিলো। কিন্তু কেইটামান বিষয়তহে একমত হ'ব নোৱাৰিলো ফলত এইবাৰ আন্দোলন উঠাই লোৱাৰ কাৰণে জনাব পৰা হৈছিল যদিও ফলৱতী নহ'ল। সন্ধিয়া আজি ৮-৩০ বজাত মাতিছে আৰু যোগাযোগ কৰি ৮-৩০ ৰ পৰা পিচত সম্পূৰ্ণ তথ্য জনাব পাৰিম। বিষয়টো পেপাৰত ওলাইছে আৰু আলোচনাও কৰা হৈছে। বিশেষকৈ ৪ জনমান কেবিনেট পৰ্য্যায়ৰ মন্ত্ৰীৰ প্ৰচেষ্টাত যিকোনো প্ৰক্ৰিয়াৰে এইটো সমাধান কৰিবলৈ প্ৰচেষ্টা চলাই আছো। সেইমতে হাউচত বক্তব্য দাঙি ধৰিম।

**মাননীয় অধ্যক্ষ** ঃ এই বিষয়টো লৈ জনসাধাৰণ উদ্বিগ্ন হৈ আছে। বাতৰি কাকতৰ যোগেদি বা অন্যান্য ৰাজনৈতিক ক্ষেত্ৰত নে শিক্ষকৰ দৰ্মহাৰ কাৰণে এই আন্দোলনটো সীমাবদ্ধ আছে যাৰ কাৰণে এই আন্দোলনটোৱে মুৰ দাঙি উঠিছে। এতিয়া মুল কাৰণটো কওক। কেৱল দৰ্মহাৰ কাৰণে হৈ আছে নে অন্য কাৰণত হৈছে?

* **শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী শিক্ষা বিভাগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেওঁলোকৰ দাবী হৈছে ১২ দফীয়া দাবী। বিশেষকৈ তেওঁলোকৰ দৰ্মহাৰ উপৰিও ১নং, ২নং আদি দাবী আছিল যদিও যোৱা কালি তেওঁলোকে বেছিকৈ ৩নং দাবীটো ... চৰকাৰৰ ফালৰ পৰা প্ৰতিশ্ৰুতি দিয়া হৈছিল ১৯৯৯-২০০০ চনৰ ভিতৰত কিছু স্কুল চৰকাৰী কৰণ কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়া আছিল। ১৯৯২-৯৩ চনৰ পৰা যিবিলাক এল, পি, এম, ই আৰু হাইস্কুল লোৱা হ'ব কোনটো তাৰিখৰ পৰা লোৱা হ'ব সেই তাৰিখটোৰ ওপৰত বেছি প্ৰাধান্য দিছে। নন-প্লেনত শতকৰা ১০০ ভাগ ৰিলিজ কৰি দিয়া আছে আৰু প্লেনত শতকৰা ৯০ কিছুমানত শতকৰা ৭০ আৰু কিছুমানত শতকৰা ৮০ দিয়া হৈছে। কেৱল দৰ্মহাৰ কাৰণে আন্দোলন হোৱা নাই। যি সকলক এপইন্টমেন্ট দিয়া হৈছে - তেওঁলোকৰ চাৰ্ভিচটো ৰেগুলাৰ হোৱা নাই। যোৱাকালি ১নং ... এই কাৰণটো নাইকীয়া কৰিবৰ কাৰণে আজি মাতিছো। আলোচনাৰ কাৰণে মতা হৈছে।

**মাননীয় অধ্যক্ষ** ঃ ... যিহেতুকে আজি আলোচনা হ'ব। গতিকে বাট চোৱা উচিত।

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি সন্ধিয়া ৮-৩০ বজাত যিটো আলোচনা হ'ব, পেপাৰত দিয়াৰ আগতে হাউচত আগতিয়াকৈ জনাব লাগে।

**মাননীয় অধ্যক্ষ** ঃ Just now Hon'ble Minister made a statement. Now I am taking up Grant No. 37.

* **ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এটা .... আছে। যেতিয়া আৰজেন্ট মেটাৰ এটা আলোচনা চলি থাকে সেই মেটাৰটো প্ৰথমে হাউচত জনাব লাগে তাৰ পিচতহে পেপাৰত দিব লাগে। মই মাননীয় মন্ত্ৰী মহোদয়ক এটা কথা সুধিব খুজিছো, তেওঁলোকে প্ৰেছ্ কনফাৰেন্স কৰিছে নে নাই?

**মাননীয় অধ্যক্ষ** ঃ এই বিষয়ে এটা পৰামৰ্শ দিয়া হৈছে পৰবৰ্ত্তী আলোচনা সফল হ'ব বুলি আশা ৰাখিছো। এইতয়া গ্ৰেন্ট নং ৩৭ I hope Hon'ble Minister sticks to the rules. Now Grant No. 37 and for your Party (Congress) time is allotted 20 minutes. Mr. Ardhendu Kr. Dey will speak.

## VOTING ON DEMANDS FOR GRANTS

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ্** ঃ মাননীয় সভাপতি মহোদয়, মোৰ হৈ ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ডাঙৰীয়াই ক'ব।

* **ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, খাদ্য আৰু যোগান বিভাগৰ ওপৰত যিটো আলোচনা হ'ব তাত ... একো নাই। মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই মোৰ বক্তব্য আৰম্ভ কৰাৰ লগে লগে মোৰ বক্তব্য নুশুনি মাননীয় সদস্য সকলে এজন এজনকৈ ওলাই গৈছে।

**মাননীয় অধ্যক্ষ** ঃ শুনাৰ ব্যৱস্থা আছে। য'তে বহিব তাৰ পৰাই শুনাৰ ব্যৱস্থা আছে।

(ডাঃ দেৱ কান্ত ৰামচিয়াৰী – মাননীয় সদস্য গৰাকীয়ে মাননীয় অধ্যক্ষ মহোদয়ৰ আসন গ্ৰহণ কৰে।)

* **ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে** ঃ মাননীয় সভাপতি মহোদয়, ফুড এণ্ড চিভিল চাপ্লাই বিভাগটো সাধাৰণতে দুৰ্নীতিগ্ৰস্ত বিভাগ। এই বিভাগটোত ৩ টা ভাগ আছে। ফুড এণ্ড চিভিল চাপ্লাইৰ মেটেৰিয়েলচ বিলাক পি,ডি,এচ লৈ তেখেত সকলে বিল কৰে। এই বিভাগটোত চাউল, চেনী, আটা আৰু কেৰাচিন তেল আদি বিতৰণ কৰি থাকে। নিমখটো সাধাৰণতে বিতৰণ কৰা নহয়।

মাননীয় চেয়াৰমেন মহোদয়, এই যে নিমখটো সাধাৰণতে ফেয়াৰ প্ৰাইচ চোপৰ জৰিয়তে ডিষ্ট্ৰিবিউট কৰা নহয়। এতিয়া বৰ্তমানে অসমত প্ৰায় ৬০ লাখ পৰিয়াল আছে, এই ৬০ লাখ ফেমিলিৰ কাৰণে এচ, কে, অয়ল ২২ হাজাৰ ৭ শ ২৯ মেট্ৰিক টন তেল কেনেকৈ দিষ্ট্ৰিবিউট কৰিব? বৰ্তমান এই বিভাগে পলিচি লোৱা হিচাবে সিদ্ধান্ত কৰিছে যে পাৰ ফেমিলিকে ৫ লিটাৰকৈ এচ, কে, অয়ল দিষ্ট্ৰিবিউট কৰিব তেনেস্থলত ৫ লিটাৰকৈ দিবলৈ হ'লে মাহে ৩০ হাজাৰ মেট্ৰিক টন তেলৰ প্ৰয়োজন হ'ব। কিন্তু এতিয়া ৩০ হাজাৰৰ ঠাইত মাত্ৰ ২২ হাজাৰ ৭ শ ২৯ টনহে দিয়া হৈছে। গতিকেই ৫ লিটাৰকৈ দিবলৈ হ'লে কোনোবা অঞ্চলত হয়তো কোনো ফেমেলীয়ে পাইছে আৰু

* Speech not corrected

কোনো কোনো অঞ্চলত পোৱা নাই, সেইদৰে হয়তো বহুতকে দিব পৰা নাই বা দিয়া নাই এইটো স্পষ্ট কথা, দেখ দেখকৈ অংকটো সহজ। তাৰ মানে চৰকাৰে যিটো পলিচি লৈছে সেইমতে ৰাইজক এচ, কে, অয়ল দিব পৰা নাই। তাৰ পাচত মই যেতিয়া যোগান বিভাগৰ মন্ত্ৰী আছিলো তেতিয়া অপেন মাৰকেটত এচ,কে,অয়ল বিক্ৰী হোৱা বুলি অভিযোগ উঠিছিল আৰু সদনতো এই বিষয়ে আলোচনা হৈছিল, গতিকেই এই তেল যাতে বাহিৰত ব্লেক মাৰকেট হ'ব নোৱাৰে তাৰ কাৰণে মোৰ দিনতে ব্লু কেৰাচিনৰ ব্যৱস্থা কৰিছিলো যাতে কোনোবাই অপেন মাৰকেটত ব্লু কেৰাচিন বিক্ৰী কৰিলে ধৰা পৰে কিন্তু এতিয়া আমি কি দেখিছো বজাৰত অবাধ গতিত ব্লু কেৰাচিন ব্লেকত বিক্ৰী হৈ আছে। ৰাইজে এই তেল নাপাই কিন্তু বজাৰত ১৫/২০ টকাত বিক্ৰী হৈ আছে। গতিকেই এই যে এফালে ৰাইজে নাপাই অথচ অপেন মাৰকেটত ব্লু কেৰাচিন ব্লেকত অধিক দামত বিক্ৰী হৈ আছে, ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লৈছে সেই বিষয়ে আমি জানিব বিচাৰিছো। চেয়াৰমেন ডাঙৰীয়া বঙ্গাইগাওঁৰ বিপিএলৰ পৰা ১৯ হাজাৰ ফেমিলিক ৬০ মেট্ৰিক টন চাউল বিতৰণ কৰা হৈছে, এই চাউলৰ দাম ৪ টকাকৈ কিলোত কিন্তু এই চাউল ইমান গেলা পচা যে তাক খাব নোৱাৰি, তাত কিয় ভাল কোৱালিটিৰ চাউল দিব পৰা নাই, তাৰোপৰি এই চাউল খিনি দৰীদ্ৰ সীমা ৰেখাৰ তলত থকা লোকৰ কাৰণেহে কেন্দ্ৰীয় চৰকাৰৰ পৰা এই চাউল খিনি আহিছে। এই চাউলখিনি আমি দিয়াৰ কাৰণে প্ৰতিশ্ৰুতি বদ্ধ। সেইকাৰণে মই ক'ব বিচাৰিছো এই গেলা-পচা চাউল দিয়াটো বন্ধ কৰিব লাগে। মই মন্ত্ৰী থকাৰ সময়ত এবাৰ এনে ধৰণৰ বেয়া চাউল আহিছিল তেতিয়া মই 'সম্পূৰ্ণ ৰেক' চাউল দিল্লীলৈ ঘূৰাই পঠাইছিলো। কিন্তু এতিয়া কিয় তেনে ধৰণ বন্ধ কৰা নাই? তাৰ পাচত আৰু এটা মন কৰিব লগীয়া কথা হৈছে বিপিএলৰ যিটো লিষ্ট কৰা হৈছে সেই চাউল বিলাক প্ৰকৃততে দৰীদ্ৰ সীমা ৰেখাৰ তলত থকা লোকৰ কাৰণে কিন্তু সেই চাউল আনিবলৈ যোৱা মানুহবোৰ মাৰুতী গাড়ী লৈ যোৱা লোক, তেওঁলোকৰ নামত তেওঁলোকৰ মাকৰ নামত ভনীয়েকৰ নামত বায়েকৰ নামত প্ৰত্যেকৰ নামত কাৰ্ড আছে গতিকে ১০ কিলোকৈ প্ৰতিকাৰ্ডত হ'লে এটা ফেমিলিয়ে বেচি খিনি চাউল লৈ যায় অথচ দুখীয়া মানুহ খিনিয়ে ৪ টকা চাউলপোৱাৰ পৰা বঞ্চিত হৈ আছে। গতিকে এই বিষয়টো চাব বুলি আশা কৰিলো। প্ৰকৃতপক্ষত যিবিলাক দৰীদ্ৰ সীমাৰেখাৰ তলত মানুহ আছে তেওঁলোকে বিপিএলৰ চাউল খিনি নপায়। তাৰ পাচত হুইটৰ কথালৈ আহো, এইবাৰ মানে এইমাহত হুইট অহা নাই বুলি শুনিছো এইটো লেপ্‌চ কৰিছে তাৰোপৰি অসমৰ কাৰণে ৩০ হাজাৰ মেট্ৰিক টন আগতে আহিছিল কিন্তু সেইটোয়ো এতিয়া কমাই দিছে ১০ হাজাৰ কমাই দিছে তাৰ মানে মাত্ৰ ২০ হাজাৰ হুইটহে আহিছে। মন্ত্ৰী ডাঙৰীয়াই হয়তো উত্তৰ দিব তেওঁ বৰ বুদ্ধিমান, তেওঁ হয়তো ক'ব হুইটৰ চাহিদা বৰ্তমানে কমি গৈছে। কিয়নো অপেন মাৰকেট

আৰু এফ, চি, আইত চাউলৰ দাম একেই আছে, দুয়োটাতে দাম সমান, সেইকাৰণে ডিমান্দ কমি গৈছে। তাৰ কাৰণে আমাৰ চৰকাৰৰ ফালৰ পৰা কেন্দ্ৰলৈ কিবা এপিল গৈছে নেকি? এফ, চি, আই আৰু অপেন মাৰ্কেটত হুইটৰ দাম সমান সমান হোৱাৰ কাৰণে মানুহ নাহে, মিল বিলাকো ডিফাংট হৈ যাব আৰু লগে লগে নিবনুৱা সমস্যা বাঢ়ি যাব। বৰ্তমান আৰবান এৰিয়া বিলাকত চাকী মিল দিছে, চাকী মিল দিলে বা বহুয়ালে তেওঁলোকে হুইট লিষ্ট নকৰিব কিয়নো অপেন মাৰ্কেট আৰ, এফ, চি, আইত হুইটৰ দাম সমান সমান, গতিকে এই প্ৰবলেমটো কেনেকৈ চল্ভ কৰিব? এফ, চি, আই আৰু অপেন মাৰ্কেটত যে হুইটৰ দাম একে আছে তাৰ কাৰণে আপোনালোকে কিবা ব্যৱস্থা কৰিছে নেকি? সেই কথাটো চেন্ট্ৰেল গভৰ্ণমেন্টক জনাইছে নেকি? হুইট কমকৈ দিয়াৰ কাৰণে চাকি মিল আৰু অন্যান্য মিল বিলাক বন্ধ হৈ যাব আৰু সেই মিল বিলাক বন্ধ হৈ গ'লে এটা ডাঙৰ সমস্যাৰ সৃষ্টি হ'ব। সভাপতি ডাঙৰীয়া মই এটা মেটাৰ ইয়াত আলোচনা কৰিবলৈ বিচাৰিছো। ফুড এণ্ড চিভিল চাপ্লাই বিভাগত উপভোক্তা সংৰক্ষণ অধিনিয়ম এখন আছে। এইটো বৰ জৰুৰী। এই কথা বিলাক হাউচত আলোচনা নহয়। এবাৰ আমাৰ মাননীয় সদস্য গহীন দাসে এই বিষয়টোৰ ওপৰত এটা প্ৰশ্ন আনিছিল। তাৰ কাৰণে মই তেখেতক ওৱেলকাম জনাইছিলো। কনজুমাৰচ্ ফৰাম ৩ বিধৰ আছে। কনজুমাৰচ্ এক্টৰ আণ্ডাৰত তিনিটা ধৰণৰ অৰ্গেনাইজেচন আছে যাৰ জৰিয়তে আমি আপীল কৰিব পাৰো। হস্পিতালতেই হওক বা প্লেন আৰু ট্ৰেইনতেই বা অন্য বস্তু কিনোতেই হওক আমাক যদি ডেপ্ৰাইভ কৰে তেতিয়াহলে আমি ফৰামৰ ওচৰত আপীল কৰিব পাৰো। সেয়েহে এইটোৰ ওপৰত বেচি গুৰুত্ব দিব লাগে। এই ফৰাম তিনিটা হ'ল - জিলা ফৰাম, ষ্টেট কমিচন আৰু নেচনেল কমিচন। ১০০ টকা পৰা ৫ লাখ টকালৈকে কনজুমাৰ হিচাবে আমি বস্তু কিনোতে যদি ডেপ্ৰাইভ হও বা হস্পিতাল, প্লেন, ট্ৰেইনত ডেপ্ৰাইভ হও তেতিয়াহ'লে ডিষ্ট্ৰিক্ট ফৰামৰ ওচৰত আমি আপীল কৰিব পাৰো। ৫ লাখ টকাৰ পৰা ২০ লাখ টকালৈকে সেই বিলাক ক্ষেত্ৰত আমি যদি দিপ্ৰাইভ হও তেতিয়াহলে ষ্টেট কমিচনৰ ওচৰত আপীল কৰিব পাৰিম। তাত অনাৰেবুল হাইকোৰ্টৰ এজন জাজ থাকে। ২০ লাখ টকাৰ ওপৰত হ'লে আমি নেচনেল কমিচনৰ ওচৰত যাব পাৰো। দিপ্ৰাইভ হওতে আমি যে আপীল কৰিম তাৰ কাৰণে একো পইচা নেলাগে। তাৰ কাৰণে লাগে মাত্ৰ এটা কলম, এখন কাগজ আৰু ৰচিদ। উদাহৰণ স্বৰূপে প্ৰেচাৰ কুকাৰ এটা কিনোতে প্ৰেচাৰ কুকাৰৰ ডিফেক্টৰ কাৰণ ব্লাষ্ট হৈ যদি কাৰোবাৰ মৃত্যু হয় তেতিয়াহলে ইমিডিয়েটলি তেওঁ যদি ৰচিদ পত্ৰ সহ ষ্টেট্ কমিচনৰ ওচৰ চাপে তেতিয়াহলে তাৰ কাৰণে ২০ লাখ টকাৰ ক্ষতিপুৰণ দিব লাগিব। এখন আবেদন লিখি ফৰাম বা কমিচনৰ ওচৰত চাবমিট কৰিলেই টকাতো দিব লাগিব। মাদ্ৰাজত এনেকুৱা ঘটনা ঘটিছে। ভুল চিকিৎসাৰ কাৰণে ফৰামৰ ওচৰত আপীল কৰাত ফৰামে লগে লগে ক্ষতিপুৰণ দিয়াৰ কাৰণে ৰায় দিলে। বিভিন্ন হস্পিতালত ভুল

চিকিৎসাৰ কাৰণে বহু মানুহৰ মৃত্যু হয়। তেনেকুৱা ক্ষেত্ৰত ফৰাম ওচৰত আবেদন কৰিলে ক্ষতিপুৰণ পাব। ঠিক তেনেদৰে প্লেন বা ট্ৰেইনত যাওঁতে মিছবিহেভ কৰিলে ফৰামক ৰিপোৰ্ট দিলে লগে লগেই ব্যৱস্থা ল'ব। এনেকুৱা ধৰণৰ ব্যৱস্থা ফুড এণ্ড চিভিল চাপ্লাই বিভাগত আছে। কিন্তু এই বিষয়টো ডিপাৰ্টমেন্টৰ ইগনোৰেন্ট হৈ আছে। এই সম্পৰ্কত ১৯৯৮ চনত এবাৰ মাত্ৰ মিটিং পাতিছিল। চেন্ট্ৰেল গভৰ্ণমেন্টে কিন্তু মিটিং পাতি আছে। আমাৰ বহুতেই এই বিলাক কথা নেজানে। কনজুমাৰৰ জ্ঞাতাৰ্থে ঠায়ে ঠায়ে ইয়াৰ যিবিলাক নিয়ম আছে সেই বিলাক বোৰ্ডত লিখি আৰি থব লাগে। এই বিষয়ে মিটিং আদি পাওঁ আমি কনজুমাৰ বা জনসাধাৰণক জনাব পাৰো। কিন্তু ইয়াৰ কাৰণে একো কৰা হোৱা নাই। এইটো বৰ দুখ লগা কথা। কনজুমাৰৰ বেনিফিটৰ কাৰণো কোনো ধৰণৰ কাম কৰা হোৱা নাই। চহৰৰ কোনোবা এটা কোণত সৰুকৈ হয়তো এখন চাইন বোৰ্ড আৰি থৈছে কিন্তু সেইটো কনজুমাৰৰ চকুত নপৰে। সভাপতি ডাঙৰীয়া মই কেৰাচিনৰ ক্ষেত্ৰত এটা কথা ক'বলৈ বিচাৰিছো। কেৰাচিন তেল ৭ (সাত) হাজাৰ মেট্ৰিকটন কমকৈ পাই আছে। কিন্তু ইমান কম থকা স্বত্বেও এই চৰকাৰে এটা পলিচী লৈছে। সেই পলিচীৰ বিৰুদ্ধে আমাৰ ক'বলগীয়া একো নাই। সেই পলিচীতো হ'ল - প্ৰতিটো পঞ্চায়তেহে ৫ টা কৈ হকাৰ আৰু দুখনকৈ ফেয়াৰ প্ৰাইচ শ্বপ দিব। ইয়াৰ জৰিয়তে মাননীয় মন্ত্ৰীয়ে নিবনুৱা সমস্যা সমাধান কৰাৰ কথা কৈছে। তেখেত অসুস্থ, মই অৱেশ্যে তেখেতৰ বিপৰীতে একো নকও, ভগবানে তেখেতক সোনকালে ভাল কৰক। কিন্তু এইটো যে দিব এলটমেন্ট ক'ত? ৫ লিটাৰকৈ কেৰাচিন তেল দিব লাগে, সেইটোকেই দিব পৰা নাই। তাৰ পিচত হকাৰৰ সংখ্যা বাঢ়িয়েই আছে। ৬০০ লিটাৰ তেল যদি ৫ জন হকাৰৰ মাজত ভগাই দিয়া হয় তেতিয়াহ'লে ১২০ লিটাৰকৈ পাব। ৫০০/৬০০ লিটাৰ তেল আনিবলৈ ডিপোলৈ নেযায় আৰু ১২০ লিটাৰ তেল আনিবলৈ যাব নেকি? এই তেল সমবায় সমিতি বা ডিপোতেই বিক্ৰী কৰি থৈ আহিব। তেতিয়াহ'লে নিবনুৱা সমস্যা এটা সমাধান কৰিবলৈ গৈ ইল্লিগেল প্ৰচিডিঅৰৰ জৰিয়তে নিবনুৱা সকলক ডিমৰেলাইজ কৰাহে হ'ব। এইটো চোচিয়েল পেটাৰ্ণ নেকি? নিবনুৱা সমস্যা সমাধানৰ কাৰণে প্ৰতিখন গাওঁ পঞ্চায়তেই দুখনকৈ ফেয়াৰ প্ৰাইচ শ্বপ দিব। কিন্তু আজি চাউল কিমান পাইছে?

৩০৯৪০ মেট্ৰিক টন চাউল সুলভ মূল্যৰ দোকানৰ জৰিয়তে দিয়া হয়। চহৰাঞ্চলত জনমূৰি ২ কেজি চাউল দিব লাগে। মোৰ হোজাইৰ কথা কৈছো জনমূৰি এশ-দুশ গ্ৰাম চাউল দিছে। অভিযোগ দিছো, কিন্তু কোনেও নুশুনে। প্ৰতি ২ কেজিৰ বিপৰীতে এশ-দুশ গ্ৰাম দিয়া হৈছে, তেনেস্থলত আৰু সুলভ মূল্যৰ দোকান সোমাই দিলে কিমান পৰিব? নীতিৰ বিৰুদ্ধে মই মাত মতা নাই। এলটমেন্ট বঢ়াওক। কেন্দ্ৰীয় চৰকাৰক কৈ এলটমেন্ট বঢ়াই দিয়ক। কিয়নো ইয়াৰ জৰিয়তে চৰকাৰে নিবনুৱা সমস্যা সমাধান কৰিব বিচাৰিছে। চৰকাৰে এই কাম কৰিছেনে নাই? সেইটো নকৰাৰ ফলত যিটো বস্তু ১৯৯১

চনৰ পৰা দি আছে সেই পৰিমাণে এতিয়াও দি আছে। বঢ়োৱাৰ কাৰণে প্ৰস্তাৱ লোৱা নাই। মই যোগান মন্ত্ৰী থাকোতে চাউল ৩২০০০ মেট্ৰিকটনৰ পৰা ৪৫০০০ মেট্ৰিক টনলৈ বৃদ্ধি কৰিছো। সেই মতে ঘেঁহুৰ পৰিমাণ বঢ়াইছো। কাৰণ এতিয়া জনসংখ্যা বাঢ়িছে। এলটমেন্ট আৰু লিফটিং একে নহয়। কেৰাচিন তেলৰ এলটমেন্ট ২২৭১৯ মেট্ৰিক টন কিন্তু লিফটিং হয় ১৯ হাজাৰ মেট্ৰিক টনতকৈ ক'ম। নীতি অনুযায়ী সুলভ মূল্যৰ দোকানৰ জৰিয়তে বিতৰণ হ'ব লাগে। আমি চেষ্টা কৰিছিলো আপোনালোকেও চেষ্টা কৰক। জনসাধাৰণৰ দায়িত্ব লৈছে যেতিয়া পদক্ষেপ থাকিব লাগিব। এই পদক্ষেপ কিমান দূৰ কাৰ্য্যকৰী কৰিছে? আজি পচা বস্তু আহে। কিমান দূৰ জন জাগৰণ সৃষ্টি কৰিব পাৰিছে।

ওজন আৰু জোখ-মাফ সম্পৰ্কত ... এই বিভাগটো ভালকৈ নাচায়। ৫ কেজিৰ দগা সঠিক ভাবে আছে নে নাই তাক পৰিদৰ্শন কৰা নাই। অত্যাৱশ্যকীয় সামগ্ৰী আইনত আলু আৰু পিয়াজ এই দুবিধ সামগ্ৰী সোমাই দিলে ভাল হয়। এই দুটা বস্তুৰ আগতে ইমান দাম নাছিল। এই সামগ্ৰীক লৈ সৰ্ব্বভাৰতীয় ক্ষেত্ৰতো ডাঙৰ সমস্যা হৈছিল। মই অভিজ্ঞতাৰ পৰা কৈছো যেতিয়া বিভাগে নিশ্চয় বেয়া নাপায়। মই তেনে ধৰণে বেয়া কথা কোৱা নাই। এইখিনিকে কৈ মই সামৰণি মাৰিলো।

**Mr. Chairman (Dr. D.K. Ramchiary) :** Now, Hon'ble member Shri Chandrakanta Terang your time fixation is 8 minutes.

* **শ্ৰী চন্দ্ৰ কান্ত টেৰাং ঃ** সভাপতি ডাঙৰীয়া, খাদ্য আৰু যোগান বিভাগৰ ১৯৯৯-২০০০ চনৰ বাবে ১৫ কোটি ৭০ লাখ ২১ হাজাৰ টকাৰ যি দাবী মঞ্জুৰী উত্থাপন কৰিছে তাক সমৰ্থন কৰিব নোৱাৰো যিহেতু খাদ্য আৰু অসামৰিক যোগান বিভাগটো মানুহৰ জীৱন মৰণ সমস্যাৰ লগত জড়িত। আজি ৰাতিপুৱা ৫ টা বিভাগৰ লগতে খাদ্য আৰু অসামৰিক যোগান বিভাগটো কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ স্বায়ত্ব শাসিত পৰিষদত হস্তান্তৰ নকৰা লৈ প্ৰশ্ন কৰিছে। আইন সমূহ এতিয়ালৈ কাৰ্য্যকৰী হোৱা নাই। মন্ত্ৰী মহোদয়ে কৈছে যে অত্যাৱশ্যকীয় সামগ্ৰী আইন, ১৯৯৫ চন সম্পৰ্কত কাউন্সিলৰ লগত বহি আলোচনা মৰ্ম্মে সংশোধন কৰা হ'ব। বিভাগীয় মুৰব্বী সমূহক অৱগত কৰিব বিচাৰিছো যে এই আইনখন কাৰ্য্যকৰী নোহোৱাৰ ফলত পাহাৰীয়া ৰাইজে বহু অভাৱত ভুগিব লগীয়া হৈছে। বজাৰত চৰা দামত কেৰাচিন, চাউল, চেনী আদি কিনিব লগা হৈছে। এই আইন খন কাৰ্য্যকৰী নোহোৱাৰ ফলত কাউন্সিল অথৰিটিৰ অধীনত বিষয়া সকলক আনিব পৰা নাই। অসম চৰকাৰৰ অফিচাৰ সকলৰ নিজস্ব একোখন লিষ্ট আছে যাৰ ফলত কন্ট্ৰাদিক্ট হৈ আছে। যোৱা কেই বছৰৰ পৰা ৰেগনৰ সুবিধা উঠাই দিছে যাৰ ফলত অত্যাৱশ্যকীয় সামগ্ৰী চিলচৰ, হাফলং ডিফু আদিৰ পৰা আনিব লগা হৈছে। হাফলঙৰ

* Speech not corrected

পৰা কোটা আনিব নোৱাৰি আৰু কোটা কমি যায়। লিফটিং কমোৱাৰ কাৰণে ৱেগনৰ সুবিধা উঠাই দিয়া হৈছে। শ শ মাইল খোজ কাঢ়ি আহি ১ কেজি নিমখ, ১ লিটাৰ কেৰাচিন তেল নাপাই খালি মোনাৰে ঘূৰি যাব লগা হৈছে। বি,পি,এল সামগ্ৰী সমূহ যোগানৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। পাৰ্ব্বত্য এলেকা উন্নয়ণ মন্ত্ৰীয়ে কৈছে আৰু কথা দিছে লগতে বিভাগীয় মন্ত্ৰীৰো দৃষ্টি আকৰ্ষণ কৰিলো। এই এক্টখন সম্পৰ্কত দুই কাউন্সিলৰ লগত বহি খচৰা প্ৰস্তাব কেন্দ্ৰীয় চৰকাৰলৈ পঠাবলৈ আহ্বান জনালো। এক্ট খন কাৰ্য্যকৰী হোৱা নাই যেতিয়া প্ৰস্তাৱটোত সমৰ্থন জনাব নোৱাৰো। গতিকে কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Chairman (Dr. D.K. Ramchiary) :** Now, Hon'ble member Shri Derhagra Muchahary.

* **শ্ৰী ডেৰহাগ্ৰা মুছাহাৰী ঃ** মাননীয় সভাপতি মহোদয়, আমাৰ চাউল-দাইল নাইবা বিভিন্ন খোৱা বস্তু বাহিৰৰ পৰা আনে। এই বস্তু বিলাক অনা-নিয়া কৰোতে চাবলগীয়া বিষয় আছে। অসমলৈ অহাৰ পাচত গোডাউনৰ ভিতৰত থৈ ৰাইজক খুৱায়। ৰাইজে কিছুমান বস্তু পচি যোৱাৰ কাৰণে বিতৰণ কৰাৰ পাচতো ওলটাই দিব লগীয়া হয়। এই বস্তু বিলাক গুদামত থওতে বিষাক্ত হৈ যায়। এইটো গুদামতে বিষাক্ত হয় নে আনোতে অন্য ঠাইতো হ'ব পাৰে। বাহিৰৰ পৰা আনোতে পৰীক্ষা কৰি ট্ৰাকত লোড কৰা হয়। প্ৰকৃততে সেই বস্তুখিনি আহে নে বেলেগ বস্তু আহে সেইটো চাবলগীয়া বিষয় হৈছে। এফ,চি,আই ষ্টোৰত টনৰ পিচত টন এবছৰ দুবছৰ ধৰি ৰখা হয়। সেয়ে নিগনি বা অন্য পোক-পৰুৱাই খাব নোৱাৰে তাৰ কাৰণে বিশেষ ঔষধ ব্যৱহাৰ কৰা হয়।

(ন'কোৰাম)

যিমান দিন ধৰি এই বস্তু বিলাক গুদামত থাকিব ৰাইজে খাব পৰাকৈ তাত ঔষধ দিয়া হয় আৰু সেই ঔষধ বিলাক সময়ৰ গতিত ঔষধ হৈ নাথাকে। প্ৰকৃততে খাদ্য-দ্ৰব্যৰ নামত মানুহৰ মাজত মানুহৰ পয়জন হে বিলোৱা হয়। এই চাউল-দালি বিলাকত গুদামত থোৱাৰ সময়ত পাউদাৰ জাতীয় ঔষধ এটা মিলোৱা হয় যিটো বস্তু মানুহৰ স্বাস্থ্যৰ কাৰণে হানিকাৰক আৰু চাইন্টিফিকেলি ডিফেকটিভ। গতিকে মডাৰ্ণ এইজত বিষয়টো চাব লগীয়া বিষয়। ৰাইজৰ মাজত খাবলৈ দিয়া বস্তু সমূহে নতুন নতুন বেমাৰৰ উদ্ভাৱন কৰে গতিকে তালৈ নজৰ ৰাখিব লাগে। আন এটা কথা হ'ল খেতিয়ক ৰাইজৰ মাজত কেৰাচিনৰ তেলৰ লাইচেন্স দিয়া হয় কিন্তু চৰকাৰৰ ফালৰ পৰা যিটো নিয়ম-নীতি বান্ধি দিয়া হৈছে সেই চিচটেমটো ডিফেকটিভ। পঞ্চায়তত ৫ জনৰ ভিতৰত এজনক লাইচেন্স দিয়ে আৰু সেই লাইচেন্সৰ কাৰণে চেক্ৰেটেৰীয়েতত আহিব লগাত পৰে, তাৰ মানে কাম হ'ব নালাগে। আমি দেখিছো অসম সঁচিবালয়ত যদি ৰাইজ আহিব লাগে

---

* Speech not corrected

তেনেহলে ১০ টাৰ পৰা ৪ টালৈ ঘুৰিপকি চাহ দোকানত চাহ খাই উভতি যাবলগীয়া হয়। যদি অফিচাৰক লগ ধৰিব লাগে সেইটো হৈ নুঠে। যদি সঁচাকৈ ৰাইজৰ উপকাৰ কৰিব খোজে তেন্তে এই নিয়মনীতি খিনি অলপ শিথিল কৰিব লাগে। গাঁৱৰ খেতিয়ক এজন যদি কেৰাচিন তেলৰ হোকাৰৰ লাইচেন্স ল'বলৈ ৫ বাৰ আহিয়ো ঘুৰি যাব লাগে সেইজন আৰু কেতিয়াও সঁচিবালয়লৈ নাহে। গতিকে নিয়ম-নীতি খিনি ডি,চি এচ,ডি,চি লেভেলতে শেষ কৰিব লাগে। কেৰাচিন তেল কোঅপাৰেটিভৰ ফেয়াৰ প্ৰাইচ চপৰ জৰিয়তে দিয়া হয়, কিন্তু সেই তেল খেতিয়ক ৰাইজে পাইছে নে নাই পোৱা সেইটো চিন্তাৰ কথা আৰু সেই তেল উচিত মূল্যত বিক্ৰী হৈছে নে ব্লেক মাৰ্কেট হৈছে সেইটো চাব লগা হৈছে। ইয়াৰ ফলত এনেকুৱা কিছুমান পিচপৰা অসমৰ চুকে কোনে পিচপৰা অঞ্চল আছে য'ত বহুত কম মানুহে চাকি জ্বলাব পায়, এনেকুৱা ভিতৰুৱা অঞ্চলৰ লেংতীমৰা মানুহে সঁচিবালয়ৰ অফিচাৰৰ লগত কথা পাতিবলৈ কেতিয়াও নাহে।

মাননীয় সভাপতি মহোদয়, আমি সৰ্বসাধাৰণ ৰাইজৰ কাৰণে যদি ক'ম দামত চাউল, আটা, দাইল, কেৰাচিন তেল দিয়াৰ ব্যৱস্থা কৰিছো, গাওঁৰ ৰাইজৰ কাৰণে ফেয়াৰ প্ৰাইছৰ দোকান খুলি দিয়া হৈছে এইবোৰ আচলতে ঠিকে আছে। একমাত্ৰ নিয়মাৱলী বিলাক বেছি জটিল হোৱাৰ কাৰণে আৰু যিবিলাকে ফেয়াৰ প্ৰাইচৰ দোকান লৈছিল সেইবোৰ ওপৰত ভালকৈ তদন্ত নকৰি পেলায় তেওঁলোকে যেনে ধৰণে কৰে তেনেধৰণে ৰাখি থোৱাৰ কাৰণে ৰাইজৰ বহু ক্ষতি হৈছে। মোৰে সমষ্টিত ফেয়াৰ প্ৰাইচৰ দোকান আছে বস্তু বিচাৰিলে ৰাইজে নাপায়। মই বহুবাৰ ডি,চি, এছ,ডি,চিক লিখিলো তদন্ত কৰিবলৈ নাযায়। যাৰ ফলত মানুহখিনি বঞ্চিত কৰা হ'ল। ৰাইজৰ কাৰণে যিবোৰ ব্যৱস্থা কৰিছে প্ৰকৃততে সাধাৰণ ৰাইজে পাব লাগে। নামত কাগজে কলমে সৰ্বসাধাৰণ ৰাইজক দিছো বুলি ক'লে ৰাইজ লাভৱান হ'ব নোৱাৰে। সেই বিলাক দিচপুৰত বহি অনুভৱ কৰিব নোৱাৰো। গাওঁৰ সৰ্বসাধাৰণ খেতিয়ক ৰাইজ এজনৰ ঘৰত নিৰ্বাচনৰ সময়ত সোমালে এইবোৰ উপলব্ধি কৰিব পাৰি। তাৰ বাহিৰে এই ৰাইজ সকলৰ কি দুখ দুৰ্গতি, খোৱা লোৱাৰ ক্ষেত্ৰত কি অসুবিধা ভোগ কৰিছে আমি অনুভৱ কৰিব নোৱাৰো। আমি সৰ্বসাধাৰণ ৰাইজৰ লগত জড়িত থকা নিয়মবিলাক সৰলীকৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। আমি দিচপুৰৰ পৰাই বাজেট কৰিছো। কিন্তু সেইবোৰ ভিতৰুৱা অঞ্চললৈ নাযায়। আমি নাযাও কাৰণে আমি নাজানো। কিন্তু শুনিছো বিভিন্ন বিভাগে ৰাইজক উপকৃত কৰিছে। ইউ,পিত এই ব্যৱস্থাটো বিকেন্দ্ৰীকৰণ কৰা হৈছে। গাওঁ অঞ্চলৰ পঞ্চায়ত বিলাকে কেনেধৰণৰ ব্যৱস্থা ল'ব। ভিতৰুৱা গাওঁবিলাক কি ব্যৱস্থা ল'ব এই সকলোবোৰ ভালকৈ কৰিব কাৰণে তেওঁলোকে বিকেন্দ্ৰীকৰণৰ ব্যৱস্থা লৈছে। বিকেন্দ্ৰীকৰণ ব্যৱস্থাৰে কি ধৰণে আমাৰ ৰাইজক সহায় কৰিব পাৰি সেই পলিচি কৰিব লাগে।

* Speech not corrected

* **শ্ৰী নিজামুদ্দিন খান** ঃ সভাপতি মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি কিছু কথা ক'ব বিচাৰিছো। ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ মাজেদি সাধাৰণ মানুহক কিছু সুবিধা দিয়াৰ নীতি গ্ৰহণ কৰা হৈছে। কিন্তু আমি লক্ষ্য কৰিছো। ৰাজহুৱা বিতৰণ একেবাৰে ভাঙি পৰিছে। মোৰ যিটো অভিজ্ঞতা তাৰ পৰাই গম পাইছো যে যিবিলাক চাউল, দাইল, আটা, কেৰাচিন তেল যোগান ধৰিছে এইবিলাক গাওঁ নেপায়। আধা বাটতে নোহোৱা হৈ যায়। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম, এই ৰাজহুৱা বিতৰণ ব্যৱস্থা শক্তিশালি কৰাৰ কাৰণে ব্যৱস্থা হাতত ল'ব লাগে। ইতিমধ্যে আমাৰ দে ডাঙৰীয়াই এই কথাটো উল্লেখ কৰিছে। লগতে আলু, পিয়াজ, চাবোন ঔষধ আদি এই নিত্য প্ৰয়োজনীয় ১৪ বিধ সামগ্ৰী এই বস্তুবোৰৰ লগতে সামৰি লৈ ৰাজহুৱা বিতৰণ ব্যৱস্থা মাজেদি দিয়াৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনালো। মই লক্ষ্য কৰিছো কিছুমান ফেয়াৰ প্ৰাইচ দোকান আছে তেওঁলোকে বস্তু দিব নোৱাৰে। নতুন কৈ কিছুমান হকাৰ আৰু ফেয়াৰ প্ৰাইচৰ দোকান দিয়াৰ ব্যৱস্থা কৰিলে নিশ্চয় দুখীয়া মানুহখিনি উপকৃত হ'ব। নিশ্চয় এইটো সমৰ্থন যোগ্য আৰু আমি যিবিলাক তালিকা দাখিল কৰিছো সেই তালিকাৰ ভিত্তিত দিয়াৰ ব্যৱস্থা কৰিলে সহজলভ্য হ'ব। লাইচেন্স বিলাক দিয়াৰ ব্যৱস্থা কৰাৰ কাৰণে অনুৰোধ কৰিলো। এই ক্ষেত্ৰত বৰপেটা জিলাৰ বিশেষ ভাৱে দৃষ্টি আকৰ্ষণ কৰিলো বৰপেটাৰ এতিয়াও কোৰ্ট কেছ হৈ আছে। সেইবিলাক ইনজাংচন আছে। এই কেছবিলাক সোনকালে শেষ কৰি লাইচেন্স বিলাক দিয়াৰ ব্যৱস্থা কৰিব লাগে। গাওঁ অঞ্চলত যিবিলাক দোকান আছে, সমবায় সমিতি আছে সেইবিলাক পৰিয়াল পৰিচয় পত্ৰ থাকিব লাগে। অসমৰ বহু ঠাইত সমবায় সমিতি আছে। সেইবিলাকৰ পৰিয়াল পৰিচয় পত্ৰ নাই। পৰিয়াল পৰিচয় পত্ৰ নোহোৱাৰ কাৰণে কোন মাহত, কোন সপ্তাহত কিমান কেৰাচিন দিলে কিমান চেনি দিলে সেই হিচাপে তেওঁলোকে নাপায়। দোকানীয়ে সহজে আত্মসাৎ কৰাৰ সুযোগ গ্ৰহণ কৰে। পৰিয়াল পৰিচয় পত্ৰ থাকিলে কেতিয়া কিমান বস্তু দিছে উল্লেখ থাকিব। তেতিয়া স্বাভাৱিক ভাবে যিবিলাক বিতৰণকাৰী, দোকানী আছে তেওঁলোকে এই সুযোগ গ্ৰহণ কৰিব নোৱাৰে। যিবিলাক অঞ্চলত সমবায় সমিতি আছে, পৰিয়াল পৰিচয় পত্ৰ দিয়া নাই সেই বিলাকত পৰিয়াল পৰিচয় পত্ৰ দিয়াৰ বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনালো। লগে লগে এটা কথা ক'ব লাগিব যে চাকি মিলক গম বিতৰণ কৰা হয়। এই চাকি মিলক গম দিয়াৰ পিছত তাৰ পৰা আটা কলৈ যায় ৰাইজে খবৰ নাপায়। বৰপেটাতো মিলক গম দিয়া হৈছে। আটা বিতৰণৰ ব্যৱস্থা কৰা হৈছে। কিন্তু মিলে ক'ত ক'ত দিছে সৰ্বসাধাৰণ ৰাইজে নাজানে। গাওঁ অঞ্চলৰ যিখিনি আটা, চেনিৰ প্ৰয়োজন সেইখিনি তেওঁলোকে নাপায়। বিশেষকৈ বৰপেটা জিলাত গম এলোকেচন দিয়া হৈছিল। সেই গম ঠিক মতে বিতৰণ হৈছে নে নাই এটা অনুসন্ধান কৰাৰ বিহিত ব্যৱস্থা গ্ৰহণ কৰিব। আন এটা বিষয় হৈছে দুৰ্নীতি সকলো বিভাগতে আছে। যোগান বিভাগতো

* Speech not corrected

নোহোৱা নহয়। ইয়াত বেছি আছে। সেই কাৰণে সৰ্বসাধাৰণ ৰাইজে তেওঁলোকৰ নিজৰ প্ৰাপ্যৰ পৰা বঞ্চিত হৈছে। সকলো স্তৰতে দুৰ্নীতি হৈ আছে। যদি দুৰ্নীতি নিৰ্মূল কৰাৰ কাৰণে বিভাগটোৱে ব্যৱস্থা গ্ৰহণ নকৰে সৰ্বসাধাৰণ ৰাইজে ভুগিব। তিনি টকা দিলে কেৰাচিনা পায় দহ বাৰ টকা দিলে কেৰাচিন পোৱা যায়। দহ বাৰ টকা গনেশগুৰিত তেল বিক্ৰী হৈ আছে। দুৰ্নীতি নিৰ্মূল কৰাৰ ব্যৱস্থা যদি গ্ৰহণ নকৰে চৰকাৰে যি ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ মাজেৰে দুখীয়া জনসাধাৰণক সুবিধা দিয়া ব্যৱস্থা কৰিছে সেই উদ্দেশ্য সফল নহ'ব। তেওঁলোকৰ প্ৰাপ্যখিনি নিশ্চিত ভাবে পোৱা ব্যৱস্থা গ্ৰহণ কৰিব আৰু ১৪ বিধ সামগ্ৰী এই বিলাক সামগ্ৰীৰ লগত সামৰি লবলৈ আবেদন জনাই মোৰ ব্যক্তব্য সামৰণি মাৰিলো।

**Mr. Chairman** : Now, Hon'ble member Shri Karuna Dutta to speak.

* **শ্ৰী কৰুণা দত্ত** ঃ মাননীয় সভাপতি মহোদয়, মই কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি দুটামান কথা ক'ব বিচাৰিছো। ৰাজহুৱা যি বিতৰণ ব্যৱস্থা এই ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ বাবে চৰকাৰে যিখিনি আঁচনি লৈছে সেইখিনি ৰূপায়ন কৰিব পাৰিলে জনসাধাৰণ উপকৃত হ'ব। চৰকাৰী কৰ্মচাৰী সকলে জনসাধাৰণক উপকৃত কৰাৰ কাৰণে কিছু সহানুভূতি আৰু আৰ্দশৰে যদি আগবাঢ়ি যায় তেতিয়া হ'লে ৰাজহুৱা বিতৰণ ব্যৱস্থাটো ভাল হ'ব। কেতিয়াবা কেতিয়াবা যোগাযোগৰ কাৰণেই হওঁক বা বিভিন্ন প্ৰাকৃতিক দুযোৰ্গৰ কাৰণেই হওঁক ৰাজহুৱা বিতৰণ ব্যৱস্থাত খেলিমেলিৰ সৃষ্টি হয়। ইয়াৰ কাৰণে চৰকাৰক যিখিনি সুবিধা লাগে বা তলৰ বিষয়া সকলৰ যিখিনি সুবিধা লাগে এই সুবিধাবিলাক নোহোৱাৰ কাৰণে এই বিপদৰ সন্মুখীন হ'বলগীয়া হয়। বিশেষ কৈ পিচপৰা অঞ্চল সমূহত বহুতো প্ৰাকৃতিক দুৰ্যোগপূৰ্ণ অঞ্চল আছে। যিবিলাকত বাৰিষা হোৱাৰ লগে লগে ৰাজহুৱা বিতৰণ ব্যৱস্থা নাইকীয়া হয় আৰু বহুতো খেলি-মেলিৰ সৃষ্টি হয়। জনসাধাৰণে পাবলগীয়া সামগ্ৰীখিনি যোগান দিয়াত অসুবিধা হয়। মোৰ মাজুলী সমষ্টিত চাৰিওফালে পানীয়ে আগুৰি আছে। গতিকে বতৰ ফৰকাল অৱস্থাত চৰকাৰৰ ফালৰ পৰা খাদ্য যোগান দিয়ে কিন্তু বাৰিষা অহাৰ লগে লগে এনে অৱস্থা আহি পৰে যে, বিতৰণ ব্যৱস্থাৰ কাৰণে বহু টকা খৰছ কৰিব লাগে যোৱা বছৰত যেতিয়া বানপানী হৈছিল, গছৰ ডালত যেতিয়া মানুহ থাকিব লগা হৈছিল তেতিয়া হেলিকপ্তাৰেৰে বিতৰণ কৰাৰো ব্যৱস্থা নাছিল। যোগাযোগ বিচিন্ন হৈ গৈছিল। ১০ দিন চৰকাৰৰ অদম্য ইচ্ছা থকা স্বত্বেও খাদ্য সামগ্ৰী যোগান ধৰিব পৰা নাছিল। ইয়াৰ কাৰণ আগতীয়াকৈ যিখিনি খাদ্য সামগ্ৰী মজুত ৰাখিব লাগিছিল সেইখিনি ৰাখিবৰ বাবে চৰকাৰৰ উপযুক্ত গোদাম নাছিল। যি গৰাকী মন্ত্ৰীয়ে দায়িত্ব বহন কৰিছে তেখেতক মই এটা কথা ক'ব বিচাৰিছো যে বান বিধস্ত পিচপৰা অঞ্চল বিলাকত খাদ্য সামগ্ৰী যোগান ধৰাৰ বাবে এফ,চি,আইৰ গোদাম নিগাজীকৈ সাঁজিব লাগে।

---

* Speech not corrected

তেনেহলে অন্ন সমস্যা আৰু নাৱেৰে খাদ্য নিব লগা অৱস্থা নহয়। গতিকে দুঃসাধ্য অঞ্চল বিলাকত আগতেই খাদ্য সামগ্ৰী নি ৰখাৰ ব্যৱস্থা কৰিলে ৰাইজ উপকৃত হ'ব। চৰকাৰে যি আঁচনি লৈছে সেই আঁচনি বিলাক কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা কৰিব লাগে। বিতৰণ ব্যৱস্থা নিয়াৰিকৈ কৰাৰ বাবে বিভাগীয় কৰ্তৃপক্ষই জোৰ দি কাম কৰিব লাগে। মই নিজেও দুৰ্যোগপূৰ্ণ অঞ্চলৰ মানুহ হিচাবে কিছু কষ্ট ভোগ কৰিবলগীয়া হৈছে। যোৱা বছৰত ধেমাজী, ঢকুৱাখানা আৰু মাজুলীত যি অৱস্থা হৈছিল মানুহ বা জীৱজন্তু জীয়াই থকা টান হৈ পৰিছিল। ব্ৰহ্মপুত্ৰ, সোৱণশিৰি আৰু অৰুণাচলৰ উপনদী সমূহে সৃষ্টি কৰা বানপানীত মানুহে জীয়াই থকা কথা চিন্তা কৰিব নোৱাৰে। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে, পিচপৰা অঞ্চল বিলাকত এফ,চি,আইৰ গোদাম তৈয়াৰ কৰি খাদ্য সামগ্ৰী মজুত ৰাখিব লাগে। ২০/২৫ হাজাৰ কুইন্টল খাদ্য সামগ্ৰী মজুত ৰখাৰ ব্যৱস্থা কৰিব লাগে। আজি এই বিভাগতো দুৰ্নীতি হৈছে দুৰ্নীতি নিৰ্মূল কৰাৰ বাবে চেষ্টা কৰিব লাগে আৰু জনসাধাৰণক এমুঠি অন্ন, কেৰাচিন তেল, নিমখ আদি বিতৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। আন্তৰিকতাৰে অনুভৱ কৰি কাম কৰিলে দুখীয়া ৰাইজ উপকৃত হ'ব। শেষত মই কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি যিখিনি অনুদান ধাৰ্য্য কৰা হৈছে সেইখিনি গ্ৰহণ কৰাৰ কাৰণে অনুৰোধ জনাই মোৰ বক্তব্যৰ শেষ কৰিলো।

**Mr. Chairman :** Is there any other who would like to speak.

**Shri Dilip Kr. Saikia :** Yes, Sir, I would like to speak.

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় সভাপতি মহোদয়, আজি যোগান বিভাগৰ মঞ্জুৰীৰ ওপৰত যি কৰ্তন প্ৰস্তাৱ আহিছে মই তাৰ বিৰোধীতা কৰি অলপ সমালোচনা কৰিব বিচাৰিছো। কাৰণ, সমালোচনা কৰিলেহে আচল বস্তুটো ওলাব। উদাহৰণ স্বৰূপে মোৰ ঘৰতে তিনিজন জৰাৰ ভিতৰত এজনে যদি দুষ্টামি কৰে আৰু তাক মই ভাল বুলি কৈ থাকিলে সি গৈ এসময়ত গভাইত চোৰ হ'ব। গতিকে তাক আগতেই শিক্ষা দিব লাগিব। এই বিভাগৰ শিতানত যি টকা ধাৰ্য্য কৰিছে সেইটো অতি নগন্য টকা।

এই বিভাগৰ কাৰণে আপোনালোকে আৰু বেছিকৈহে টকা লাগে বুলি দাবী জনাব লাগে। কৰ্তন প্ৰস্তাৱ আনিব নালাগে। এই বিভাগটো ৰাইজৰ লগত পোনপটীয়াকৈ জড়িত বিভাগ - জনসাধাৰণৰ খাদ্য সামগ্ৰী সমূহ এই বিভাগেই যোগান ধৰে। কিন্তু আমি দেখিবলৈ পাইছো যে বস্তুৰ দাম দিনক দিনে বাঢ়িহে গৈছে। যোৱাবাৰ দিল্লীকে ধৰি সকলো ঠাইতে পিয়াজ নাইকিয়া হ'ল - পিয়াজৰ দাম অভাৱনীয় ভাবে বৃদ্ধি পালে। তাৰ লগে লগে অন্যান্য সামগ্ৰী সমূহৰো দাম বৃদ্ধি পালে। এই মূল্য বৃদ্ধি নিয়ন্ত্ৰণ কৰোতা কোনো নাই। আমাৰ অসমত বস্তুৰ দাম কণ্ট্ৰোল কৰে ফঁাচী বজাৰে। তেওঁলোকে ইচ্ছা কৰিলেই বস্তুৰ দাম বৃদ্ধি কৰে। তাৰ লগে লগে ভেজাল সামগ্ৰীৰ কথাই নাই।

* Speech not corrected

আপোনালোকে এই ক্ষেত্ৰত হয়তো ক'ব যে এইটো সৰ্বভাৰতীয় ভিত্তিত হৈছে আন ফালে আকৌ এনেকুৱাও হৈছে বস্তু বেছিকৈ উৎপাদন হোৱাৰ ফলত মূল্য একেবাৰে কমি গৈছে। এইবাৰ বিলাহীৰ উৎপাদন বৃদ্ধি হোৱাৰ কাৰণে প্ৰতি কেজিৰ দাম ২০ পইচালৈকে হৈছে। এনে এটা অৱস্থা হ'লে আমাৰ কৃষক সকল চলে কেনেকৈ? আন এটা কথা হ'ল - আমাৰ ৰাজ্যখনত প্ৰতি বছৰে হৈ থকা বানপানী। বানপানীৰ ফলত বিশেষকৈ লক্ষীমপুৰ, ধেমাজী, ঢকুৱাখানা আদি ঠাই বৰ বেয়াকৈ ক্ষতিগ্ৰস্ত হয়। যোৱাবাৰ বানপানীৰ সময়ত ঢকুৱাখানাত ৰাইজৰ মাজত অত্যাৱশ্যকীয় সামগ্ৰী হেলিকপ্তাৰেৰে যোগান ধৰাৰ কাৰণে ঠাই বিচাৰি নাপালে। ওখ ঠাই তাত নাই, সকলো জলমগ্ন। সামগ্ৰী সমূহ তাত পেলাব নোৱাৰি ঘুৰাই আনিব লগা হ'ল। সেই কাৰণে আমাৰ মাননীয় সদস্য শ্ৰী দত্ত ডাঙৰীয়াই সেই অঞ্চল সমূহত খাদ্য শষ্যৰ ভড়াল বনোৱাৰ কাৰণে যিটো প্ৰস্তাৱ আগবঢ়াইছে তাৰ প্ৰতি চৰকাৰে বিশেষ ভাবে মনোযোগ দিব লাগে। এইবাৰে বানপানী আৰম্ভ হৈছে। যোৱা কেইদিন নেৰা নেপেৰা বৰষুণৰ কাৰণে ধেমাজীলৈ ৫ দিন যাতায়ত বন্ধ হৈ আছিল। জোনাইলৈও যাব নোৱাৰি। সেই কাৰণে আজি এই বিভাগৰ ইনচাৰ্জ হিচাবে যি গৰাকী মন্ত্ৰী আছে তেখেতে যাতে কঠোৰ ভাবে এই বিভাগটোৰ কাম কাজবোৰ চোৱা চিতা কৰে তাৰ বাবে অনুৰোধ জনালো। আজি ৰাজ্যখনত ৰাজহুৱা বিতৰণ ব্যৱস্থা ঠিকমতে হৈ আছে নে নাই সেইটো ভালদৰে চোৱা উচিত। কেৰাচিন তেলৰ কাৰণে চৰকাৰে যি মূল্য ধৰি দিছে সেই মূল্যত ৰাইজে কেৰাচিন পাইছে নে নাই সেইটো নিশ্চিত কৰিব লাগে। নিমখ, চেনি, চাউল আদি সুলভ মূল্যত ৰাইজে পাইছে নে? বি,পি,এল,ৰ চাউল ৰাইজে পাইছে নে নাই? আমি দেখিছো এই বস্তুবিলাক ৰাইজে পোৱা নাই। মধ্যভোগীৰ জৰিয়তে এই সামগ্ৰী সমূহ আধা বাটতে বিক্ৰী কৰি এচাম লোক লাভবান হৈ আছে। সুলভ মূল্যৰ চেনী ৰাইজে খাবলৈ নাপায়। সেইবোৰো মাজবাটতে বিক্ৰী হৈ যায়। গাওঁৰ ৰাইজে ১০/১২ টকা কৈ প্ৰতি লিটাৰ কেৰাচিন কিনিব লগা হৈছে। কিন্তু চৰকাৰে বান্ধি দিয়া মূল্য হৈছে ৪ টকা। গতিকে উপায়ুক্তকে ধৰি যি সকল বিষয়া এই ক্ষেত্ৰত জড়িত তেওঁলোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

সভাপতি মহোদয়, এইখিনিতে মই মাননীয় মন্ত্ৰী মহোদয়ক আৰু কেইটামান কথা দৃষ্টিগোচৰ কৰিব খুজিছো যে ধেমাজী জিলাত আজিলৈকে যোগান বিভাগৰ স্থায়ী চুপাৰিন্টেণ্ডেণ্ট নাই, এ,ডি,এচ, নাই। ধেমাজী মহকুমাৰ পৰা জিলা হ'ল - তাত এতিয়ালৈকে ১৮ জন স্থায়ী প্ৰশাসনীয় বিষয়া নাই। এইটো অৱস্থাত জিলা খনৰ কাম কাজ কেনেকৈ হ'ব? আমি এটা কথা দেখিছো যে সকলো বিলাক বিষয়া কেৱল গুৱাহাটীতে থাকিব বিচাৰে। এইটো এটা কালচাৰত পৰিণত হৈছে। চৰকাৰী নিয়ম মতে তিনি বছৰৰ মুৰে মুৰে বিষয়া কৰ্মচাৰীৰ বদলি হ'ব লাগে। কিন্তু গুৱাহাটীত থকাৰ মোহত

এই বিষয়া সকলক চৰকাৰেও লৰাব নোৱাৰে। গতিকে এই ক্ষেত্ৰত চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰি অসমৰ সকলো অঞ্চললৈ যাতে বিষয়া কৰ্মচাৰী সকলক পঠিয়াব পাৰে তাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আপোনালোকে যদি পিচপৰা অঞ্চল সমূহলে বিষয়া পঠিয়াব নোৱাৰে তেনেহ'লে ধেমাজী নিচিনা ঠাইক অসমৰ মানচিত্ৰৰ পৰা বাদ দিয়াৰ ব্যৱস্থা কৰিব লাগে। সেই অঞ্চলৰ ৰাইজৰ ইচ্ছানুসৰি তেওঁলোক কাৰ অধিনলৈ যাব সেইটো তেওঁলোকে বাচি ল'ব। আন এটা কথা হ'ল - আমাৰ মন্ত্ৰী সকলে নিজৰ অঞ্চলৰ কথাখিনিকে চিন্তা নকৰি অসমৰ সকলো ঠাইৰে কথা চিন্তা কৰিব লাগে। কিয়নো, তেওঁলোক গোটেই ৰাজ্য খনৰে মন্ত্ৰী। আমি বিধায়ক সকলে নিজৰ নিজৰ ঠাইৰ কথা চিন্তা কৰিম। মন্ত্ৰী সকলে সকলোৰে কথা চিন্তা কৰিব লাগে। জিলাসমূহত কোনে কি কৰি আছে সেইবোৰ চোৱা চিতা কৰোতা নাই। আমাৰ জিলা খনত ইয়াৰ আগৰ উপায়ুক্ত জনে যধে মধে সুলভ মূল্যৰ দোকানৰ অনুজ্ঞা পত্ৰ দি আহিল। তেওঁ কাৰোবাৰ পুতেকৰ নামত, কাৰোবাৰ ঘৈনীয়েকৰ নামত বে-আইনি ভাবে অনুজ্ঞাপত্ৰ দিলে। সেই বিলাক মানুহৰ নাম আমি অনুমোদন জনোৱা নাই। গতিকে এনে ধৰণৰ বে-আইনি কাম কাজবোৰ বন্ধ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

(Shri D.K. Ramcharary chairman reacted the chair for Shri Bimolangshu Roy at 6-15 P.M.)

**Mr. Chairman :** Mr. Saikia, you can not address it directly. This is not the procedure.

***শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** সভাপতি মহোদয়, ইঞ্জিনিয়াৰ, ঠিকাদাৰ আৰু পাইলটৰ ঘৈনীয়েকে চাকৰি পায়। ফুড এণ্ড চিভিল চাপ্লাইজ ৰাইজৰ লগত জৰিত। পেটৰ তাৰণাত কোনোবাই একটিং কৰিছে, কলমেৰেও কৰিছে বিভিন্ন ধৰণে খাই বৈ জীয়াই থকা নাই, বিভিন্ন কাম কৰি থাকে। সেই কাৰণে দাবী জনাইছো, এ,ডি,এচ, চুপাৰিন্টেনডেন্ট যোগান বিভাগত দিবৰ কাৰণে অনুৰোধ জনাইছো। কিছুমানত দাম বন্ধা হয়, এই ক্ষেত্ৰত চৰকাৰৰ সুৰুঙা আছে। যি সকলে অসাধু কাম কৰিছে তেওঁলোকক চাচ্‌পেন কৰক। অভিযোগ পোৱাৰ পিচত তেওঁ দোষী হয় নে নহয় চাব লাগিব। দোষী হ'লেও কেতিয়াবা দুই এটা একচন হয়।

গতিকে সভাপতি মহোদয়, আপোনাৰ জৰিয়তে মই অনুৰোধ জনাইছো ৰেহাই বিতৰণ চিষ্টেমটো চোৱা ভাল হ'ব। ৰাইজে যাতে চাউল, ডাইল পায় সেইটো চাব লাগে। কিন্তু এনেকুৱা হৈছে যে বস্তু নোপোৱাইও অভিযোগ দিব নোৱাৰে। অভিযোগ দিলে তেওঁক ওৱাৰ্নিং দিয়া হয়। বস্তুৰ যিটো মূল্য বৃদ্ধি হৈছে তাক নিয়ন্ত্ৰণ কৰিব লাগে। ইফালে কৰ্মচাৰী সকলৰ দা-দৰমহা বৃদ্ধি হৈছে, তেওঁলোকে চেন্ট্ৰেল হাৰত দৰমহা

* Speech not corrected

বিচাৰিছে, কিন্তু ৰাজ্য চৰকাৰে দিব পৰা নাই। তেওঁলোকক চেন্ট্ৰেল হাৰত দৰমহা দিব নোৱাৰিলেও কিছু বৃদ্ধি কৰা হৈছে। গাওঁত থকা সকলে মাহেকীয়া দৰমহা নেপায়, তেওঁলোকৰ সমস্যা হৈছে। তেওঁলোকে যি দামত বস্তু কিনি খায়, বিধায়ক, মন্ত্ৰী সকলেও সেই দামতে খায়। চাউলৰ দাম যদি ১১ টকা হয় সেই দামত সকলোৱে কিনে। এই ক্ষেত্ৰত এটা নতুন পদ্ধতি কৰা দৰ্কাৰ হৈছে, ৰাইজে যাতে উচিত ভাবে বস্তু পায় এইটো চাব লাগে। কিন্তু ৰাইজে উচিত ভাবে বস্তু নেপায়।

সভাপতি মহোদয়, ষ্টেটফেডৰ জৰিয়তে বিভিন্ন সামগ্ৰী বিতৰণ কৰা হয়। কিন্তু চৰকাৰে ষ্টেটফেড কৰ্মচাৰী সকলক দৰমহা দিব পৰা নাই। চাৰিটাতকৈ অধিক পৰিয়াল ষ্টেটফেডৰ গুডাম ঘৰত থাকিবলগীয়া হৈছে। এই অৱস্থা হৈছে, এই ক্ষেত্ৰত চৰকাৰ দায়িত্ব আছে। সকলোৰে দায়িত্ব আছে। যিবিলাক নিকায়, নিগম হ'ল, চেষ্টা কৰা নাই কিয়, কৰবাত কেৰোণ আছে। প্ৰতি লিটাৰ মিঠা তেলৰ দাম ৬৭ টকা, তেনেকৈ ডাইল, আলুৰ দাম বাঢ়িছে। বৰ্তমান জনসংখ্যা বৃদ্ধি হৈছে। এই ক্ষেত্ৰত চৰকাৰে এটা নীতি ল'ব লাগে, ৰাইজে যাতে সময় মতে বস্তু পায়। বি,পি,এল, চাউল সময় মতে নেপয়া। কাৰ্ড হেৰাই যায়। ইয়াত নেগুৰ লগাই দিয়ে অনা নিয়া খৰচ বাঢ়িছে, কেৰিং চাৰ্জ পাচ টকা হ'ব লাগে বুলি কয়। গতিকে চৰকাৰে এই বিষয়ে চোৱা চিতা কৰি গোটেই অসমতে অকল আমাৰ জিলাখনৰ নিচিনা কৰবাত এ,ডি,এচ, নাই। কিন্তু এই বিভাগত ৭০ জনইন্সপেক্টৰ নিযুক্তি দিব পাৰি, পদ খালি আছে। কিয় দিব পৰা নাই? এই সকলক নিযুক্তি দিবৰ কাৰণে অনুৰোধ কৰিছো।

সভাপতি মহোদয়, এফ,চি,আই,ৰ গুদামত পচা চাউল আছিল। ৰাইজক পচা চাউল দিছে। তেতিয়া এফ,চি,আই,ৰ জেনেৰেল মেনেজাৰক মাতি আনি এই কথাটো কোৱা হৈছিল। এইটো জোনাইত হৈছিল। বানপানীৰ সময়ত ৰাইজক পচা চাউল দিয়া হৈছিল। গতিকে মন্ত্ৰী মহোদয়ে বানপানী অহাৰ আগতে বস্তু মজুত ৰখাৰ ব্যৱস্থা কৰক। বানপানী হোৱাৰ পিচত বস্তু বিলাক বিলাব নোৱাৰা হয়। শৰনাৰ্থী জোনাইত ৭০ হেজাৰ আছিল, তেনেকৈ ধেমাজীত, মাজুলীতো আছিল। মই নিজে নাওৰে চাউল দিব গৈছিলো। চিলাপথাৰৰ মানুহে হাহাকাৰ কৰিছিল। মোক কৈছিল ৩০ বেগ চাউল আনিছে নেকি, মই কৈছিলো, নাওঁত বেছি চাউল নধৰে। সেইখিনি দি মই তাৰ পৰা পলাইছিলো। আমাৰ ৰাইজৰ লগত সম্পৰ্ক থাকে, ৰাইঝৰ আন্তৰিকতা থকাৰ কাৰণে আশা দি থাকো। নলবাৰী অঞ্চলত বান নিয়ন্ত্ৰণ মন্ত্ৰী ডাঙৰীয়াই যাব নোৱাৰিলে। কিন্তু মোৰ তাত গৈছে। তেখেত যোৱাৰ লগে লগে গামোছা দিছে, ধুপ, চাকি জ্বলাইছে, জিন্দাবাদ প্ৰমোদ গগৈ, প্ৰফুল্ল কুমাৰ মহন্ত, শ্বহিদুল আলম চৌধুৰী এনেকুৱা কৰিছে। মন্ত্ৰী ডাঃ জয় নাথ শৰ্মা ডাঙৰীয়াও গৈছিল। আমাৰ মানুহ বিলাক সহজ সৰল, বানপানীৰ সময়ত মানুহৰ খাবলৈ নাই ৰাস্তা বেয়া কিন্তু মানুহৰ আন্তৰিকতা আছে। মানুহৰ যি মৰম সেই মৰম ভৰিৰে লঠিয়াই

দিয়াতো ভাল নহয়। যোৱা বিধান সভাতো কৈছো বানপানী আহিলে ফেষ্টিভেল হয়, যেনেকৈ এবছৰৰ মুৰে মুৰে লোক সভাৰ নিৰ্বাচন হয়, ঠিক তেনেকৈ অসমৰ বানপানীতো ফেষ্টিভেল হয়।

মাননীয় সভাপতি মহোদয়, বানপানী মানে হৈছে এটা ফেষ্টিভেল। থিক তেনেকৈলোক সভালৰ নিৰ্বাচনো হৈছে এটা ফেষ্টিভেল। ১৩-১৪ মাহৰ মুৰে মুৰে নিৰ্বাচন মানে কি? উৎসৱৰ দৰে নহয় জানো। অসমৰ বানপানী আহিলেও কিছুমান বিষয়া, কৰ্মচাৰী আৰু ঠিকাদাৰৰ উৎসৱ আৰম্ভ হয়। এই বিলাকে মানুহক বিপদলৈ ফেলি দিছে। যোৱা বাৰ আপোনালোক দিল্লীলৈ শেনটো হৈ গ'ল কিন্তু ফেটাটো হৈ ঘুৰি আহিল। সেইকাৰণে অসম বিধান সভাত আজি এটা ৰিজোলুচন ল'ব লাগে ৫ বছৰ আগতে কোনো চৰকাৰ ভাঙি নোৱাৰে। আজি অসম তথা ভাৰতবৰ্ষৰ অৰ্থনৈতিক যিটো অৱস্থা তেনে ক্ষেত্ৰত নিৰ্বাচনৰ নামত ১০০০০ কোটি টকাতকৈও বেচি খৰচ হ'ব। সেই কাৰণে আজি এইটো প্ৰস্তাৱৰ জৰুৰী হৈচে যে ৫ বছৰৰ আগতে চৰকাৰ ভংগ হ'ব নালাগে। কাৰণ নিৰ্বাচনৰ কাৰণে বয়বস্তুৰ দাম বাঢ়ে আৰু সৰ্বসাধাৰণ মানুহৰ দুৰাৱস্থা হয়।

**মাননীয় সভাপতি ঃ** lese confine yourself to the subject matter.

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় মহোদয়, এইটো ৰিলেটেড বিষয়, কাৰণ অহা চেপ্তেম্বৰত নিৰ্বাচন হ'ব আৰু তাৰ বাবে ১০০০ কোটিৰো অধিক টকা খৰচ হ'ব। ফলস্বৰূপে আলু, পিয়াজ, পেট্ৰল ইত্যাদি বস্তুৰ দাম বাঢ়িব। গতিকে সভাপতি মহোদয় আপুনিয়ে এই সম্পৰ্কত এটা ৰুলিং দিয়ক।

* **শ্ৰী সুখেন্দু শেখৰ দত্ত ঃ** Chairman sir, let us come to the point sir plese.

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় মহোদয়, এইটো জৰুৰী বিষয়, দত্ত ডাঙৰীয়াও এন অৱস্থা হ'লে ১০ টকা মিটাৰৰ কাপোৰ ৫০ টকাত কিনিব লাগিব। গতিকে আশা ৰাখিছো বিভাগে টকা ভালধৰণে ব্যৱহাৰ কৰিব। মিচ ইউজ নকৰে। সেই কাৰণে মাননীয় সদস্য সকলক আহ্বান জনাইছো তেখেতসকলৰ কৰ্তন প্ৰস্তাৱটো উঠাই লওঁক। ৰাইজে যাতে চেনী চাউল পায় তাৰ ব্যৱস্থা কৰক। জোনাই চিলাপথাৰত গোডাউন বনোৱাৰ ব্যৱস্থা কৰিব লাগে। বাৰিষাৰ আগে আগে যাতে সকলো বস্তু মজুত ৰাখে তাৰ ব্যৱস্থা কৰিব লাগে সেইটো অনুৰোধ কৰিলো আৰু কৰ্তন প্ৰস্তাৱটো উঠাই লোৱাৰ অনুৰোধ জনাই মোৰ ব্যক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Chairman :** Now I call upon Hon'ble member Shri Dileswar Tanti to speak.

* **শ্ৰী দিলেশ্বৰ তাঁতী ঃ** মাননীয় সভাপতি মহোদয়, যোগান বিভাগৰ ওপৰত যি কৰ্তন প্ৰস্তাৱ

* Speech not corrected

আমাৰ দলৰ ফালৰ পৰা আনিছে তাৰ সমৰ্থনত দুষাৰমান ক'ব বিচাৰিছো। বিশেষকৈ অশমত যি চাহ বাগিচা সমূহ আছে - টি ইণ্ডাষ্ট্ৰি প্ৰায় ৮০০ ৰো ওপৰ চাহ বাগিচা আছে। শ্ৰমিক সকল আৰু তাৰ ওপৰত নিৰ্ভৰশীল ৪০ লাখ জনগোষ্ঠিক যোগান বিভাগৰ যোগে দি বস্তু যোগান ধৰা হৈ আছে। সেই কি ধৰণে তেওঁলোকে উপভোগ কৰিব পাৰিছে এই সম্পৰ্কত ক'ব বিচাৰিছো। চাহ বাগিছাৰ যি বিলাক সুলভ মূল্যৰ দোকান আছে তাৰ পৰা মানু বিলাকক চাউল চেনী যোগান ধৰা হয়। এই সুলভ মূল্যৰ মালিক চাহ বাগিছা বিলাকত প্ৰকৃততে গেলা মালৰ দোকানী বিলাক। তেওঁলোক হৈছে সুলভ মূল্যৰ দোকানৰ এজেন্ট। এই গেলামালৰ দোকানী বিলাকে চাহ বাগিছাৰ মানুহখিনক অৰ্থনৈতিক ভাবে শোষণ কৰি আহিছে। তেওঁলোক সুলভ মূল্যৰ দোকানৰ এজেন্ট হিচাবে নিযুক্ত হৈছে। সেই বিলাক নিযুক্তি দিছে পোনপতিয়া ভাবে যোগান বিভাগে। এই সম্পৰ্কত ৰাইজৰ প্ৰতিনিধি বিধায়ক সকলৰ লগত কোনো যোগাযোগ কৰা নাই। মহাজনক সুবিধা দিয়াৰ কাৰণে। মহাজন বিলাকে তেওঁলোকৰ চিৰচৰিত চৰিত্ৰৰে চাহ বাগিছাৰ শ্ৰমিক সকলক শোষণ কৰি আহিছে। এতিয়াও যে চাউল চেনীৰ জৰিয়তে শ্ৰমিক সকলৰ ওপৰত শোষণ চলাইছে সেইটো সহজে অনুমেয়। সুলভ মূল্যৰ যি বিলাক দোকানী, তেওঁলোকৰ টাউটো একোখনকৈ ডাঙৰ দোকান আছে। টাউনতে সৰহখিনি বস্তু ৰাখি আধা ভাগহে চাহ বাগিছালৈ আনে। ৫০ শতাংশ চহৰত আৰু ৫০ শতাংশ বস্তু চাহ বাগিছালৈ যায়।

মাননীয় অধ্যক্ষ মহোদয়, চাহ বাগিছাৰ মানুহ বিলাকে কেৰাচিন ৩ টকাত কিনিবলৈ নাপায়। তেওঁলোকে ১০/১২ টকাত কেৰাচিন কিনিব লগা হয়। চেনী বাগিচাৰ মানুহ নলয় ললেও অতি কম মানুহহে লয়। চাউলৰ ক্ষেত্ৰতো দেখা যায় বাগিচালৈ যি পৰিমানৰ দিয়া হয় সেই ধৰণে যোগান ধৰা নহয়। আৰু ৩০ দোকানৰ মালিক সকলেও বাগিচাৰ মজদুৰ ও কৰ্মচাৰী সকলক। চাউল দিব নোৱাৰে। এনে ধৰণৰ ব্যৱস্থাই বাগান বিলাকত চলি আছে। যি বিলাক ব্যৱসায়ীয়ে বাগানৰ মানুহ বিলাকক 'এস্কপলয়টেচন' চলাই আছে। এই ব্যৱস্থাটো শেষ কৰিবলৈ হ'লে চৰকাৰৰ ফালৰ পৰা ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। আমাৰ জিলা পৰ্য্যায়ত আৰু মহকুমা পৰ্য্যায়ত এডভাইজৰি কমিটি গঠন কৰি দিব লাগে। এই এডভাইজৰী কমিটি বিলাক গঠন কৰোতে নিৰ্বাচিত প্ৰতিনিধি বিধায়ক সকল আৰু সমাজ কৰ্মীক লৈ কমিটি বিলাক গঠন কৰিব লাগে। এই এডভাইজৰী কমিটি বিলাক ৩ মাহ বা ৬ মাহৰ মুৰে মুৰে বহিব লাগে। তেতিয়া যোগান বিভাগৰ পৰা দিয়া নিত্ব প্ৰয়োজনীয় বস্তু বিলাক দিয়াত খেলিমেলি নহয়। এই বিলাক কথা আলোচনা বিলোচনা কৰিব লাগে। বিভাগীয় মন্ত্ৰীয়ে এই বিলাক কথা চাব লাগে যে ৩ মাহ বা ৬ মাহৰ মুৰে মুৰে মিটিং বিলাক হৈছে নে নাই আৰু তাত অভাব অভিযোগ বিলাক আলোচনা হ'ব লাগে আৰু ভুল হ'লে সেই বিলাক সংশোধনী হ'ব লাগে। এই ক্ষেত্ৰত যোগান

বিভাগৰ পৰা নিৰ্দেশ আছে। প্ৰতি মাহে কিমান চাউল, আটা, চেনী, কেৰাচিন যোগান ধৰা হৈছে তাৰ এটা তালিকা জনাব লাগে। সেই তালিকা বিলাক সেই সেই অঞ্চলৰ বিধায়ক সকলক দিব লাগে। জিলা কৰ্তৃপক্ষৰ নিৰ্দেশ মতে আগেয়ে দিয়া হৈছিল যদিও যোৱা ৩ বছৰে এই বিলাক দিয়া হোৱা নাই। কোন ক-পাৰটিভে কম পাইছে বা যোগান ধৰা হোৱা নাই সেইটো দিয়া হোৱা নাই। সেই বিলাক যদি সময় মতে কৰা হয় তেতিয়া ভাল হয়। আমি বহুতো অভিযোগ পাইছো এই বিলাকৰ যোগান বিভাগৰ ইঞ্চপেকটৰে প্ৰতিমহে ১০০ টকা কৈ দি আছে। এই ক-অপাৰেতিভ বিলাকত ৰাইজৰ দ্বাৰা নিৰ্বাচিত প্ৰতিনিধি নাই। এতিয়াও এইটো এডহ'ক চিচিটেমত চলি আছে। আৰু এটা কমপ্লেন ফেয়াৰ প্ৰাইচ দোকান বিলাকৰ পৰা আহিছে যে সেই দোকান বিলাকৰ পৰা ৫০ টকাকৈ কো-অপাৰেটিভ চেয়াৰমেন সকলে কালেকচন কৰি আছে। এনেধৰণৰ কালেকচনৰ কাৰণে দোকানী বিলাকে নিত্ব প্ৰয়োজনীয় বস্তুৰ দাম বেছিকৈ লগ লগো হৈছে। বাগিচাৰ ক্ষেত্ৰত ফেয়াৰ প্ৰাইচ চপ বিলাক মহাজনক দিয়াত কৈ বাগিচাৰ মালিকক দিয়াটো ভাল হ'ব। কিয়নো বাগিচাৰ মালিক সকলে বাগিচাত চাউল আদি কম মূল্যত দিয়ে। দোকানী বিলাকক দিলে যি বিলাক কৰাপচন কৰে। মালিক পক্ষক দিলে তেওঁলোকে গাড়ীৰে বস্তু বিলাক নিব পাৰিব আৰু শ্ৰমিক সকলক ঠিক মতে দিব পাৰিব। গতিকে এই ক্ষেত্ৰত চৰকাৰে চিন্তা চৰ্চা কৰিব পাৰে নেকি বিবেচনা কৰিব। গতিকে মই এইখিনি কৈ কৰ্ত্তন প্ৰস্তাবটো সমৰ্থনত দুৱাষাৰ কৈ মোৰ বক্তব্য সামৰণী মাৰিলো।

**মাননীয় সভাপতি :** Now I request the Hon'ble Minister in-charge, supply to give his reply.

* **শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী) :** মাননীয় সভাপতি মহোদয়, আমাৰ যোগান বিভাগৰ বিষয়ে বিভিন্ন পৰামৰ্শ আগবঢ়াইছে মাননীয় সদস্য সকলে। এই পৰামৰ্শ সমূহ আমি ভালদৰে চাইছো আৰু চিন্তা চৰ্চা কৰিছো। আৰু এই সম্পৰ্কে কি ধৰণে ব্যৱস্থা ল'ভ পৰা যায় সেই সম্পৰ্কত আমাৰ বিভাগৰ বিষয়া সকলৰ লগত যোৱা কালি আলোচনা কৰিছো। আৰু আজি হাউচলৈ অহাৰ লগে লগে আলোচনা কৰা হৈছে। যোগান বিভাগটো এটা ইম্পৰটেন বিভাগ আৰু মাননীয় সদস্যসকলে তেখেতসকলৰ বক্তব্য ডাঙী ধৰিছে। কাৰণ জনসাধাৰণৰ লগত এই বিভাগটো জড়িত আছে। আমাৰ মাননীয় সদস্য শ্ৰী আব্দুৰ ৰৌফ ডাঙৰীয়াই কৈছে যে এই বিভাগৰ পৰা পচা চাউল যোগান ধৰা হৈছে। এই সম্পৰ্কিত বিষয়া সকলৰ লগত আলোচনা কৰা হৈছে। আজিলৈ অসমত পচা চাউল দিয়া হোৱা নাই এতিয়ালৈকে তেনেকোৱা ৰিপৰ্ট অহা নাই। পঞ্জাবৰ পৰা এটা চাউলৰ কনচেনমেন্ট আহিছিল। সেই চাউলটো হালধীয়া চাউল। ৰাইজে ভাবিলে এই চাউলটো পচা চাউল। বিভাগৰ পৰা জনোৱা মতে এই হালধীয়া চাউলটোৰ নিউটেচন ভেলু আমাৰ

---

* Speech not corrected

চাউলৰ লগত সমান। বৰ্তমান ভাৰত চৰকাৰৰ লগত আলোচনা কৰি এই চাউলটো বন্ধ কৰা হৈছে। গতিকে ৰৌফ ডাঙৰীয়াৰ যিটো সন্দেহ পচা চাউল সেইটো সঁচা নহয়।

মাননীয় সভাপতি মহোদয়, ফুড এণ্ড চিভিল চাপ্লাই বিভাগৰ ফালৰ পৰা বিতৰণ কৰা চাউলবিলাক পচা চাউলৰ লগত ভাল চাউল মিহলাই ৰাইজৰ মাজত সুলভ মূল্যৰ যোগেদি বিক্ৰী কৰে বুলি অভিযোগ দাঙি ধৰিছে। মাজতে হালধীয়া চাউলটো যেতিয়া বিতৰণ কৰা হৈছিল সেই চাউলটো পচা নাছিল। সেই ক্ষেত্ৰত আমি ইতিমধ্যে ব্যৱস্থা লৈছো।

কেৰাচিনৰ বিষয়ে আমাৰ মাননীয় সদস্য সকলে কৈছে কেৰাচিন বজাৰত বেচি দামত বিক্ৰী হয়। আমাৰ মাননীয় সদস্য ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ডাঙৰীয়াই কৈছে যে আমাৰ ইয়াত যিমান পৰিমাণৰ কেৰাচিন তেল লাগে তাতকৈ কম পৰিমাণৰ তেল চাপ্লাই হয়। সেই কাৰণে কম পৰিমাণৰ তেল বিতৰণ কৰে। কিন্তু আমাৰ তেনেই ওচৰৰ গণেশগুৰি বজাৰত বহু কেইজন বেপাৰীয়ে কেৰাচিন তেলৰ টিং লৈ বহি থাকে আৰু তেওঁলোকে গ্ৰাহকক বেছি দামত বিক্ৰী কৰা দেখা যায়। তেওঁলোকে ক'ৰ পৰা ইমান তেল পায় নাজানো। এই তেল সুলভ মূল্যৰ জৰিয়তে প্ৰত্যেকজন গ্ৰাহকে তেল পায় তাৰ কাৰণে জিলা উপায়ুক্ত আৰু মহকুমা ধিপতিয়ে ব্যৱস্থা ল'ব। মাননীয় সদস্য সকলক মই অনুৰোধ কৰিছো কৰবাত বেছি দামত তেল বিক্ৰী হোৱা স্পেচিফিক খবৰটো জিলা উপায়ুক্ত বা বিভাগীয় কতৃপক্ষক জনালে ব্যৱস্থা ল'ব পৰা যাব। এতিয়া কিছু কিছু ক্ষেত্ৰত চাপ্লাই বিভাগটোৱে অসমৰ এটা বৃহত এলেকা কভাৰ কৰি আছে।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, উদাহৰণ স্বৰূপে মই ক'ব বিচাৰো যে পেট্ৰল ডিপোত পানী মিহলাইছে। তাৰ নমুনা জিলা উপায়ুক্তক দিয়া হ'ল। একচন কি হ'ল? মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে স্পেচিফিক প্ৰমাণ দি জিলা উপায়ুক্ত বা মহকুমা ধিপতিক জনালে একচন লোৱা হ'ব। আমি একজাম্‌পুলৰ সৈতে দিছিলো। জিলা উপায়ুক্তই সেই ডিপোটোৰ ওপৰত কি একচন ল'লে?

* **শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কোৱা কথাখিনি জিলা উপায়ুক্তৰ পৰা জানি লৈ আমি চৰকাৰৰ ফালৰ পৰা বিহীত ব্যৱস্থা ল'ম। কোনোবা জিলা উপায়ুক্তই যদি কামটো কৰা নাই, তেওঁৰ ওপৰত আয়ুক্ত আছে, মুখ্য সচিব আছে তেওঁলোকক আমি জনাম। এই ক্ষেত্ৰত আমি সকলোৰে সহায় আৰু সহযোগিতা বিচাৰো। বি, মাৰ্কেটটো এনেকুৱা হৈছে। চৰকাৰী মেচিনাৰী নাপালে সকলোৰে সমুহীয়া প্ৰচেষ্টাৰে দুখীয়া জনসাধাৰণক এই ক্ষেত্ৰত আগবঢ়াই নিবৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব।

* Speech not corrected

আমাৰ মাননীয় সদস্য শ্ৰী সুখেন্দু শেখৰ দত্ত ডাঙৰীয়াই যোৱা কালি কেইটা মান কথা কৈছে - তেকেতৰ প্ৰথম আপত্তি হৈছে - ডি, অ' লাইচেন্সৰ বিষয়টো লৈ ১৯৯৭ চনৰ ডিচেম্বৰত তেখেতৰ প্ৰশ্ন উত্তৰ যোগান মন্ত্ৰী অসুস্থ কাৰণে মই উত্তৰ দিছো। যোগান মন্ত্ৰীয়ে তদন্ত কৰিব বুলি কৈছিল। যুটীয়া সচিবে তদন্ত কৰিছিল সেই কথাবিলাক কিছু কিছু পৰিমাণে তেখেতে কোৱা কথাখিনি সন্নিবিষ্ট হৈছে। এই যে লাইচেন্স বাতিল কৰাৰ কাৰণে জিলা উপায়ুক্তক নিৰ্দ্দেশ দিয়া হৈছে .... কেচটো হাইকোৰ্টত দিচপোজ হোৱা পিচত দত্ত ডাঙৰীয়াই ... নালাগে আৰু বাহিৰলৈও যাব নালাগে।

মাননীয় সদস্য শ্ৰী দিলীপ কুমাৰ শইকীয়া ডাঙৰীয়াই কৈছে .... ফুড এণ্ড চিভিল চাপ্লাইৰ এটা ডাঙৰ কথা হ'ল 'ষ্টৰেজৰ' বিষয়টো লৈ। .... মাননীয় সদস্য সকলৰ পৰামৰ্শমতে চৰকাৰে কাম কৰিছে। ষ্টৰেজৰ গোদাম নিৰ্মাণৰ কাৰণে ইতিমধ্যে ভাৰত চৰকাৰৰ পৰা ২৬৩ লাখ ৭৫ হাজাৰ টকা আৰু আন এঠাইত ২৫৮ লাখ ৮৮ হাজাৰ টকা আৱন্টন কৰা হৈছে। সেইটো ফাইনেনচৰ লগত টেক আপ কৰা হৈছে। মাননীয় সদস্য দ্বয় শ্ৰী দিলীপ কুমাৰ শইকীয়া আৰু মাননীয় সদস্য শ্ৰী ভৰত নৰহ ডাঙৰীয়াই কৈছে যে জুনাইত গোদাম ঘৰ এটা লাগে। ক'ত ক'ত দিয়া হ'ব মই এখন তালিকা পঢ়ি দিছো।

| ঠাইৰ নাম | জিলাৰ নাম |
|---|---|
| ১। গোলোক গঞ্জ | ধুবুৰী |
| ২। দুধনৈ | গোৱালপাৰা |
| ৩। তিতাবৰ | যোৰহাট |
| ৪। মোকক চেলেং | ধেমাজী |
| ৫। কচুগাওঁ | কোকৰাঝাৰ |
| ৬। মায়ং | মৰিগাওঁ |
| ৭। বিলাসীপাৰা | ধুবুৰী |
| ৮। বালিজান | মৰিগাওঁ |
| ৯। ভোৰবন্ধা | মৰিগাওঁ |
| ১০। বৰবৰুৱা | ডিব্ৰুগড় |
| ১১। লক্ষীমপুৰ | লক্ষীমপুৰ |
| ১২। লক্ষীপুৰ | গোৱালপাৰা |

* Speech not corrected

| | |
|---|---|
| ১৩। ওদালগুৰি | দৰং |
| ১৪। হাওৰাঘাট | কাৰ্বি আংলং |
| ১৫। ৰঙিয়া | কামৰূপ |
| ১৬। ডিমৌ | শিৱসাগৰ |
| ১৭। হাইলাকান্দি | হাইলাকান্দি |
| ১৮। বোকাজান | কাৰ্বি আংলং |
| ১৯। ধিং | নগাওঁ |

এই কেইখন জিলাত ষ্টৰেজ কৰিবৰ কাৰণে চৰকাৰে প্ৰস্তুতি চলাইছে।

* **শ্ৰী কৰুণা দত্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এনেকুৱা এটা সমষ্টিৰ পৰা ৰাইজৰ প্ৰতিনিধি হৈ আহিছো, মোৰ সমষ্টিটো বানপানীয়ে মানুহৰ ঘৰ-দুৱাৰ ভাঙি উটুৱাই নিছে। জনসাধাৰণে ১০ দিন মান খাবলৈ নাপাই জীয়াতু ভুগিছে। এফ,চি,আইৰ গোদাম ঘৰটো যোৰহাটত আছে। সেয়েহে আমাৰ অঞ্চলটো বানপানীৰ অঞ্চল বুলিয়ে ক'ব পাৰি। সেইকাৰণে তাত খাদ্য বস্তু যোগান ধৰা গোদাম ঘৰ অতি প্ৰয়োজন। তাত এটা এফ,চি,আই, গোদাম ঘৰ বনাবৰ কাৰণে মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

* **শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কৈছে যে মাজুলীয়ে এটা গোদাম ঘৰ লাগে। তেখেতে যিটো কথা কৈছে ভৌগলিক পৰিস্থিতিৰ ক্ষেত্ৰতে এইটো হ'ব।

মাননীয় সদস্য গৰাকীয়ে যেতিয়া এই কথাখিনি উল্লেখ কৰিছে এই ষ্টোৰেজৰ লিষ্টত মাজুলীক ইনক্লুড কৰা হ'ল। তাৰ পাচত মাননীয় সদস্য সুখেন্দু চেখৰ দত্তই ষ্টোৰেজৰ যিটো কথা উনুকিয়াইছে সেইটো আমাৰ চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। তেখেতে উত্থাপন কৰা মতে কৰিমগঞ্জৰ ৰাইজে যি খিনি বস্তু অৰ্থাৎ খাদ্য বস্তু ব্যৱহাৰ কৰে সেইখিনি তেওঁলোকে শিলচৰৰ পৰা আনিব লগা হয় যিহেতু কৰিমগঞ্জত ষ্টোৰেজৰ সুবিধা নাই। কৰিমগঞ্জত গুদামৰ সুবিধা নথকা কাৰণেই এই সমস্যাটোৰ সৃষ্টি হৈছে শিলচৰৰ এফ,চি,আইৰ গুদামৰ পৰা আনিব লগা হয়, গতিকেই ডি,চি কৰিমগঞ্জক আই, ডব্লিউ,টিৰ এটা ঘৰ সদ্য হতে ব্যৱহাৰ কৰিবলৈ কোৱা হৈছে আৰু তাতেই এটা গুদাম ঘৰ ব্যৱহাৰ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে, আশাকৰো ইয়াৰ দ্বাৰা সমস্যা বহুখিনি উপশম হ'ব। তাৰ পাচত আমাৰ আন এজন জেষ্ঠ মাননীয় সদস্যই তেখেত নিজেও এজন যোগান বিভাগৰ মন্ত্ৰী একালত আছিল, তেখেতৰ অৱশ্যে অভিজ্ঞতা আছে, তেখেতে কেৰাচিনৰ বিষয়ে যিটো পয়ন্ট ৰেইজ কৰিছে সেই বিষয়ে মই ইতিমধ্যে ক্লিয়াৰিফিকেশ্যন দিছো আৰু ব্লু কেৰাচিনৰ যিটো কথা কৈছে সেই বিষয়েও মই অলপ আগতে কৈছো পিছে তেখেতে

* Speech not corrected

আন এটা কথা কৈছে সেইটো হ'ল বি, পি, এলৰ পৰা মাৰুতি লৈ চাউল কিনিবলৈ যোৱা কথাটো অবান্তৰ কিয়নো মাৰুতী যাৰ আছে তেওঁ ৪ টকাৰ চাউল বিচাৰি নায়ায় কিয়নো ৪ টকাৰ চাউল কিনিবলৈ যোৱা মানে তেওঁৰ পেট্ৰোলত ৮ টকা খৰচ হ'ব তাৰোপৰি তেখেতে যিটো কথা কৈছে যে এটা বিশেষ পলিটিকেল পাৰ্টিৰ মানুহে মাৰুতি লৈ গৈছে, এইটো কিন্তু সত্য কথা নহয় তেখেত এজন জেষ্ঠ সদস্য তাতে আকৌ প্ৰাক্তন যোগান মন্ত্ৰী গতিকে তেখেতে যদি কথাবিলাক ভাবি-চিন্তি নকয় তেতিয়াহ'লে জুনিয়ৰ সকলে তেওঁলৈ চাই থাকি কি পাব। দুখীয়া লোক সকলে প্ৰটেকশ্যন পোৱা নাই বুলি জনাইছে। মই এটা কথা কও বিগত বিধান সভাত মই তেতিয়া ভৰত নৰহৰ চিটত বহিছিলো তেতিয়া মই এটা কথা কৈছিলো এজন অন্ধ মানুহ কথা আজিয়ো মোৰ মনত পৰে। তেতিয়া অৰ্দ্ধেন্দু দে যোগাম মন্ত্ৰী আছিল, মই কৈছিলো - অন্ধ মানুহ এজনে দিনৰ দিনতো ভিক্ষা কৰি দুমুঠি চাউল খুজিমাপি আনে আৰু তাৰে এসাজ খায় আৰু যিদিনা তেওঁ ভিক্ষা নাপাই সেইদিনা তেওঁ অনাহাৰে থাকে, বৰষুণত কেতিয়াবা ভিজি ভিজি ঘূৰিব লগীয়া হয়, মই তেওঁক এটা ছাতিয়ো কিনি দিছিলো। তেতিয়া মই মন্ত্ৰী ডাঙৰীয়াক সুধিছিলো এই অন্ধ মানুহ জন দৰীদ্ৰ সীমা ৰেখাৰ তলৰ মানু নহয় নেকি তেতিয়া কৈছিল নহয় তাৰ মানে তেওঁ এজিপি কাৰণেই দৰীদ্ৰ সীমা ৰেখাৰ তলৰ মানুহ নহয়, তেওঁৰ দোষটো হ'ল তেওঁ এজিপি গতিকে পলিটিকেল আমি কৰা নাই তেখেত সকলেহে কৰিছে। ধনী-দৰীদ্ৰ বিচাৰত আমাৰ পলিটিকেল ভাব নাই আমি সকলোকে সমান ভাবে সন্মান কৰো।

* **ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ** ঠাকুৰৰ ঘৰত কল খোৱা নাই, মই কোনো ৰাজনৈতিক দলৰ কথা কোৱা নাছিলো, এজিপিয়েহে এইটো নিজে কৈছে। বিশেষ ৰাজনৈতিক দল মানে এজিপিয়েই হ'ব সেইটো নহয়, কংগ্ৰেছো হ'ব পাৰে বা আন কোনো দলৰ হ'ব পাৰে।

* **শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (কৃষি মন্ত্ৰী) ঃ** বিশেষ ৰাজনৈতিক দল মানে কি বুজাইছে, কংগ্ৰেছ হলেতো ভালেই। তেখেতে আৰু এটা কথা কৈছে ১০ হাজাৰ মেট্ৰিক টন এইবাৰ ঘেহু কমাইছে, কাৰণটো আমি এতিয়ালৈকে জানিব পৰা নাই, তেখেতে কৈছে যে অপেনমাৰ্কেটত যিটো মূল্য হৈছে সেইটো তেখেত কৈছে এইটো হোৱাৰ কাৰণে অসমৰ মিল কেইটা বিকল হৈ যাব আৰু নিবনুৱা সমস্যা বাঢ়ি যাব। আচলতে কথাটো সেইটো নহয় এইবাৰ ঘেহুৰ বাম্পাৰ প্ৰদাকশ্যন হৈছে। মই ঘেহুৰ বিষয়ে ক'বলৈ নাযাও কিয়নো এবাৰ ঘেহুৰ কথা ওলাওতে সবেই মোক বেয়া ব্যৱহাৰ কৰিছিল, তেতিয়া মোক কোনেও সমৰ্থন দিয়া নাছিল আনকি মাননীয় সদস্য গোস্বামী ডাঙৰীয়াও মোক সমৰ্থন নিদিলে তেতিয়া মই ১৫ মিনিট সময় মনে মনে থাকিম বুলি সদনৰ পৰা ওলাই গলো, সেইকাৰণে মই ঘেহু বিষয়ে ক'ব নাযাও। অৱশ্যে ডাক্তৰ দে ডাঙৰীয়াই এটা বৰ ভাল কথা আজি

* Speech not corrected

কৈছে যিটো কথা মই যোৱা ১৫ বছৰে শুনা নাছিলো, তেখেতে কনজুউমাৰ প্ৰটেকশ্যেনৰ কথা কৈছে। তেখেত এগৰাকী নাগৰিক তাতে এঝন জ্যষ্ঠ সদস্য কথাবিলাক কওতে জুনিয়ৰ সকললৈ চাব লাগে, মই ক'ব বিচাৰিছো তেখেতে জানি থওক ইতিমধ্যে আমাৰ ১০ খন মিটিং হৈ গ'ল, ষ্টেটলেভেলত মিটিং হৈ গৈছে।

**ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ** কোন কোন তাৰিখে এই মিটিং পাতিছিল সেইটো জনাব নেকি?

*** শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (কৃষি মন্ত্ৰী) ঃ** মই অনুৰোধ কৰিব বিচাৰো মাননীয় সদস্য গৰাকীয়ে আজি যিটো কনজুমাৰ প্ৰটেকশ্যনৰ কথা ক'লে সেইটো যেন আগলৈও সদায় বাহাল ৰাখে।

মাননীয় চেয়াৰমেন ডাঙৰীয়া তেখেতে যে ইনটেৰাপচন কৰিছে সেইটো ষ্টপ কৰিব লাগে। কেন্দ্ৰত চৰকাৰ ভঙাৰ সময়ত তেখেত সকলৰ ২৭২ জন সদস্যৰ চাপোৰ্ট আছে বুলি কৈছিল। পিচত ২৩০ জন সদস্যৰ তালিকা এখন চাবমিট কৰি পলাল কিয়? চৰকাৰ গঠন কৰিব বুলি মোৰ সমষ্টিত বহুতো পায়জামা পাঞ্জাবী চাৰ্ট চিলাবলৈ দিলে। কিন্তু চৰকাৰ নোহোৱাৰ কাৰণে সেই বিলাক মোকলাই অনা নাই। আপোনালোকে সপোন দেখি থাকক। সপোন দেখাতো বেয় নহয়। ১৩০ বছৰীয়া দলটোৱে ৪ বাৰকৈ চৰকাৰ ভাঙিলে। ইলেকচন জাপি দিয়াৰ কাৰণে বয়-বস্তুৰ মূল্য বৃদ্ধি হ'ল। গোটেই ভাৰতবৰ্ষ আনষ্টেবুল হৈ আছে। লোক সভাত কেইখন আসন পাব বুলি ভাবিছে।

*** শ্ৰী ভৰত চন্দ্ৰ নৰহ ঃ** চেয়াৰমেন ডাঙৰীয়া আগন্তুক চেপ্তেম্বৰ অক্টোবৰৰ নিৰ্বাচনত এ,জি,পিয়ে কিমান খন আসন পাব। এ,জি,পিয়ে যদি এখনো আসন নাপায় তেতিয়া হ'লে কি শাস্তি ল'ব।

*** শ্ৰী গৌতম ৰয় ঃ** ফুড এণ্ড চিভিল চাপ্লাই বিষয় ক'ব লাগে।

**Mr. Chairman (Shri Bimolangshu Roy :** Hon'ble member if you interupt in this way it will be difficult on the point of the minister to continue. Please allow him to continue. Also please maintain the decurum of the House. After completion of his speech, if you have any point, you may raise the same.

**শ্ৰী ভৰত চন্দ্ৰ নৰহ ঃ** লোক সভাত যদি এখনে আসন নাপায় তেতিয়াহলে কি শাস্তি ল'ব।

*** শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** আপোনালোকৰ যিটো পাৰফমেনচ সেই পাৰফমেনচৰ জবাব পাই আছে।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ ঃ** যোৱা বাৰতো এটাও নাপালে, এইবাৰ যদি এখনো নাপায় তেতিয়া হ'লে কি শাস্তি ল'ব।

---

* Speech not corrected

* **শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** আপোনালোকৰ অৱস্থা এনেই বেয়া গতিকে চিঞৰ বাখৰ কৰিলে কি হ'ব।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ ঃ** মাননীয় সভাপতি মহোদয়, মিনিষ্টাৰ ৰিপ্লাই দিয়া নাই।

* **ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ** এ,জি,পিয়েও আমাৰ গভৰ্ণমেন্টক চাপোৰ্ট দিম বুলি প্ৰস্তাৱ লৈছিল।

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ ঃ** ৰিজোলিউচন আমি পাইছো।

* **শ্ৰী শ্বহীদুল ইছলাম ঃ** মাননীয় সভাপতি মহোদয়, ফুড এণ্ড চিভিল চাপ্লাইৰ ওপৰত ক'ব লাগে।

* **মাননীয় সভাপতি ঃ** Please come to the point.

* **শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মই নিজৰ পইন্টলৈকে গুচি আহিছো।

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ ঃ** চাৰ,

* **শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মোক কথা কবলৈ নিদিয়ে কিয়?

অৰ্দ্ধেন্দু ডাঙৰীয়াই চৰকাৰ গঠন কৰিব পাৰক বা নোৱাৰকেই কনজুমাৰ প্ৰটেকচনৰ যিখিনি কথা কৈছে সেইখিনি তেখেতে ইনটেক্ট ৰখাতো ভাল পাইছো। তেখেতে আজিয়েই ভাল কথা কৈছে আৰু তেখতৰ এই কথাটো মই ভাল পাইছো। যিহেতু আজি তেখেতৰ মুখত ভাল কথা শুনিছো গতিকে এইখিনি কথা তেখেতে যাতে ৰক্ষা কৰে। তেখেতে নিজেই কৈছে মই আজি বেয়াকৈ কোৱা নাই। যি কি নহওক বেয়াকৈ কেনেকৈ ক'ব, তেখেতেও প্ৰাক্তন মন্ত্ৰী আছিল। আমি তেখেতৰ দিনত হোৱা ঘটনা বিলাকো জানো। মাননীয় সদস্য চন্দ্ৰকান্ত টেৰাং ডাঙৰীয়াই এক্ট খন ইমপ্লিমেন্টচন কৰাৰ কথা কৈছে। এই খন চেন্ট্ৰেল গভৰ্ণমেন্টৰ এক্ট। ইয়াত যিখিনি প্ৰভিজন বিচাৰিছে তাৰ কাৰণে চেন্ট্ৰেল গৰ্ভণমেন্টৰ এপ্ৰোভেল লাগে। সেইক্ষেত্ৰত কাৰ্বি আংলং জিলা স্বায়ত্ব শাসিত পৰিষদৰ পৰা অপিনিয়ন বিচাৰিছো। মাননীয় সদস্য নিজামুদ্দিন খানে ঘেহুৰ কোটাৰ ক্ষেত্ৰত সন্তুষ্টি প্ৰকাশ কৰা নাই বুলি কৈছে। তেখেতে বোধ হয় গোটা ঘেহুৰ ক্ষেত্ৰত কৈছে। এই বিষয়টো বিভাগক চাব দিম আৰু পিচত তেখেতক জনাই দিম। মুল্যবৃদ্ধি বা অন্যান্ন ক্ষেত্ৰত যিবিলাক কথা উখাপন কৰিছে সেই বিলাক কথাৰ উত্তৰ মই আগধৰিয়েই কৈ থৈছো। মাননীয় সদস্য করুণা দত্তই মাজুলীৰ সমস্যাৰ কথা উখাপন কৰিছে। মাজুলীত যথেষ্ট সমস্যা আছে। তাত গোডাউনৰ সমস্যা আছে বুলি তেখেতে কৈছে। আমি প্ৰায়ৰিটি ভিত্তিত সেই সমস্যাতো সমাধান কৰিম বুলি সদনত কৈছো। মাননীয় সদস্য দিলীপ কুমাৰ শইকীয়াই ষ্টোৰেজ কেপাচিটিৰ বিষয়কে ধৰি বহুতো কথাই উখাপন কৰিছে। তেখেতৰ জিলা খনত এ,ডি,এচ নাই বুলি কৈছে। যদি নাই মই এই সদন শেষ হোৱাৰ পিচতেই আমাৰ যোগান বিভাগৰ সচিবক এই পোষ্টিংতো কৰি দিয়াৰ কাৰণে কম আৰু

---

* Speech not corrected

সেইটো দিয়াৰ কাৰণে এচিওৰেঞ্চ দিছো। বানপীৰিত এলেকাত গোডাউন বনাই দিয়াটো ভাল। সেইটোৰ তালিকা মই পঢ়ি দিছোৱেই। আমাৰ মাননীয় সদস্য দিল্লেশ্বৰ তাঁতী ডাঙৰীয়াই ডুমডুমা অঞ্চলত কোনোবা পৰিদৰ্শকে ১০০ টকাকৈ লোৱা বুলি উত্থাপন কৰিছে। এই বিষয়টো বিভাগীয় বিষয়াৰ দ্বাৰা অনুসন্ধান কৰিম আৰু যদি বে-আইনী ভাবে লৈছে তেতিয়া হ'লে বিহিত ব্যৱস্থা লোৱা হ'ব। ইয়াৰ উপৰিও এডভাইচোৰী কাউঞ্চিল আৰু টাউনত মহাজনে দোকান দিয়াৰ কথা কৈছে। তেখেতে যিখিনি কথা কৈছে সেইখিনি চাবলগীয়া বিষয়। অৱশ্যে সেইটো এ,জি,পি চৰকাৰৰ দিনৰ কথা নহয়। সেইটো বহু বছৰ আগৰ পৰাই হোৱা বিষয়। এ,জি,পি চৰকাৰৰ এইবাৰ তিনি বছৰহে হ'ব। কোনো মহাজনেই যাতে লাভখোৰ ব্যৱস্থা ল'ব নোৱাৰে সেইটো চাব লাগে।

* **শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** গতিকে এইটো পৰীক্ষা কৰা হ'ব। পৰীক্ষা কৰি বিষয়টো চাম। ইয়াৰ ওপৰিও দুই এটা পইন্ট ইয়াত উত্থাপন হৈছে। কমিচনাৰে জনাইছে ১০ খন মিটিং ... ষ্টেলেৱেল কনজিউমাৰ প্ৰক্টেচন কাউন্সিলৰ মিটিং সকলো জিলা আৰু সকলো মহকুমাতেই পতা হৈছে। সেইটো চেক্ৰেটাৰী চাপ্লাইয়ে জনাইছে। আৰু ইয়াৰ ওপৰত কথা হৈছে। মাননীয় সদস্য শ্ৰী অৰ্দ্ধেন্দু কুমাৰ দে আলু আৰু পিয়াজটো এচেনচিয়েল আইটেম কৰাৰ কাৰণে কৈছে। কিন্তু আমি ইতিমধ্যে ভাৰত চৰকাৰৰ ওচৰত অসমৰ সামগ্ৰীত সুমোৱাবলৈ অনুৰোধ জনাইছো। প্ৰধান মন্ত্ৰীয়ে মিটিং এখন কনভে কৰিছে আৰু সেই মিটিঙত আলোচনা কৰা হৈছে। আমি ভাৰত চৰকাৰৰ ৰিপ্লাইলৈ ৰখি আছো। ভাৰত চৰকাৰে এইটো কৰিব লাগিব। বিশেষ পইন্টখিনি মই কভাৰ কৰিছো। মই ভাবো আমাৰ মাননীয় সদস্য সকলে যিখিনি পইন্ট উত্থাপন কৰিছে মই কভাৰ কৰিছো। তাৰ উপৰিও আমাৰ মাননীয় সদস্য সকলে তেখেত সকলৰ যি বহুমূলীয়া পৰামৰ্শ আগবঢ়াইছে তাৰ বাবে ধন্যবাদ জনাইছো। আৰু তেওঁ লোকৰ কৰ্ত্তন প্ৰস্তাবটো উঠাই ল'বলৈ অনুৰোধ কৰিছো। ধন্যবাধ।

**Mr. Speaker : Now, Hon'ble member Abdur Rouf.**

* **শ্ৰী আব্দুল ৰৌফ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিভাগীয় মন্ত্ৰী মহোদয়ে যিখিনি পইন্ট উত্থাপন কৰা হৈছে তাৰ উত্তৰ দিয়া বুলি কৈছে। কিন্তু মই এটা পইন্ট উত্থাপন কৰা হৈছে তাৰ উত্তৰ দিয়া বুলি কৈছে। কিন্তু মই এটা পইন্ট উত্থাপন কৰিছিলো, কেৰাচিন তেলৰ ব্লেক মাৰ্কেটিংৰ বিষয়টো লৈ। এই ক্ষেত্ৰত প্ৰতি বছৰে চাৰ্ভে নকৰাকৈ শতকৰা ৩০ ভাগ ইয়াৰ লগত এড কৰি মাল ক্ৰয় কৰা হয়। অৰিজিনেল যিখিনি পাব লাগে পাই আৰু যিখিনি বেলেগে পাই সেইখিনি ভুৱা ৰেচন কাৰ্ড আদি কৰি ব্যপাৰ চলাই আছে। এনেকৈ চোৰাং বেপাৰীৰ কাৰবাৰ চলাই আছে। মন্ত্ৰী মহোদয়ে এই বিষয়ত কি ব্যৱস্থা ল'ব জনালে মই কৰ্ত্তন প্ৰস্তাবটো উঠাই ল'ম।

* **শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় সদস্য গৰাকীয়ে যি ভুৱা ৰেচন কাৰ্ডৰ বিষয়ে

* Speech not corrected

কৈছে সেইটো বিভাগকক তদাৰক কৰিব কোৱা হ'ব। বৰপেটা জিলাৰ ডি,চিক নিৰ্দ্দেশ দিয়া হ'ব যে ভুৱা ৰেচন কাৰ্ডৰ বিষয়ে তেওঁলোকে ব্যৱস্থা ল'ব।

*** Shri Sukhendu Shekhar Dutta :** I want 3 clarifications from Hon'ble Minister. One is regarding the FCI godown at Karimganj. So far as I know, godown has been taken over by the Deputy Commissioner Karimganj. But for some unknown reason, this godown is not being used by FCI and so far as I know. DC Karimganj has been requesting repeatedly the authority to ask FCI to shift the godown from Silchar to Karimganj. This point needs clarification. Second clarification - regarding ATA licence. Hon'ble Minister has told the House that there is a court case by the Consumer Association. Sir, regarding these ATA licences, I would suggest that these licences were issued illegally by the authority and now, the so-called beneficiaries are taking advantage. Number of licences were issued on the bank of river Kusiara, bordering Bangladesh. If the other side can go to the court, Government can also go to court challenging the contention. This should be done. Third point - regarding the circular issued by the Hon'ble Supply Minister asking the Members to suggest names for some fair price shops and kerosene hawkers. That has not been done. What happened that point.

*** Shri Chandra Mohan Patowary (Minister Agriculture, in-charge F&CS) :** Hon'ble Speaker Sir, so far as this point is concerned, I have already said that about this IWT godown. DC Karimganj also requested FCI to come over and take over the godown so that we can start the storage facilities at Karimganj immediately. Hon'ble Member also requested to draw the attention of the Government and Sir, Government will definitely take necessary aciton and I think for some sort of technical reasons, FCI has not come forward. I will not be able to speak right now. I will have to discuss with the officers and day after tomorrow, I will inform the Hon'ble Member. Regarding the second point, I have already stated that the whole matter is sub judice and when the case is disposed of, we will be able to take necessary action. During my clarification in my speech I told about ATA licences and Government also taking a very serious view on this matter. So, I can assure Hon'ble Member that Government

* Speech not corrected

will take it very seriously and will resist the fear psychosis and apprehension. Regarding third point - I had a friendly discussion with Shri Digen Bora, Miniser, Food & Civil Supplies. I have also submitted my papers. But in my Constituency also, it has not been done. He told me that in one file if all applications from Constituencies are given to him properly observing all formalities, he will do it. Probably it has been done in some constituencies. This has not been done because of his illness also. When Minister comes back, I think, Hon'ble Member can discuss with him.

**Shri Sukhendu Shekhar Dutta :** I withdrew.

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ ঃ** মই ৰ্ত্তন প্ৰস্তাবটো উঠাই লৈছো।

* **শ্ৰী জগত সিংহ ইংটি ঃ** যোগান বিভাগৰ কৰ্ত্তন প্ৰস্তাবৰ ওপৰত যি উত্তৰ দিছে বিশেষকৈ এক্ট ইমপ্লিমেনটেচনৰ কাৰ্বি আলংৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ ওপৰত জাপি দিছে। এক্ট ইম্লিমেনটেচনৰ যিটো দায়িত্ব অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰলৈ ড্ৰাফ প্ৰপোজেল পথোৱা অসম চৰকাৰে এই দায়িত্ব এতিয়ালৈ পালন কৰা নাই (ক্ৰমশঃ)

* **শ্ৰী চন্দ্ৰ কান্ত টেৰাং ঃ** মাননীয় অধ্যক্ষ মহোদয়, কিমান সময়ৰ ভিতৰত এইটো ইমপ্লিমেন্ট কৰা হ'ব, ইয়াৰ ওপৰত কোনো প্ৰতিশ্ৰুতি দিয়া নাই। ইয়াৰ আগতে প্ৰতিশ্ৰুতি বহুবাৰ দিছে। কোনো নিৰ্দ্ধাৰিত সময় সীমা ধৰি দিয়া নাই। এতিয়া প্ৰতিশ্ৰুতিত বিশ্বাস নকৰো। কাৰ্য্যক্ষেত্ৰত কৰি দেখুৱালেহে বিশ্বাস কৰিম। যেতিয়ালৈকে সমাধান নহ'ব তেতিয়ালৈকে কৰ্ত্তন প্ৰস্তাৱ উঠাই লোৱা নহ'ব।

**Mr. Speaker :** Is it the pleasure of the House to grant leave to withdraw the cut motion.

(voices 'Yes', 'Yes' .....)

With the leave of the house the cut motion is withdrawn. I now put the motion before the House for approval.The motion is -

That the total provision of Rs.15,70,21,000 be granted to the Minister-in charge to complete the sum of Rs.23,55,32,000 necessary to defray the charges which will come in the course of payment during the year ending the 31st March, 2000 for the administration of "Food,Storge,Warehousing and Civil Supplies".

---

* Speech not corrected

Those who are in favour say 'Ayes'.

Those whare against,say 'Noes'.

'Ayes have it','Ayes have it','Ayes have it',

The motion is passed.Grant No.37 is passed.

Now Grant No 14, Hon.Chief Minister. to move.

* **Shri Prafulla Kumer Mahanta(Chief Minister) :** Sir, on the recommendation of the Governor of Assam,I beg, Sir to move that a sum of Rs.444,20,20,000 be granted to the Minister-in-charge to complete the sum of Rs.666,30,30,000 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 2000 for the administration of Police.

**Mr. Speaker :** There are as many as five cut motions standing in the name of (1) she Sheikh Abdul Hamid,, Shri Abdur Rouf (2) Shri Sukhendu Shekhar dutta, Shri Sambhu Sing Mallah, Shri Bimalangshu Roy, Shri Kali Ranjan Deb (3) Shri Abu Bakkar Siddique Jotdar, Shri Wazid ali Choudhury, Shri bhimananda Tanti, Shri Nazibul umar, Smti. Amiya Gogoi, Dr. Kalyan Kumar Gogoi,Shri Abdul Muqtadir Choudhury, Shri Ajit Sing Sudhangsu Coomer De Sirkar, Shri rameswar Dhanowar, Shri Barnabash Tanti, Shri Dileswar Tanti, Shri Prithibi Maji, Shri Etuwa Munda, Shri Misbahul Islam Laskar, Shri Ismail Hussain, Shri Hemo Prova Saikia, Shri Mustafa Shahidul Islam (4) Shri Holiram Terang , Shri Jagat Sing Engti, Shri Samarjit Haflongber, Shri Hemsing Tisso, (5) Shri Sukur Ali, Dr. Nazrul Islam, Shri Girindra Mallik.

I now request the movers of the cut motion to move their cut motion one by one.

* **Shri Sheikh Abdul Hamid :** Mr.Speaker, Sir, I beg to move that the total provision of Rs.444,20,20,000 under Grant No.14 in respect of "Police ' at page 1-41 of Volume II, part V of the Budget for 1999-2000 be reduced to Re.1.00., i.e. the amount of the whole grant of Rs.444,20,20,000 do stand reduced to Re.1.00.

* **Shri Sukhendu Shekhar Dutta :** Sir, I beg to move that the total

* Speech not corrected

prvision of Rs.444,20,20,000 under Grant No.14 in respect of "Police" at pages 1-41 of volume II, or part V of the Budget for 1999-2000 be reduced to Re.1.00, i.e. the amount of the whole grant of Rs.444,20,20,000 do stand reduced to Re.1.00.

* **Shri Abu Bakkar Siddique Jotdar :** Sir, I beg to move that the total provision of Rs.444,20,20,000 under Grant No.14 in respect of "Police" at pages 1-41 of Volume II, part V of the budget for 1999-2000 be reduced to Re.1.00, i.e. the amount of the whole grant of Rs.444,20,20,000 do stand reduced to 1.00.

* **Shri Ghandra Kanta Terang :** Sir, I beg to move that the total provision of Rs.444,20,20,000 under Grant No.14 in respect of "Police" at pages 1-41 of Volume II, part V of the budget for 1999-2000 be reduced to Re.1.00, i.e. the amount of the whole grant of Rs.444,20,20,2000 do stand reduced to Re.1.00.

**Mr.Speaker :** Hon.Member Shri Sukur Ali is not present in the House, So the cut motion is not moved. I now request Hon. Member Shri Abdur Rouf to speak.

* **শ্ৰী আব্দুৰ ৰৌফ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই পুলিচৰ গ্ৰেন্টৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱ এই কাৰণেই আনিছো পুলিচৰ কিছু কু কীৰ্ত্তি আছেষ যি কুকীৰ্ত্তিয়ে সমাজত অতিষ্ঠ কৰি পেলাইছে। মাননীয় মুখ্যমন্ত্ৰীয়ে কব যে পুলিচে ভাল কাম কৰিছে। কিন্তু ভাল কামক আমি সমালোচনা কৰিবলৈ যোৱা নাই, বেয়া কামখিনিহে সমালোচনা কৰিম। এই পুলিচ বিভাগটোক আমাৰ ৰক্ষক হিচাপেও জ্ঞানকৰা হয় যদিও দেখা পাইছো সাধাৰণ মানুহৰ কাৰণে পুলিচ বিভাগটো ওটা বিপদজনক বিভাগ বুলি পৰিগনিত হৈ আছে। মহোদয়ে শুনিলে আচৰিত হ'ব যে মই নিজে কিছুমান প্ৰত্যক্ষ কৰিছো। জলেশ্বৰ থানাৰ অধীনত কিছু গড়াখহনীয়াত ক্ষতিগ্ৰস্ত লোক আছে। এই লোকসকলে ৰিক্সা, ঠেলা চলাই খায়। গোটেই দিনটো কাম কৰাৰ পিছত ৰাতি শুই থকা অৱস্থাত পুলিচে ধৰি আনি থানাৰ লকআপত ৰাখে। আৰু টকা বিচাৰে। টকা কম হলে অত্যাচাৰ কৰে। তেওঁলোকৰ একসপ্তাহৰ কামৰ সম্পূৰ্ণ হিচাপ কৰি লৈ যায়। এই লোক সকলক সন্দেহৰ ওপৰত নিৰ্ভৰ কৰি ধৰি অনা হৈছে। যেতিয়া আমি নিজে এই কামৰ ওপৰত ব্যৱস্থা লোৱাৰ কাৰণে আগবাঢ়ি যাওঁ, তেওঁলোকক আনিবলৈ মানুহ পঠোৱা যায় তিনি হাজাৰ টকা ৱেটত টকা লাগিব বুলি জনায় আৰু এম, এলক জনালে তেতিয়া তেওঁলোকৰ ৰেট বাঢ়িব। ইয়াৰ দুগুন ছয় হাজাৰ টকা হয়। ইয়াৰ পিছত এই কথা কাকো কব নোৱাৰিব।

* Speech not corrected

তেওঁলোকে কাম কৰিবৰ কাৰণে গুৱাহাটী লৈ আহিব লাগে। নদী গড়াখহনীয়া ক্ষতিগ্ৰস্ত লোক। অন্য এটা কথা হ'ল যে বাগবৰ থানাৰ অধীনত বনভোগ গাঁৱত এটা মাৰাদাৰ হৈছিল। এই মাৰাদাৰ কৰা খুকুৰীখন তাৰ আউট পোষ্টৰ ও, চিৰ ঘৰত ওলাইছিল। ইয়াৰ পৰা বুজা যায় ও, চিৰ ঘৰতে চোৰ ডকাইতৰ আদ্দা। পুলিচৰ যদি এই বিলাকত জড়িত থাকে তেনেহলে শান্তি কেনেকৈ ৰক্ষা হ'ব।

মাননীয় অধ্যক্ষ ঃ সদস্য গৰাকী আপুনি কোন পলিচিৰ আধাৰত কৈ আছে। আপুনি পলিচিক সমালোচনা কৰিছে নে কি কাৰণে কৈ আছে?

* শ্ৰী আব্দুৰ ৰৌফ ঃ অধ্যক্ষ মহোদয়ে আজি পুলিচ বিভাগত যি দক্ষতা থাকিব লাগিছিল সেই ক্ষমতাৰ অভাৱ হৈছে। আৰু ইয়াৰ কাৰণো আছে। চিলচৰত বৰাক তেলিত ১৫/২০ বছৰ ধৰি এজন পুলিচ অফিচাৰ একে ঠাইতে আছে। সেইজন অফিচাৰৰ দক্ষতা কিমান হ'ব এইটো আপোনালোকে অনুমান কৰিব পাৰিব। গতিকে এই বিভাগটো নতুনকৈ চিন্তা-চৰ্চ্চা কৰি মাদানেৰাইজ কৰিব লাগে। গতিকে আমাৰ বিভাগীয় মন্ত্ৰী মহোদয়ে এই বিষ বিলাকৰ ওপৰত দৃষ্টি দিব লাগে। শেষত এটা কথা কবলৈ বিচাৰিছো যে, পুলিছে গাড়ী ৰিকুশ্যন কৰে। এখন গাড়ীৰ ঠাইত ১০ খন গাড়ী ৰিকুশ্যেন কৰে আৰু টকা নোলোৱাকৈ গাড়ী এৰি নিদিয়ে। এনে ক্ষেত্ৰত পুলিচৰ ওপৰত দৃষ্টি দিব লাগে। বিভাগীয় মন্ত্ৰীয়ে যদি এই বিষয়টোৰ ওপৰত বিশেষ ব্যৱস্থা নলয় তেনেহলে তেওঁলোকক বাঢ়িবলৈ দিয়া হ'ব। এই বিষয় বিলাকৰ প্ৰতি দৃষ্টি দিবলৈ অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্যসকলে কৰ্ত্তন প্ৰস্তাৱৰ পলিচিৰ ওপৰতহে ক্ৰিটিচাইজ কৰি দিব লাগে।

**Shri Sukhendu Shekhar Dutta :** Hon'ble Mr.Speaker Sir, I would like to speak only few words on disapproval of policy of the Home department. first of all, sir I refer to the report of the CAJ of 31st March,1998 at page No. 9, where it has been written in the Home Department that Government vehicles were being utilised by persons not entitled to or in access of entitle. Sir,again it has written in the same page permanent requisition of un-economical vehicles by the Police(Home) Department lead to excess consumption of 13.92 lakhs litres of fuel over the prescribed norms costing of Rs.2.49 crores. Sir,this CAJ's report appears that in the Appropriation Accounts published by the Controller and Auditor General of India from page No.63 to page no 73 and made some comments there, which indicates some sorts of malfunctioning.Sir in page no.14, it has written in the last part of page no.63, the voted portion of grant closed

* Speech not corrected

with a saving of Rs.5421 lakhs. No.part of the savings was anticipated and surrendered during the year. Similarly, in the following pages also sir, it is written that the Supplementary provision obtain ed in August, 1997 put unnecessary as the actual expenditure in the above cases did not come even upto the original budget provision.However, reasons for final saving in all the above cases including non-utilization of the entire provision does not be intimated till Novovember, 1998. These comments is available here in this book in every pages. So on the basis of the comments in the Appropriation Accounts and in the CAJ's report my study is that sir, the Police(Home)Department is not giving due atention to its proper functioning.It appears Sir,from this documents, the Deptt. needs a thorough rationalisation. It needs rationalisation. I say rationalisation sir, because I have seen in my own district the vevicles used by the Police(Home) Department, the old Jeps which run 5/6 kilo-meters per litre and that put a great pressure of the State exchequre. While requisition the vehicle for Government purposes which is the normal process the police men those who go for requisition , they never go for requisition of the old vehicles. They only bring the useless vehicles. I don't know the mystery. This way the Government fund is being mis-utilised. So my first point sir, I would request the Chief Minister as well as the Home Minister to take a study for rationalisation of the entire set up.

Sir, another point that also come under the policy matter of the Home Department. There are 6(Six) police gates in the district of Karimganj. I do not know the exact figure in other districts, but in my district there are six gates. One is at inter-state border that is Assam-Tripura border-Choraibari. I think it is needed for many purposes and 5 (five) other checkgates which are not needed. Sir, if anybody is willing to go for inspection sir, he will definitely find that they are busy for collection and nothingelse. It is very funny things, Sir, when a truck helts just one man from the road puts hands inside the truck and another man they go for escape. It is a matter of one minute and they finish the job. Sir, police gates are not needed. It is a part of the Government policy. Another thing

that is also a policy matter. Sir, some police officers in many district and in my district also they stay there life-long and this creates a vested interest. In my opinion, nobody should stay in a particular district for more than 3 (three) years and that will definitely help the administration. Practically sir, from southern Assam to Northen Assam and Northern Assam to Upper Assam and this sort of things are there and very frequently that will help us and improve the police administration ........ and if Sir, if I do not commit any mistake and now I say about an incident, which took place in my area, as far as I remember rectly, Sir, This is about the activities of a particular Police Officer. I shall not tell the name of the particular police officer, but if the Hon'ble Chief Minister wants, I can very well give the name of the police officer, Sir. Leaving asida his normal duties which is expected from a police officer, he is totally busy with political campaign in favour of a particular political party. Such Government servant should be withdraw from his duty immediately. That police officer is busy, I mean he is totally devoting himself only how to ensure Primership of Ms. Sonia Gandhi, neglecting his duties. No police officer has been given that power to do so.

There is another point Sir, this is regarding Police-public relations. This relations, in my areas has come to such a pass that people are loosing faith on police. When somebody is brought to police station they start torturing the victim. The victim is subjected to different degrees of horrifying punishment. This stops only when the concerned police officer is regarded suitably. Here, I refer to a particular case in Hojai District, Sir. After the fall of Vajpayee Government our party men organised a programme. There was a effigy with our partymen. We organised that programme in a democratic way. Suddenly, the police men assembled there take away the effigy by force. When our partyment started that programme the police did not allow them to do so. That sort of incident by the police should not be allowed to continue.

Another important point Sir, I about Police-Criminal nexus. Sir, I can prove it whether there is any police-criminal nexus or not. Police administration should be based on our great

passed rullers say as per the pattern of administration of king Ashok. This is also a matter of policy.

Covering all the points which mentioned Sir, I would like to request the Chief Minister to streamline the Police Administration, make it more rational, friendly, economical. There must be a sort of atmosphere, atmosphere should be created so that the people of Assam should believe that police are our friends and not enemy.

